# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ৩১/০৩/২০২৩ শুকুৰবাৰ

ইংৰাজী ৩১-০৩-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিবেশন ৰাতিপুৱা ৯.০০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্চন নং- ১৮১ , শ্ৰীআব্দুল বাতিন খন্দকাৰ

**শ্ৰীআব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰী উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান স্বাস্থ্য মন্ত্ৰী তথা চৰকাৰে চিকিৎসা শিক্ষাৰ প্ৰসাৰৰ বাবে যথেষ্ট ভাল কাম কৰি আছে তাৰ বাবে আমি শলাগিছো। কিন্তু অধ্যক্ষ মহোদয়, চিকিৎসা শিক্ষাৰ যিটো মানদণ্ড হ'ব লাগিছিলে সেইটো আমি নিশ্চিত কৰিব পৰা নাই ।আমাৰ মিনিষ্ট্ৰি অৰ হিউমেন ৰিচোৰ্চৰ অনুমোদিত এটা সংস্থা আছে National institute of ranking framework, তাৰ তালিকাত অসমৰ এখনো চিকিৎসা মহাবিদ্যালয় স্থান ল'বলৈ সক্ষম হোৱা নাই ।আমাৰ চিকিৎসা মহাবিদ্যালয়ৰ গুণগত মানদণ্ড ইমানখিনি আগবঢ়া নাই হোৱেৰএজ ১৮৯৯ - চনতে আমাৰ এখন মেডিকেল স্কুল হৈছিলে, পৰৱৰ্ত্তী ১৯৪৭ চনত অসম মেডিকেল কলেজ হ'ল। ১৯৫৯ চনত গুৱাহাটী মেডিকেল কলেজ হৈছিল ।ইমান পুৰনি মেডিকেল কলেজ থকাৰ পিচতো আমি কি কাৰণত ৰাষ্ট্ৰীয় পৰ্য্যায়ত এখনো চিকিৎসা শিক্ষা অনুষ্ঠান উন্নীত কৰিব পৰা নাই ।তাৰ বাবে আমাৰ বৰ্ত্তমানৰ চৰকাৰখনে যাতে নেশ্যনেল ৰেংকিঙত অৰ্ন্তভূক্ত কৰিব পাৰি তাৰ বাবে কিবা ব্যৱস্থা হাতত ল'বনে ?

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এটা গুৰুত্বপূৰ্ণ দিশ ইয়াত উন্মোচিত কৰিছে। আমি চিকিৎসা শিক্ষাৰ প্ৰসাৰৰ লগে লগে উন্নত মানদণ্ডৰ কাৰণে আমি সমানে ব্যৱস্থা গ্ৰহণ কৰিছো। উন্নত মানদণ্ডৰ কাৰণে শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা কিছু নতুন পদক্ষেপ আৰম্ভ কৰিছে যিখিনি পদক্ষেপেৰে প্ৰতিখন মেডিকেল কলেজক আমি যাতে উন্নত ধৰণে গাইডলাইন দিব পাৰো। তাৰ উপৰিও তেওঁলোকক নিয়মীয়া ইন্সপেকশ্যন আৰু প্ৰয়োজন হ'লে ৰিচোৰ্চ পাৰ্ছন আনি তেওঁলোকৰ পাঠ্যক্ৰমৰ উপৰিও অন্যান্য বিষয়ৰ শিক্ষা দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা কৰা হৈছে, তাৰ উপৰিও যিবিলাক মডাৰ্ণ টিছিং টুলছ আছে , এইখিনিও আমি বহুখিনি সংগ্ৰহ কৰিছো যাতে আমাৰ স্বাস্থ্য বিজ্ঞান অধ্যয়ণ কৰা যিসকল ছাত্ৰ- ছাত্ৰী তেওঁলোকৰ মানদণ্ড বৃদ্ধি কৰিব পাৰে, লগতে এডভান্সড কোৰ্ছ অধ্যয়ণ কৰাৰ স্কোপ পায়। ইয়াৰ লগতে আমাৰ ইউনিভাৰ্চিটিক বেলেগ বেলেগ ইউনিভাৰ্চিটিৰ লগত টাই আপ কৰিবলৈ দিয়া হৈছে যাতে মানদণ্ড বৃদ্ধি পায়। এই ধৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশমতে আমি বিশ্ববিদ্যালয়ৰ পৰা এই চিকিৎসা মহাবিদ্যালয়বিলাকৰ একাডেমিক আৰু পাঠ্যক্ৰমৰ দিশটো গুৰুত্ব প্ৰদান কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেন্টৰী।

**শ্ৰীআব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰী উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তিনিখন চিকিৎসা মহাবিদ্যালয় পুৰণি - ডিব্ৰুগড়, গুৱাহাটী আৰু শিলচৰ। ইয়াত অধ্যাপক, সহযোগী

অধ্যাপক, সহকাৰী অধ্যাপক ভালেখিনি আছে। কোনো অসুবিধা হোৱা নাই। যিখিনি মেডিকেল গ্ৰেজুয়েট ওলাই আছে সেইখিনি ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ নহ'লেও ভাল- বেয়া নহয় । কিন্তু যি ছয়খনত নতুনকৈ পাঠদান আৰম্ভ কৰিছে তাত কিন্তু অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক আৰু আন আন বিভাগৰ পদ ভালেখিনি খালি হৈ আছে । গতিকে অধ্যক্ষ মহোদয়ৰ জৰিয়তে আমি এইটো বিচাৰো যে সকলোখিনি চিকিৎসা প্ৰতিষ্ঠানৰ পৰা যাতে আমি সমপৰ্য্যায়ৰ মানদণ্ড থকা মেডিকেল গ্ৰেজুয়েট আমি পাবলৈ সক্ষম হওঁ । লগতে ক্লিনিকেলী চাউণ্ড হোৱাৰ বাবে কি ব্যৱস্থা হাত লৈছে বা ল'ব সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা উত্থাপন কৰিছে এইটো প্ৰয়োজনীয় বিষয়। আমি যদি চাওঁ আমাৰ তিনিখম মেডিকেল কলেজ-এ এম চি হৈছিল ১৯৪৭ চনত, গুৱাহাটী মেডিকেল কলেজ হৈছিল ১৯৬০ চনত তাৰ পিছত ১৯৬৮ চনত শিলচৰ মেডিকেল কলেজ স্থাপন হৈছিল । তাৰ পিছত যোৱা ৪১ বছৰে ৰাজ্যখনত কোনো মেডিকেল কলেজ হোৱা নাছিল। ২০০৯ চনত যোৰহাট মেডিকেল কলেজ স্থাপন হ'ল । ২০০৯ চনৰ পৰা ২০২৩ চনলৈ আমাৰ মুঠ ১২ খন মেডিকেল কলেজ হ'ব । বিধায়ক গৰাকীয়ে যিটো কথা কৈছে যে আজি গুৱাহাটী মেডিকেল, আসাম মেডিকেল আৰু শিলচৰ মেডিকেল কলেজত মুঠ আসন ২২৫খনহে আছে । সেই দীঘলীয়া সময়টোত আসন আছিল মাত্ৰ ১০০ পৰা ১২৫ আৰু গোটেই বছৰটোত ৩০০ ডাক্তৰহে ওলাইছিল। কাৰণ শিলচৰ মেডিকেল কলেজত ৫০ টা ছিট লৈ আৰম্ভ হৈছিল । কিন্তু এতিয়া ১০০ খন আসনলৈহে মেডিকেল কলেজ আৰম্ভ হয় । গতিকে এইটো আমাৰ কাৰণে বেলেগ ধৰণৰ সমস্যা হৈ উঠিছে । মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পাব যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী স্বাস্থ্যমন্ত্ৰী থকা দিনৰে পৰা কিছু ব্যৱস্থা গ্ৰহণ কৰিছিল তাৰ ভিতৰত এটা আছিল চিকিৎসকলৰ অৱসৰ লোৱাটো সত্তৰ বছৰলৈ লৈ গ'লো আৰু তাৰ কাৰণে আমি আৰু কিছুদিন সেই ডক্টৰসকলক পালো । তেখেতসকলৰ প্ৰমোশ্যনৰ ক্ষেত্ৰত আমি ৰিজাৰ্ভেশ্যন মানি চলিব লাগে । মাজতে আমি এটা পাৰ্মিশ্যন উলিয়াই ল'লৈ যে ৰিজাৰ্ভেশ্যনৰ মানুহ নহালৈকে আমাৰ অন্যন্যসকলক প্ৰমোশ্যন দিয়াৰ ব্যৱস্থা যাতে থাকে । তথাপিও এতিয়া বহু ৰিজাৰ্ভ পোষ্ট আছে য'ত আমি প্ৰমোশ্যন দি ফিল আপ কৰিব পৰা নাই । আপোনালোকে শুনি ভাল পাব যে যোৱা ২০২২ চনত আমি প্ৰমোশ্যন বোৰ্ড চাৰিবাৰ বহুৱাইছো কিন্তু ইয়াৰ আগতে বছৰত এবাৰকৈহে বহিছিল। এই বোৰ্ড বহুৱাই আমি বহু ডক্টৰক প্ৰমোশ্যন দিলো । এতিয়া ৰাজ্যৰ গোটেই কেইখন মেডিকেল কলেজক সমপৰ্য্যায়লৈ ল'বলৈ সক্ষম হৈছো । এতিয়া মই বিধায়ক গৰাকীৰ প্ৰশ্ন উত্তৰ দিছো যে , এতিয়ালৈকে প্ৰফেছৰ আৰু এচিছটেন্ট প্ৰফেছৰকে লৈ আমাৰ ১৬৫৩ গৰাকী থাকিব লাগে কিন্তু ১৩৭১ গৰাকীহে আছে । ঠিক তেনেকৈ ৰেজিষ্টাৰৰ ক্ষেত্ৰত ১০৩৬ গৰাকী থাকিব লাগে কিন্তু ৫৮৪ গৰাকীহে আছে । আমি যেনেকৈ আণ্ডাৰ গ্ৰেজুয়েট পোষ্ট পাইছো কিন্তু পোষ্ট গ্ৰেজুয়েট পোষ্টটো তেনেকৈ নিদিয়ে । ডিপাৰ্টমেন্টত কেইজন প্ৰফেছৰ আছে আৰু এচোছিয়েট আছে সেইটো চাইহে পোষ্টটো পাওঁ । আমি এতিয়া ৭৭২ গৰাকী পোষ্ট গ্ৰেজুয়েট পাওঁ । কিন্তু তাৰে পঞ্চাশ শতাংশ অল ইণ্ডিয়া কোটাত যায়গৈ। পাছ কৰাৰ লগে লগে তেওঁলোকে আমাৰ তাত কাম কৰিবলৈ নাহে । বাকী যিখিনি থাকে সেইখিনি বিশ লাখ টকাৰ বণ্ড লৈ এপইন্টমেন্ট দিয়া হয়। মাজুলীত আমি এজন ৰেডিঅ'ল'জিষ্ট এপইন্টমেন্ট দিছিলো । জইন কৰি তেখেতে বিশ লাখ টকা ঘুৰাই দি ৰিজাইন দি গুছি গ'ল। তেখেতক নিযুক্ত কৰা

প্ৰাইভেট নাৰ্চিং হোমখনে তেখেতক ঘুৰাবলৈ বিশ লাখ টকাটো দিলে আৰু ক'লে যে আমি এইটো এডজাষ্ট কৰি ল'ম । গতিকে এনেধৰণৰ অসুবিধা হৈছে ।

**শ্ৰীআব্দুল বাতিন খন্দকাৰ, (বিধায়ক) ঃ** গুনগত মানদণ্ডৰ কথাটো মই কৈছোঁ।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী) ঃ** গুনগত মানদণ্ডৰ কাৰণে আমি এতিয়া অহা ৬, ৭, ৮ তিনিদিন স্বাস্থ্যসেৱা উৎসৱ আয়োজন কৰিছোঁ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মই আপোনালোকক আনুস্থানিক ভাৱে দিম, প্ৰত্যেকজন বিধায়কে এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি বিশেষকৈ নিজৰ সমষ্টিত এই স্বাস্থ্যসেৱা উৎসৱত আমি যিখিনি সংগ্ৰহ কৰিব বিচাৰিছোঁ গতিকে সেই খিনি তথ্য সংগ্ৰহ কৰি আপোনালোকে নিজে নিজে যদি অলপ আগুৱাই দিয়ে অহা দিন সমূহত আমি ব্যাপক ভাৱে ইয়াৰ সমধান কৰিবলৈ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া অখিল গগৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ অধ্যক্ষ ডাঙৰীয়া, মোৰ প্ৰশ্নটো হ'ল যে আমাৰ ইয়াত মেডিকেল কলেজ বিলাক বৃদ্ধি পাইছে, এইটো খুব ভাল কথা। কিন্তু তাৰ পিছতো অসমৰ এজন মানুহৰ চকুৰ অসুখ হ'লে লগে লগে নেপাললৈ দৌৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত প্ৰশ্নটো হ'ল শিক্ষকৰ কথা।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মই সেইটোকে ক'বলৈ গৈ আছো, এটা মাত্ৰ বাক্য। যেতিয়া আমাৰ ভৰিভাঙে তেতিয়া পাটনালৈ দৌৰিব লাগে, কেন্সাৰ হলে লগে লগে বাহিৰলৈ যাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো কৰক।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ আমাৰ গুনগত আচলতে চিকিৎসা যিটো সেৱা, সেই গুনগত সেৱাটো বৃদ্ধি নোহোৱাৰ কাৰণে এই অৱস্থা হৈছে নে আন্তগাঁথনিৰ অভাৱৰ কাৰণে হৈছে, আজি এনেকৈ প্ৰত্যেকটো চিকিৎসাৰ ক্ষেত্ৰতে ৰোগী এজনৰ পৰিচয় হয় পাটনা, নেপাল, নহলে পৃথিৱীৰ আটাইতকৈ দুখীয়া দেশখন নেপাল, তালৈ আমি দৌৰিব লাগে। নহ'লে মুম্বাইলৈ দৌৰিব লাগে। কি কাৰণে আমাৰ এই অৱস্থাটো হৈ আছে?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই যিটো কথা তেখেতে উল্লেখ কৰিছে মই ভাৱো যে অসম ৰাজ্যখনত চৰকাৰী ভাৱে বা বেচৰকাৰীভাৱে ইয়াত যিখিনি ব্যৱস্থা আছে কোনো মানুহ চকুৰ চিকিৎসাৰ কাৰণে বাহিৰলৈ যাব লগা নহয়। বাহিৰলৈ যাব লগা হোৱা এটা চক্ৰ আছে। যেনে এতিয়া আমাৰ তেজপুৰৰ পৰা মোৰ ঘৰৰ ওচৰৰ মই জানো দিনে দুখন তিনিখন বাছ কেৱল নেপাল যায়, গুৱাহাটীৰ পৰা যায়, সকলোৰে পৰা যায়, এইটো এটা arrangement আছে যিটোৱে ব্যৱসায়টো তালৈ লৈ গৈছে। গতিকে এইটো কিবা অভাৱৰ কাৰণে হোৱা নাই। এই বাৰ আমি গুৱাহাটীত Regional Institute of Ophthalmology এইখন আমি বহুত ধৰণৰ উন্নত কৰিবলৈ Budget speech ত কৈছে আমি এবছৰৰ ভিতৰত কৰিম। চকুৰ ক্ষেত্ৰত ইয়াত এক বিশেষ ব্যৱস্থা এই বাজেটত গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ১৮২। কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Hon'ble Civil Aviation Minister ৰ চিঠি খন চালো। Govt. of Assamৰ চিঠিখনো চাইছোঁ। কথাটো হৈছে অধ্যক্ষ মহোহয়, যে বাস্তৱ চিত্ৰটো ভিন্ন, ভয়ংকৰ এটা চিত্ৰ। আমি বিচাৰো যে ডলুত এখন

এয়াৰপোৰ্ট হ'ব লাগে বা বৰাক ভেলীত এখন হ'ব লাগে, এইটোত আমাৰ কোনো দ্বিমত নাই। কিন্তু বাস্তৱ চিত্ৰটো ভিন্ন। আমি Civil Aviation Ministerৰ চিঠিখন পালো। কথাটো হৈছে কি ৰাজ্যসভাৰ unstarred question 2906 Hon'ble MP Susmita Dev 27th March, 2023 ত এটা প্ৰশ্ন কৰিছিল, তাৰ reply টো ভয়ংকৰ। In November, 2022 Airport Authority of India submit an application under Greenfield Airport Policy, 2008 to Ministry of Civil Aviation for grant a site clearness of development of Greenfield Airport at Dolu, ইমানলৈ ঠিক আছে, Cachar, Assam. This proposal is under consideration of Ministry of Civil Aviation in consultation with Airport Authority of India, the Civil Aviation, Ministry of Defence and Government of Assam as per Green field Airport Policy, 2008.অধ্যক্ষ মহোহয়, কথাটো হৈছে কি আপোনালোকে ১২ মে' ২০২২ ত ১৪৪ ধাৰা বলবৎ কৰিলে, ১৫০ টা বুলৰুজাৰ, এক্সলটাৰ, হুলস্থূলীয়া এটা পৰিৱেশ কৰি ২৬০০ বিঘা য'ত আপোনালোকে ক্লিয়াৰ কৰিলে। কিন্তু বাস্তৱ সত্যটো এইটো ২০২৩ত আপোনালোকৰ Ministryত অৰ্থাৎ Central Ministryৰ তথ্য মতে এতিয়ালৈকে কোনো একো কৰা নাই under consideration আছে। এতিয়া আমাৰ প্ৰশ্নটো হৈছে এই যে under consideration, under considerationৰ এটা বস্তু থকা sanction হৈছে, আপোনালোকে clear কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** যে sanction হোৱা নাই under consideration এটা চাহ বাগিছাত যেতিয়া গছ থাকে, সেইবোৰ সন্তানৰ নিচিনা।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব, আপুনি প্ৰশ্নটো কৰক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** কি কাৰণে বস্তুটো কৰিলে? sanction হোৱা নাই under consideration বস্তু, এইটোৰ কাৰণ কি জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই যিটো কথা আনিছে, ইতিমধ্যে সেই কথাটো Airport Authority of Indiaই উত্তৰপূৰ অঞ্চলত আমাৰ যাতায়াতৰ ব্যৱস্থাটো উন্নত কৰিবৰ কাৰণে বিমান বন্দৰ এটা ডলু চাহবাগিচাত ইতিমধ্যে ২৫০০ বিঘা land relinquish কৰি লৈছে শব্দটো, ইয়াত aquation equation নহয়। Airport Authority ৰ requirement যেতিয়া Transport Departmentলৈ আহিলে, তেতিয়া Transport Departmentয়ে Revenue Departmentৰ লগত অসম চৰকাৰে কথা পাতি আৰু relinquish systemত অৰ্থাৎ সেই বাগিছাৰ Authorityৰ লগত বুজাবুজি কৰি ইতিমধ্যে ২৫০০ বিঘা মাটি চুক্তি স্বাক্ষৰ কৰা হৈছে। সেই মৰ্মে তাত প্ৰায় ৫০ কোটি টকা ইতিমধ্যে বাগানৰ কোম্পানীক দিয়া হ'ল আৰু another family তাত থাকি গ'ল বুলি আহিলে report. সেইখিন প্ৰায় ১৪৯৪ জন casual labour তাৰ কাৰণে এইবাৰ বাজেটত প্ৰায় ২০ কোটি টকা ধৰি ৰাখিছে। তাৰউপৰিও ইতিমধ্যে ১২৯৪ familyক এক লাখকৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজে গৈ তাত distribution কৰি আহিছে। এতিয়া তাত তেওঁলোকৰ কোনো অসুবিধা নহয় পৰিয়াল চলিবলৈ, এক লাখকৈ টকা specially দিয়া হৈছে। এতি আপোনালোকে চালে তাত total 81

crore ইতিমধ্যে চৰকাৰে Airport Authority ক হস্তান্তৰ কৰিছে যাতে তাৰ প্ৰতি লক্ষ্য ৰাখি এইখিনি invest কৰিছে। আৰু consideration মানে হৈছে এইটো Parliament ৰ কথাটোৰ আমি ইয়াত কমেন্ট দিব নোৱাৰোঁ। গতিকে মই ভাৱিছো যে ইয়াত আমাৰ বিভাগে যেনেধৰণে Airport Authority আৰু তেওঁলোকৰ যি Multi Disciplinary Team আছে তেওঁলোকে verification কৰিছে। তেখেতে আৰু এটা প্ৰশ্ন কৰিছিল লগতে কৈ দিছো, তিনিখন বাগিছাত তাত verification কৰিছিল, য'ত suitable পালে সেইখনে ললে। ডলু চাব বাগিছা suitable পালে, তেওঁলোকৰ technical team য়ে য'ত suitable পাই Helicopter flight ক'ত আহিব পাৰিব যাব পাৰিব তেওঁলোকৰ কিবা zone থাকে এই গোটেই কথাবিলাক চাইচিতি তেওঁলোকে select কৰিলে। গতিকে আমাৰ চৰকাৰে যিখিনি কৰিব লাগে ইতিমধ্যে কৰিছে। আৰু যিহেতু Airport Authority of India ই এই গোটেই কথাখিনি আমাৰ memo ৰ যোগেদি দিছে আৰু ইতিমধ্যে বাগিছা খনত আৰু মাটি আছে, আধা অংশহে লৈছে। বাকী সমসংখ্যক মাটি প্ৰায় আছে। মই ভাৱো যে চাহ শ্ৰমিক সকলৰ কোনো অসুবিধা নহয় তাত থকাত। তেওঁলোকৰ rehabitation হৈছে আৰু চৰকাৰে নতুনকৈ আৰু টকা চেনচন কৰি থৈছে যাতে তেওঁলোকৰ কোনো অসুবিধা নহয়। এই কথাটো মই মাননীয় বিধায়ক জনক উল্লেখ কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা clarification হে দিব খুজিছো, তেখেতে ইতিমধ্যে উত্তৰটো সুন্দৰ ভাৱে দিছেই। অধ্যক্ষ ডাঙৰীয়া, consideration মানে যেতিয়ালৈকে আমি মাটি দিব নোৱাৰিম তেতিয়ালৈকে considerationয়ে থাকিব। যেতিয়ালৈকে আমি মাটি খিনি ঠিক কৰি দিব নোৱাৰো তেতিয়ালৈকে তেওঁলোকে considerationত থকা বুলিয়ে reply দিব। যদি আমি মাটিখিনি hand over কৰিব পাৰো, তেওঁলোকে কব যে মাটি পাইছো it is sanction. গতিকে অলপ technical কথাটো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাধৰণ মানুহ যি সকল আছে আমি সদনত বক্তব্যত এইটো আহিছে। দুইনম্বৰ কথাটো হৈছে আমাৰ মাননীয় মন্ত্ৰীক এটা কথা ক'ব বিচাৰিছো যে, দলৌ বাগানখন লৈছে, তাৰে কাষত এখন আৰু বাগান আছিল ভাল ঠাই আছিল আৰু ৰাস্তাৰ কাষত আছিল, এই বাগানটো ল'লে ভাল আছিল। এই কামটো কেতিয়াৰ পৰা আৰম্ভ হ'ব।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দুখন চাহ বাগিচা চাইছিলে কিন্তু ডলু চাহবাগিচাখন টেকনিকেলি ভাল আছিল। কামটো অতি সোনকালে আৰম্ভ হ'ব আৰু কাছাৰত ধুনীয়া গ্ৰীন এয়াৰপোট হ'ব আমাৰ কানেকশ্যনটো ভাল হ'ব।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নম্বৰ ১৮৩। মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় যিটো বিষয় এই বিষয়টো আমাৰ অসম বিধান সভাত পূৰ্বতে বিতং ভাবে আলোচনা বিলোচনা হৈছে। মন্ত্ৰী মহোদয়েও এই বিষয়টোত যেনেকৈ উত্থাপন কৰিছে আমি আশ্বস্ত হৈছিলো। কথাটো হৈছে যে আমাৰ যিখন Action Plan আছিল, কাৰণ অসমৰ অৱস্থাটো বেয়া সৰ্বভাৰতীয় ক্ষেত্ৰত। জলবায়ু পৰিৱৰ্তনে অধিক ক্ষতিগ্ৰস্ত কৰিছে। Action Plan টো ২০২০ চনতে সময়টো

পাৰ হৈ গ'ল। ২০২১- ২০৩০ চনলৈ যোৱা বছৰৰ Action Plan খন হ'ব লাগিছিল। এতিয়া ২০২৩ চন, আজিলৈকে Action Plan খন হোৱা নাই। মই বিষয়টোৰ গুৰুত্বটো যিহেতু পূৰ্বতে আলোচনা হৈছে বিতং ভাবে সেইটো মই আলোচনা কৰিব খোজা নাই। ৩ বছৰ আমি Action Plan অবিহনে পাৰ কৰিলো। এই বিষয়টো এনেকুৱা নহয় যে এইটো অপেক্ষা কৰিব পাৰি, মুঠেই নোৱাৰি, অসমৰ কাৰণে ভয়ংকৰ বিপদ। মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো জলবায়ু পৰিবৰ্তনৰ সম্পৰ্কত যিটো Action Plan এইটো ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা বুলি কৈছে যদি অলপ তৎপৰ হয় তেতিয়া হ'লে ভাল হয় যদি নহয় তেতিয়া হ'লে বিপদ। এই Action Plan কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা বুলি কৈছে Stakeholder ৰ ক্ষেত্ৰত বিতং ভাবে কথা পতা হোৱা নাই। বিশ্ববিদ্যালয়ৰ কিছু পণ্ডিত আৰু বৈজ্ঞানিক সেই সকলৰ লগত কথা পতা বুলি কৈছে সেইটো খুবেই ভাল কথা। কিন্তু জলবায়ু পৰিৱৰ্তনে আমাৰ ৰাজ্যৰ কৃষি ক্ষেত্ৰখনক আটাইতকৈ বেছি আঘাট কৰিছে। যিহেতু আমাৰ ৰাজ্যখন কৃষি নিৰ্ভৰশীল ৰাজ্য। কিন্তু বহুত কৃষক সংগঠন বিলাক আছে, তেওঁলোকে এই ক্ষেত্ৰত বহু কাম-কাজ কৰে আৰু তেখেত সকলৰ লগত আলোচনা কৰাৰ প্ৰয়োজনটো নিশ্চিত ভাবে আছিল, কথা বতৰা হৈছিল নে নাই মাননীয় মন্ত্ৰী মহোদয়ে জনাব। মই জনাত কৃষক সংগঠনৰ লগত কথা বতৰা হোৱা নাই। বিভিন্ন ৰাজ্যত পৰিৱেশ সম্পৰ্কীয় চিন্তা ভাৱনা কৰা ব্যক্তিও আছে, পৰিৱেশ কৰ্মীও আছে, এই পৰিৱেশ কৰ্মী সকলৰ লগতো আলোচনা কৰা হৈছে নে নাই। বিভিন্ন বৈজ্ঞানিক প্ৰতিষ্ঠানো আছে বিভিন্ন সংগঠন বিলাকো আছে,তেওঁলোকৰ লগত আলোচনা বিলোচনা কৰিলে যিখন আমাৰ Action Plan হ'ব যদিও বিলম্ব হৈছে ৩ বছৰ ইতিমধ্যে পাৰ হৈ গ'ল ৩০ চনলৈ এই Action Plan খন থাকিব। যদি এইটো কৰা হ'লহেতেন বেছি ভাল হল হয় আৰু অধিক ফলপ্ৰসু হ'ব। নহ'লে কিন্তু আমাৰ গোটেই সৰ্বভাৰতীয় পৰিৱেশটো আমাৰ ৰাজ্যৰ যিটো অৱস্থা, এইটো ভয়ংকৰ আৰু মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাম যে এই ক্ষেত্ৰত তেখেতে অধিক গুৰুত্ব দিছে। এতিয়া কি ধৰণে আগবাঢ়িছে মই এইটো কথা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতক ধন্যবাদ জনাইছো। তেখেতে সুন্দৰ প্ৰশ্ন আনিছে। এই বিষয়টো অধিক স্পৰ্শকাতৰ। অধ্যক্ষ মহোদয়কো কৈছো যে এই বিষয়টো অধিক স্পৰ্শকাতৰ, এই বিষয়টো যদি সদনত চৰ্চাৰ কাৰণে আনিলে ভাল হয়। তেখেতে যিটো প্ৰশ্ন কৰিছে যে দুখন Action Plan হৈছিল, The Assam State Action Plan on Climate Change, 2015 to 2020. এইখনৰ দিন পাৰ হৈ গ'ল। এইখনৰ কিছু কথা আগবাঢ়িল। তাৰ পিছত আহিল The Assam State Action Plan on Climate Change, 2021-2030 এইখন আমি যোৱা ১৮ জুলাই, ২০২২ চন তাৰিখে কেবিনেটে এইখন গ্ৰহণ কৰিছে। কেবিনেটে গ্ৰহণ কৰাৰ পিছত এইখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে, এইখন অনুমোদনৰ বাবে। আমি ইয়াৰ আগতে কিছু খবৰ কৰিছো। তেখেতে যিটো উল্লেখ কৰিছে আমি অধিক খৰটকীয়া ভাবে কেন্দ্ৰীয় চৰকাৰৰ এই কথাখিনিৰ অনুমোদন কিয় বিচাৰিব লগীয়া হৈছে বা কেন্দ্ৰীয় চৰকাৰেও একেধৰণৰ কিছু আঁচনি বা কিছু Action লয়। গতিকে এইখিনি সামঞ্জস্য থাকে তেখেত সকলেও পৰীক্ষা কৰি চায়। গতিকে আমি এইটো খৰটকীয়া ভাবে লাগিম। কেন্দ্ৰীয় চৰকাৰৰ যাতে অনুমোদন পাব পাৰি। এইখন প্ৰস্তুত কৰোতে তেখেতে কোৱা ধৰণে বিভিন্ন বিষয়ৰ লগত জড়িত সকলোকে ইয়াত লোৱা হৈছে। তেখেত সকলৰ দিহা পৰামৰ্শ মতে বহুদিন

ধৰি আলোচনা বিলোচনা এই কথাটো হৈছে আৰু কৃষি বিভাগটোক যিকেইটা চেক্টৰ আমাৰ ইয়াত অন্তৰ্ভূক্ত কৰা হৈছে, তাৰ ভিতৰত কৃষি বিভাগটো প্ৰথমতে গুৰুত্ব সহকাৰে লোৱা হৈছে। যিখিনি কথা আছে সেইখিনি আমি যাতে বিৰত থাকিব পাৰো। ধন্যবাদ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ঠিকে কৈছে। মই জনাত কৃষক সংগঠন বিলাকৰ লগত কথা পতা হোৱা নাছিল। মন্ত্ৰী মহোদয়ে যিটো প্ৰস্তাৱ দিছে মইও সেই প্ৰস্তাৱটো মাননীয় অধ্যক্ষ দিছো। মাননীয় অধ্যক্ষৰ শিতানত এটা জলবায়ু পৰিৱৰ্তনৰ কথাটো অতি গুৰুত্বপূৰ্ণ এই কথাটো যদি আমি আলোচনা কৰিব পাৰো তেতিয়া হ'লে আমি নিশ্চিত ভাবে নতুন দিশ দেখা পাম।

**মাননীয় অধ্যক্ষঃ** এই বিষয়টো আমি বিবেচনা কৰি চাম।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আমাৰ ৯ টা theme লৈছে Agriculture and Allied, Water Sector, Energy Sector, Foresty & Bio-Diversity, Human Health, Transport, Disaster Management, Human Hebit and Strategic Knowledge. এই ৯ টা বিষয়ত ইয়াত সন্নিবিষ্ট কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নম্বৰ ১৮৪ । শ্ৰী ফণীধৰ তালুকদাৰ।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী)** ঃ উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ফণীধৰ তালুকদাৰ, (ভৱানীপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পালো। উত্তৰটো পায় ভাল লাগিছে। যোৱাবাৰ প্ৰৱল বানত আমাৰ ভৱানীপুৰ সমষ্টিৰ মেধীকুছিত অতি ডাঙৰকৈ তিনিটা মথাউৰি ভাঙিছিল। তাত বহুত মানুহৰ ক্ষতি হৈছিল, আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী নিজে গৈ তাত লগে লগে কাৰ্য্যব্যৱস্থা লৈছিল আৰু ৰিংবান্ধ কৰিছিল। অতি সুখৰ খবৰ যে এই মাৰ্চ মাহতে আমাৰ সেই মথাউৰিটো সম্পূৰ্ণ নিৰ্মাণ হৈ গ'ল। প্ৰায় ১০০ কোটি টকা অনুদান দিলে। দুৰ্যোগ ব্যৱস্থাপনা বিভাগে এই ক্ষতিপূৰণখিনি, যিবিলাকৰ ঘৰ-বাৰী ভাঙি গ'ল ৯৭,০০০ দিলে। তেওঁলোক প্ৰায় ১৫০ ঘৰ মানুহে পালে। কিন্তু তাৰ ভিতৰত ৩০ ঘৰ মানুহক আমি ১ লাখ টকাকৈ Demo Cheque প্ৰদান কৰিলো। উপ সংমণ্ডল অফিচত তেতিয়া আমাৰ বজালী জিলা আছিল, বজালী জিলাত আমি নিজে Demo Cheque দি ফটো উঠিলো, ফেচবুকত দিলো, ১ টকাকৈ তেওঁলোকৰ তাত সোমালেও। কিন্তু বাকী ১ টকাতে ৰখি থাকিল। মই বিভিন্ন Forum ৰ যোগেদি কথাখিনি জনালো। কোনো ধৰণৰ নিৰাময় নাপালো। য'ত য'ত মঠাউৰি ভাঙিছিল আমাক মন্ত্ৰী মহোদয়ে নিৰ্দেশনা দিয়ে, আমি চাব যাঁও আৰু গোটেই ৰাইজে আহি আমাক হেঁচামাৰি ধৰে আৰু কয় যে আমি পইচাখিনি কেতিয়া পাম। গতিকে মাননীয় দুৰ্য্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে, যে উপযুক্ত য়ে KYC পোৱা নাই। সেইটো তেখেতক আচলতে মিছা কথা কৈছে। মই কৈছো যে এক টকাকে পাইচে আৰু বাকী ৯৯৯৯৯ টকা কেতিয়া পাব সেইটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী

**শ্ৰী যোগেন মহন, (মন্ত্ৰী)** ঃ ধন্যবাদ। আমাৰ সন্মানীয় বিধায়ক শ্ৰী ফণীধৰ তালুকদাৰ ডাঙৰীয়াক জনাব খুজিছো যে, যোৱাবাৰ যিটো চিষ্টেমত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশত ক্ষতিপুৰণ দিয়াৰ ব্যৱস্থা কৰা হ'ল যাতে কোনো প্ৰকৃত হিতাধিকাৰী বাদ পৰি নাযায়, পাবলগীয়াখিনি যাতে পায়। এনেকুৱা ধৰণে বানপানীৰ সময়তে প্ৰায় ২৪৩৪৭ টা পৰিয়ালক প্ৰায় ১১৩,৩২,২৩,২০০ টকা আমাৰ DBT system ত দিয়া হৈছিল। কিন্তু তাৰে ১৫,৫২৬ জন বিভিন্ন কাৰণত থাকি গ'ল।

কি কাৰণে থাকি যায়, কিছুমান full damage ৯৬ হাজাৰকৈ দিয়া হয়, কিছুমান ব্যক্তিৰ মিনি একাউন্ট থাকে, কোনোবাই চি এচ পি ত খোলে, তেওঁলোকৰ লিংক নোহোৱাৰ কাৰণে বিত্ত বিভাগৰ পৰা পইচাখিনি দিব নোৱাৰা হৈ পৰিল। সেই কাৰণে আমি এতিয়া প্ৰতিখন জিলাৰে ডি চি ক কৈছো যে সেইখিনি শুদ্ধ কৰি দিব লাগে। ইতিমধ্যে শুদ্ধ কৰা হৈছে, প্ৰধান সচিবে জনোৱা মতে। এতিয়া বজালীত বিশেষকৈ ৮৩৫ জনৰ শুদ্ধ লিষ্টখন আহি গৈছে।

**শ্ৰীফণীধৰ তালুকদাৰ, (ভবানীপুৰ) ঃ** মেধিকুছিৰ ১৫০ ঘৰ মানুহে পালে, ১১ ঘৰ মানুহে পাবলৈ বাকী আছে।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী)** ঃ মাত্ৰ ১১ ঘৰ থাকি গৈছে, এইখিনি আমি দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰী মহোদয়ে নিশ্চয়তা দিছে ।

**শ্ৰীফণীধৰ তালুকদাৰ, (ভবানীপুৰ) ঃ** অধ্যক্ষ মহোদয় মোৰ চাপ্লিমেন্টৰীটো থাকিল। মোৰ কথাটো হেছে যেতিয়া মথাউৰি ভাঙে, আমি আটাইবিলাকে জানো যে আমি সৰু সৰু বাঁহৰ দলং দিওঁ। আমাৰ দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী মহোদয়ে আমাক FDR ৰ যোগেদি ২০-৩০ হাজাৰ টকা দিয়ে, যিবিলাক ফাণ্ডৰ দ্বাৰা আমি কাম বিলাক কৰো। কিন্তু এইবাৰ সেই ব্ৰীজৰ পইচাখিনি পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছো যে FDR যোগেদি আমাক এই সৰু সৰু যিবিলাক ব্ৰীজ বানপানীৰ সময়ত ভাঙিছিল, সেই পইচাখিনি দিবনে নে আমি বিধায়ক পুঁজিৰ পৰা দিম?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া,

**শ্ৰীযোগেন মহন, (মন্ত্ৰী)** ঃ এইটো SEC বুলি কয়। State Executive Committee য'ত আমাৰ মুখ্য সচিবৰ সভাপতিত্বত DDMA ৰ যোগেদি আহে। আমাৰ section 50 ত কিছুমান যদি আহিছে সেই খিনি অনুমোদন হৈ গৈছে। ইতিমধ্যে আমাৰ দুখন কমিটি হৈ গ'ল, তাত প্ৰায় ১১৭ কোটি টকা চেংশ্যন হৈছে, আপোনালোকে হয়তো চেংশ্যনৰ লিষ্টখন পোৱা নাই। যিখিনি পইচা DDMA ৰ যোগেদি আহিছে, সেইখিনি ইতিমধ্যে SEC ত পাচ হৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৫। শ্ৰী চৰন বড়ো। মন্ত্ৰী ডাঙৰীয়া,

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী)** ঃ উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী চৰন বড়ো, (মাজবাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো আমি কোনো এজন বিধায়কে ৰাজ্যখনক ভাল স্বাস্থ্য সেৱা দিয়াৰ ক্ষেত্ৰত চিৰিয়াচ হয়। কিন্তু কেতিয়াবা আমি বিভাগৰ পৰা যি ধৰণে সহায় পাব লাগে এই সহায়খিনি নাপালে মনটো অলপ বেয়া লাগে। তাৰ বাবে মই কিছু কথা ক'ব বিচাৰিছো। মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো তেখেতে মোৰ সমষ্টিত থকা যিমানখিনি Health Institution আছে, তাত কিমান মেন পাৱাৰ, ইনপজিশ্যন দিছে। মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো ধনশ্ৰীঘাটত যিখন পিএইচচি , তাত মাত্ৰ এজন ডাক্তৰ আছে। NHM ৰ পৰা দিয়া এই ডাক্তৰজনৰ এক বছৰ হয়। এইখন স্বাস্থ্য কেন্দ্ৰ মই ২০১৭ চনতে আৰম্ভ কৰিছিলো। ২০১৭ ৰ পৰা আজি ২০২৩ হ'ল, কিন্তু আজিলৈকে পোষ্ট চেংশ্যন নহ'ল। মই আগতেও ইয়াৰ বিষয়ে প্ৰশ্ন সুধিছিলো, তেতিয়া এই পবিত্ৰ বিধান সভাত ২০১৮ চনতে কৰিব বুলি কৈছিল। আজি আটাইতকৈ দুখ লগা বিষয়টো হৈছে, প্ৰশ্নটো সুধিছিলো পোষ্ট কেতিয়া চেংশ্যন কৰিব? বিভাগৰ পৰা উত্তৰ আহিল যিমানখিনি মডেল হস্পিতাল, যিমানখিনি চাবডিভিজনেল হস্পিতাল, যিমানখিনি জিলা পৰ্য্যায়ৰ হস্পিতাল, সেইসমূহৰ পোষ্ট চেংশ্যনৰ প্ৰক্ৰিয়া চলি আছে আৰু অতি সোনকালে হ'ব। তাৰমানে ইয়াৰ উত্তৰটো নাই। ২০১৭ চনত যে মই আৰম্ভ কৰিলো, ইয়াৰ পোষ্ট চেংশ্যন

হ'বনে নাই, এই উত্তৰটো নাহিল। আৰু এজন ডাক্তৰ লৈ ৭ বছৰ কেনেকৈ চলাম? ইয়াত ইমান জনসংখ্যা আছে, তাৰ কাৰণে  অলপ নিৰাশ হৈ যাও। আৰু দ্বিতীয় কথাটো হ'ল মাজবাট মডেল হস্পিতাল, ২০২০ চনত আৰম্ভ কৰিছিল। ইয়াত লিখিছে যে ইয়াতো পোষ্ট চেংশ্যন হোৱা নাই। [illegible] MPHC ৰ আগৰ যিমানখিনি ষ্টাফ  আছে এইখিনিকে লৈ চলাই আছো। মডেল হস্পিতালৰ পোষ্ট চেংশ্যনৰ প্ৰক্ৰিয়াটো চলি আছে বুলি কৈছে। কিন্তু ইয়াত মোৰ ক'বলগীয়া এইটোৱে যে যিহেতু মাজবাট  MPHE, ইয়াত যিমানখিনি পোষ্ট আছে, এই চেংশ্যন থকা পোষ্টখিনি দি দিলেই আমি চলাব পাৰো। এতিয়া মাত্ৰ এজন ডাক্তৰ আৰু তিনিজন এবছৰীয়া ডাক্তৰ, তেওঁলোক গুছি গ'লে মাত্ৰ এজন ডাক্তৰহে থাকে। যাৰ ফলত যিমান কেচ আহে সকলোবোৰ ৰেফাৰ কৰিবলগীয়া হয়। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা এইখিনি জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিকেইটা কথা উল্লেখ কৰিছে, কথাকেইটা ঠিকেই কৈছে। কিন্তু বিষয়টো এনেকুৱা হৈছে, এতিয়া ধৰক আজি দুমাহমান আগত ৫৪১ জন মোটামুটি ৮০০ মেডিকেল কলেজৰ সৈতে, ২৫৪ জন মেডিকেল কলেজত আৰু বাকীখিনি ডাক্তৰক আমি ইয়াত  নিযুক্তি দিলো। দিয়াৰ পিছটো এতিয়া ৫০০ জনৰ পোষ্ট খালী আছে। এতিয়া post create কৰা নকৰাটো ইমান ডাঙৰ কথা হৈ থকা নাই। আজি ডাক্তৰ এজন বেছি থাকিলে তেওঁক attachment টো দি দিব পাৰো, পোষ্টটো চেংশ্যন হৈ আহে মানে। এতিয়া কথাটো হৈছে, MPHC ৰ যিটো কথা কৈছে, mini PHC ত চেংশ্যন হ'লেও পোষ্ট এটাই। এজন ডাক্তৰৰে হস্পিতাল হয় সেইবিলাক।

**শ্ৰী চৰণ বড়ো, (মাজবাট) ঃ** নহয় ছাৰ, MPHC টো দুজন ডাক্তৰ থাকে। আৰু ইয়াত কেৱল ডাক্তৰ নহয় ,বাকী  ষ্টাফবিলাক যদি আমি পাই যাওঁ, তেতিয়া আমি চলাব পাৰো।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া তেখেতৰ তাত NHM ৰ  ডাক্তৰ আছে। কথাটো মই যুক্তিৰ খাতিৰত কোৱা নাই। আমাৰ যিটো পোষ্ট চেংশ্যনৰ প্ৰক্ৰিয়া, তেখেতে বিশেষভাবে সেইটো উল্লেখ কৰিছে, সেই প্ৰক্ৰিয়াত মই আগভাগ ল'ম। মডেল হস্পিতালৰ বিষয়টো যি কৈছে। আমি কেতিয়াবা একে লগে একে কেম্পাচতে CHC বনাও মডেল হস্পিতাল বনাও, যাতে আগৰ পুৰণা ষ্টাফখিনিৰে তাত হৈ যায় । additional staff ও দি আছো আৰু 1 year PG বিলাক যায় একবছৰ পিছত, তেওঁলোকৰ কামবিলাক আদায় হয় । তাত কোনো অসুবিধা নাই আৰু স্থায়ী ডাক্তৰৰ সমাধানো আমি ভাবিছো। এই বাৰ MBBS ৰ result ওলোৱাৰ পাছতেই আৰু এটা recruitment কৰিম আৰু  কৰিলে জুলাই  আগষ্ট মাহত আৰু কিছু ডাক্তৰ পাম। আকৌ কোনোবা যাব। তাত কোনো অসুবিধা নাই। স্থায়ী ডাক্তৰৰ সমাধানো আমি ভাবিছো। এইবাৰ এম বি বি এচ ৰিজাল্ট ওলোৱাৰ পিছতেই আমি ৰিক্ৰুইটমেণ্ট কৰিম আৰু জুলাই-আগষ্ট মাহত আৰু কিছু ডাক্তৰ পাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং  ১৮৬  মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰশ্নটোৰ উত্তৰ পাইছো। উত্তৰত মই সন্তুষ্ট হৈছো। মোৰ এটা সৰু চাপ্লিমেণ্টৰী প্ৰশ্ন আছে মই সেইটো সুধিম। কিন্তু মই যিহেতু প্ৰশ্নটো কৰাৰ সুযোগ পালো এই প্ৰশ্নটোৰ গুৰুত্ব সম্পৰ্কে মই অকনমান মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে জনাব বিচাৰিছো আৰু সদনেও জানিলে ভাল হ'ব। সাহিত্যৰথী

চন্দ্ৰধৰ বৰুৱা যাৰ সমাধীস্থল বৰ্তমান Air Force য়ে দখল কৰিছে, সেইটো ঠিক কাম হোৱা নাই এইকাৰণেই যে চন্দ্ৰধৰ বৰুৱা আছিল এগৰাকী প্ৰখ্যাত সাহিত্যিক আৰু কবি। অসম সাহিত্য সভাৰ প্ৰথম গৰাকী সভাপতি আছিল ১৯১৭ চনত পদ্মনাথ গোহাঞি বৰুৱা আৰু ১৯১৮ চনত চন্দ্ৰধৰ বৰুৱা দ্বিতীয় গৰাকী সভাপতি আছিল। স্কুলীয়া কালত আমি তেখেতৰ যিবিলাক কবিতা পঢ়িছিলো আজিও আমাৰ মনত আছে। তেখেতৰ 'ধূলিকণা মই' শীৰ্ষক এটা কবিতা অতি প্ৰখ্যাত আছিল। সেই কবিতাটোৱে আমি যে পৃথিৱীখনত indispensable নহয় সেই কথাটো প্ৰমাণ কৰে। এইটো আমাৰ ৰাজনীতিবিদ সকলৰ বাবেও কিন্তু এটা lesson.তেওঁ লিখিছিল -

যিদিনা মৰিম মই, সেইদিনা বাৰু
জগতৰ কেনি হানি হ'ব?
মৰিলোঁ নে আছো মই, এই কথাকেনো
পৃথিৱীৰ কিমানে জানিব?

মই মৰিলেও দিন গ'লে ৰাতি হ'ব,
জোন বেলি ওলায়ে থাকিব,
গছত ফুলিব ফুল, বতাহ বলিব,
নিজ বাটে নক্ষত্ৰ ঘূৰিব...................................................

এইটোৱে আমাক সকলোকে এটা অনুপ্ৰেৰণা যোগায়। চন্দ্ৰধৰ বৰুৱাৰ আৰু এটা কথা মই সদনক জনাবলৈ পাই সুখী হৈছো যে যিখন Round Table Conference 1930 চনত ৰ ১ পৰা ১২ নবেম্বৰলৈ লণ্ডনত হৈছিল তাত তেওঁ প্ৰথম অসমৰ প্ৰতিনিধি আছিল। ভাৰতৰ স্বাধীনতা আন্দোলন ১৯২১-২২ ৰ প্ৰথম আন্দোলনৰ পিছত প্ৰথম উকমুকনি দিছিল, বৃটিছে ভাবিছিল যে সেই ৰাউণ্ড টেবুলৰ দ্বাৰা আমি কিবা এটা সমাধান কৰিব পাৰিম নেকি। সেই Round Table Conference ত অখণ্ড ভাৰতবৰ্ষৰ পৰা ৯৮জন মানুহ গৈছিল। পাকিস্তান, বাংলাদেশ সকলো মিলি আৰু princely state ৰ পৰা ১৬ জন গৈছিল। সেই ৯৮জন যি প্ৰতিনিধি তাৰ মাজত অসমক চন্দ্ৰধৰ বৰুৱাই represent কৰিছিল। গতিকে যিগৰাকী ব্যক্তিৰ আমাৰ অসমৰ বাবে ইমান অবদান আছে সেই মানুহজনক ডেৰ বছৰ আগতে Minister of Cultural, Government of India ই অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ১৪ অক্টোবৰ, ২০২১ চনত বিজ্ঞাপন এটা বিজ্ঞাপন পাবলিচ কৰিছিল। অসমত সেইটো কৰিছে নে নাই আমি নাজানো। তেওঁলোক লিখিছে "Remembering Eminent writer, poet, dramatic,lyricist from Assam Chandradhar Barua ji on his birth anniversary, he had represented on behalf of India to the Round Table Conference of London in 1930. এইটো Minister of Cultural য়ে দিছে। কেন্দ্ৰীয় চৰকাৰেও অমৃত মহোৎসৱত তেখেতক মনত পেলাইছে। তেখেত ১৯৬১ চনত ঢুকাইছে। ১৯৬২ চনত চীনা যুদ্ধ হ'ল। আপোনালোকে জানে ৰবৈয়া এয়াৰপোৰ্ট ডিফেঞ্চৰ কাৰণে strategically খুব গুৰুত্বপূৰ্ণ। গতিকে ১৯৬২ চনত চীনৰ যুদ্ধত আমাৰ পৰাজয়ৰ পিছত ডিফেঞ্চ ফৰ্চ শক্তিশালী কৰিবৰ কাৰণে ৰবৈয়া বাগানখন ডিফেঞ্চে ল'লে। মানে Indian Air Force য়ে ললে। তেখেতৰ পৰিয়ালৰ বাগান আছিল। তাত তেখেতৰ সমাধিস্থল প্ৰায় এক বিঘা মান মাটিৰ ভিতৰত আছিল। সেইখিনি

কিন্তু অসম চৰকাৰে তেতিয়া negotiate কৰোতে মাটিখিনি উলিয়াই ৰাখিছিল। হয়তো পৰিয়ালেও কৈছিল। সৰুতে আমি দেখিছো আমাৰ জিলাত। মই কাকো ক্রিটিচাইজ নকৰো। আৰ্মীয়ে বহুত মাটি লয় কিন্তু ৩০-৪০ বছৰ পেলাই থৈ দিয়ে, কিন্তু ঘূৰাই নিদিয়ে। তেওঁলোকক নালাগেও। কিন্তু আমি এইটো বেছিকৈ নকওঁ কাৰণ তেওঁলোকে আমাক ৰক্ষা কৰি আছে। যেতিয়া তেওঁলোকে এয়াৰপোৰ্টটো ডাঙৰ কৰিলে এই ৭০০-৮০০ বিঘাৰ মাটিৰ বাগানখন ল'লে। এই এবিঘা মাটি এৰি থৈ গৈছিল। মূল ৰাস্তাটোৰ কাষতে মাটিখিনি আছে। গোলাঘাট আৰু যোৰহাট সংযোগী মূল ৰাস্তাটোৰ কাষতে মাটিখিনি আছে। যোৱা তিনি বছৰৰ পৰা তেওঁলোকে Encroach আৰম্ভ কৰিলে। ডাঙৰ ওৱাল এখন বনাবলৈ দি সেইটো ভিতৰত সোমাই পেলাবলৈ যত্ন কৰিলে। ২০২১ চনত আমাৰ ইলেকশ্যন আছিল। সেই সময়তে তেওঁলোক কামটো কৰিলে। আমাৰ কেইবাজনো ডি.চি আছে। মই ডি.চি সকলক criticise নকৰো। They don't act as a guard to negotiate. সেই কাৰণে মই অসম চৰকাৰলৈ বিষয়টো আনিছো। যদি আমি এতিয়াই কাম নকৰো তেতিয়াহ'লে এইটো থাকি যাব। সমাধিস্থলৰ বিপৰীত দিশত Indian Bank আছে। এয়াৰ ফোৰ্চক তেওঁলোকে ভাৰাত দি থৈছে। তাত কোনো stratagical কথা নাই। কোনোবাই আক্ৰমণ কৰিব তেনেকুৱা কথা নাই। ডিফেঞ্চৰ stratagy ৰ পৰা সেই ঠাই খিনি বাহিৰত। আজি মই মন্ত্ৰী মহোদয়ক এই কাৰণেই কৈছো যে মই ভাল পাইছো যে তেখেত সকলে ব্যৱস্থা এটা লম বুলি কৈছে। মই এটা কথাই মোৰ চাপ্লিমেণ্টৰী প্ৰশ্নৰ উত্তৰত জানিব বিচাৰিছো যে ৩ মাহৰ পৰা ৬ মাহৰ ভিতৰত এই ব্যৱস্থা ল'বনে? I have to help you.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম বিধান সভাৰ সন্মানীয় প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী চাৰে তেওঁৰ প্ৰশ্নটোত যিটো বিচাৰিছে, এই প্ৰশ্নটোৰ উত্তৰটো ইতিমধ্যে সেই মাটিখিনি দুটা দাগত ১ বিঘা ১৫ লেচা মাটি থকাটো হয়। এতিয়াও সেই মাটি টুকুৰা ৰেকৰ্ডত সমাধিস্থল বুলি আছে। কিন্তু বায়ু সেনাই তেওঁলোকৰ স্থায়ী যিখন ওৱাল আগতে বাউণ্ডেৰী ফেঞ্চিং থকাৰ সময়ত feasible আছিল। কিন্তু এতিয়া স্থায়ী ভাৱে এখন বাউণ্ডেৰী ওৱাল বনাই দিয়াৰ কাৰণে সেই সমাধিস্থলৰ মাটিখিনি ভিতৰত সোমাই গ'ল। এতিয়া কথা হ'ল এই ১ বিঘা ১৫ লেচা মাটিৰ বাবে আমি তেওঁলোকৰ লগত বুজাবুজি কৰি সেই মাটিখিনি উলিয়াই আনিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম। হয়তো টাৰ্নিং কৰিব লগা কাৰণে ঠিকাদাৰে চিধাকৈ ওৱালখন বনাই দিলে। সেই সময়ত উপায়ুক্ত অশোক বাৰ্মা ডাঙৰীয়াই এই কথাটো চিন্তা কৰিছিল। কিন্তু আৰ্মী ফোৰ্চৰ লগত আলোচনা নোহোৱাৰ কাৰণে আৰু চৰকাৰৰ ফালৰ পৰা কোনো প্ৰতিনিধি নথকাৰ কাৰণে চাৰ্কোল অফিচাৰে construction টো ভাঙি দিয়াৰ বাবে বা তেওঁলোকক নটিফিকেশ্যন দিয়াৰ কাৰণে সাহস নকৰিলে। কিন্তু এতিয়া মই নিজে গৈ চাই আহিম আৰু লগতে উপায়ুক্ত আৰু চাৰ্কোল অফিচাৰৰ লগত উপায়ুক্তৰ অফিচত আৰ্মী অফিচাৰক মাতি আনি এখন মিটিং অনুষ্ঠিত কৰিম আৰু এই সন্মানীয় সাহিত্য ৰত্ন চন্দ্ৰধৰ বৰুৱাৰ সমাধিস্থল টো উলিওৱাৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিম। সমাধিস্থলৰ চিন এতিয়াও তাত আছে। যদিও তাত হাবি-বননিৰে আগুৰি আছে কিন্তু ৰেকৰ্ডত এতিয়াও সমাধিস্থল বুলিয়েই আছে। যোৰাহাটৰ ৰবৈয়া গোটেই অঞ্চলটোৰে তেওঁৰ নামতেই আছে। চাহ বাগানৰ নামত মাটি আছে। চাহ বাগানৰ মাটি আমি তাৎক্ষণিকভাৱে ম্যাদী কৰিব নোৱাৰো। তাৰ বাবে আইনখনৰ কিছু সংশোধন কৰিব লাগিব। এই বিষয়ৰ ওপৰত বিভাগে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আছে। কিছুমান অসুবিধা থাকিলেও

আমি চাৰৰ এই কামটো কৰিবই লাগিব। মই আজি বিধান সভাতেই কৈছো যে তিনি মাহৰ ভিতৰত এই কামটো কৰিম। কিয়নো অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰধৰ বৰুৱাৰ স্মৃতি আমি যুগমীয়া কৰি ৰাখিব লাগিব এইটো এই সদনত আমি কথা দিলো।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো দিয়াৰ বাবে মই সদনক ধন্যবাদ দিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৭ মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে মৰিগাওঁ জিলাৰ অন্তৰ্গত মৈৰাবাৰী বজাৰ এলেকাক নগৰ এলেকালৈ উন্নীত কৰাৰ প্ৰস্তাৱ চৰকাৰে পাইছিল। কিন্তু এতিয়া জিলা উপায়ুক্তৰ পৰা জৰীপ কৰাৰ বাবে তথ্য বিচৰা হৈছে । মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো ২০১২-১৩ চনতেই এবাৰ গৈছিল। তাৰ পিছত মৰিগাওঁ জিলা উপায়ুক্তই চাৰ্কোল অফিচাৰ আৰু বি ডি অ' ক দায়িত্ব দিছিল যে জৰীপ কৰি কোনটো এলেকাক টাউন হিচাপে টাউন কমিটিলৈ আনিব পাৰি। তাৰ পিছত ২০১৭-১৮ আৰু ২০১৯ চনত আকৌ প্ৰস্তাৱটো দিয়া হ'ল আৰু পুনৰ জৰীপ কৰাৰ কাৰণে তেওঁলোকে মৰিগাঁও জিলাৰ উপায়ুক্তক যোগাযোগ কৰিলে। কিন্তু এতিয়ালৈকে প্ৰায় ৮-৯ বছৰ জৰীপ কৰি তথ্যটো চৰকাৰলৈ নাহিল যে মৈৰাবাৰী গাঁও পঞ্চায়তটো টাউন কৰিব লাগে। কোনখিনি অঞ্চলক টাউন কৰিব লাগে আৰু সেইটো জৰীপ কৰি কেতিয়ালৈ তথ্যটো আহিব, যিহেতু এতিয়ালৈকে এই তথ্যটো চৰকাৰৰ হাতত পৰাই নাই। জৰীপ কৰোতে কিমান দিন লাগিব আৰু সেই অঞ্চলটো কেতিয়ালৈ টাউন কমিটিলৈ উন্নীতকৰণ কৰিব তাৰবাবে মই এটা সময় সীমা বিচাৰিছোঁ।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জৰীপ হৈ অহা নাই। যেতিয়াই জৰীপ হৈ আহিব তেতিয়া আমি বিবেচনা কৰি সিদ্ধান্তটো ল'ম।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগৰ কমিটি কৰাৰ কাৰণে য'ত মৰিগাওঁৰ মৈৰাবাৰী অঞ্চলৰ ৭০ শতাংশ লোকেই কৃষিজীৱি নহয়। Density of population বহুত বেছি। মৈৰাবাৰীত ইতিমধ্যে টাউন হিচাপে খাজানা লৈ আছে আৰু ৰাজহ বিভাগে প্ৰায় ৫০ বছৰ আগৰ পৰাই টাউন হিচাপে খাজানা লৈ আছে। কিন্তু মৈৰাবাৰী অঞ্চলটো এতিয়াও গাঁও পঞ্চায়ত হিচাপেই আছে। গতিকে অতি সোনকালে এই মৈৰাবাৰীৰ অঞ্চলটো টাউন হিচাপে উন্নীত কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ থাকিল।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো বিবেচনাৰ বাবে গ্ৰহণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৮ মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। মাননীয় মন্ত্ৰী মহোদয়, হাইলাকান্দি যোৱাৰ সময়ত হাইলাকান্দিৰ জ্যেষ্ঠ নাগৰিকসকলে মিলি মন্ত্ৰী মহোদয়ক লগ ধৰিছিল। ২০০৭-০৮ ৰ যিটো scheme তেতিয়া হাইলাকান্দিত ৰাজতন্ত্ৰ আছিল, যাৰ কাৰণে এইটো scientifical হোৱা নাই। এতিয়া সেই drain ৰ পৰা পানী সোমাই আছে, ওলোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে কিবা এটা পেকেজ দি হাইলাকান্দিৰ এই সমস্যা সমাধান কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অশোক সিংহল(গৃহ আৰু নগৰ উন্নয়ন মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূৰ্ণ বিষয় সদনত উত্থাপন হৈছে drainage ক লৈ, Master Drainage system ৰ কথা কোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, Master Drainage system বুলি কোনো ধৰণৰ concept নাথাকে। সৰু নগৰ, চহৰ বিলাক যেতিয়া লাহে লাহে ডাঙৰ হ'বলৈ ধৰে, পানী নিস্কাষণৰ ব্যৱস্থা প্ৰত্যেক নগৰ বা চহৰত থাকে। যেতিয়া পৰ্য্যায়ক্ৰমে নগৰ বা চহৰৰ জনসংখ্যা বৃদ্ধি পাই, মানুহে ঘৰ বনাবলৈ আৰম্ভ কৰে, মাটি পুতিব আৰম্ভ কৰে। তেতিয়া প্ৰথম আক্ৰমণটো হয় জলাশয়ৰ ওপৰত, নদী নৰ্দমাৰ ওপৰত, পানী ওলাই যোৱা ৰাস্তাৰ ওপৰত, তাৰ ফলত জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে মানুহে মাটি পুতি, মাটি বেদখল কৰি, ইত্যাদিৰ ফলত পানী ওলাই যোৱাত বাধা পায়। বাধা পাই পাই এটা সময়ত এনেকুৱা হয় যে বৰষুণ দিলে পানী ওলাই নাযায়। গতিকে প্ৰথম কথাটো হ'ল যে পানী নিস্কাষণৰ যিটো ব্যৱস্থা পাৰম্পৰিকভাৱে চহৰবোৰত আছিল, এইটো আমি পুনৰ restore কৰিব লাগিব, তাত যদি বেদখল হৈছে, বেদখল মুক্ত কৰিব লাগিব। পানী যাতে ভালকৈ ওলাই যাব পাৰে, তাৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহ'লে পানী নিস্কাষণ হ'ব পাৰে। Master drain বনাই পানী নিস্কাষণ কৰিব নোৱাৰে। ইয়াৰ কাৰণে নগৰবোৰত ব্যৱস্থা ল'ব লাগিব। সন্মানীয় বিধায়কসকলেও নিজৰ নিজৰ নগৰ বা চহৰবোৰত এই ব্যৱস্থাটো যাতে লয় যে পানী নিস্কাষণৰ প্ৰাকৃতিক যিটো ব্যৱস্থা আছিল, সেই ব্যৱস্থাটো আমি restore কৰিব লাগিব।

মোৰ নিজৰ সমষ্টিৰ এখন সৰু চহৰ ঢেকীয়াজুলিত কোনো দিনে বানপানী হোৱা নাছিল। কিন্তু এতিয়া তাতো বানপানী হোৱা আৰম্ভ হৈছে। গতিকে এই কৃত্ৰিম বানপানীৰ পৰা মুক্ত পাবলৈ হ'লে অকল Master drainage ৰ জৰিয়তে নহ'ব, যিখিনি জলাশয় আছে, পানী যোৱা বাট আছে, নদী- নৰ্দমা আছে, এইবিলাক মুকলি হৈ থাকিব লাগিব। সন্মানীয় সদস্যগৰাকীয়ে কৈছে যে drain বনাইছে, কিন্তু পানী ওলাই নাযায়। বহুত ক্ষেত্ৰত এইটো হৈছে। কাৰণটো হ'ল যে কোনো planing নোহোৱাকৈ আগতে drain বোৰ বনোৱা গৈছিল। কিন্তু এই চৰকাৰৰ দিনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশমৰ্মে আমি গোটেই অসমৰ যিমান নগৰ অঞ্চল, যিমান ULB আছে, প্ৰত্যেকটো ULB ত Master plan প্ৰস্তুত কৰি আছে। যোৱা দুই বছৰত প্ৰায় ৩৫,৪০ টা master plan আমি notify কৰিলো। অহা দিনবোৰত গোটেই master plan notify হৈ যাব। তাৰ পিছত আমি চাই আছো drainage system টো কি হ'ব। এখন এখন নগৰৰ যি সমস্যা আছে, তাক সন্মুখত ৰাখি ভৱিষ্যতৰ planning কৰি drainage planning system integrate কৰি master plan ৰ লগত আনিবলৈ ব্যৱস্থা কৰি আছো। সন্মানীয় বিধায়কসকলে নিজৰ নিজৰ নগৰত চাব লাগে যে পানী যোৱাৰ প্ৰাকৃতিক ব্যৱস্থাটো কেনেকৈ restore কৰিব পৰা যায়। নহ'লে হয় কি যেনেকৈ Cholesterol বেছি হ'লে artery বোৰ জাম হৈ যায়। artery জাম হ'লে বেলেগ উপায় নাই, হয় bypass কৰিব লাগিব, নহ'লে stand লগাব লাগিব। সেই কাৰণে জাম নহয়, সেই ব্যৱস্থাটো আপোনালোকে কৰিব লাগে, বাকী ব্যৱস্থা চৰকাৰে কৰি থাকিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো হাইলাকান্দি চহৰৰ এনেকুৱা অৱস্থা, তাত তিনিটা খাল আছে, বাঘা, ধলেশ্বৰ আৰু বাচাই। কিন্তু ২০০৭-০৮ চনতdrainage system টো scientific way হোৱা নাই। যাৰ কাৰণে পানী খাললৈ যোৱা নাই। drain ৰ পানীখিনি যদি খাললৈ গ'লহেঁতেন

পানী চহৰলৈ নাহে। তাৰ কাৰণে মই অনুৰোধ কৰিছো বেছি ডাঙৰ নালাগে, তিনি চাৰেতিনি কিলোমিটাৰ দূৰত্বৰ drain দি দিলে হাইলাকান্দিৰ বানপানীৰ সমস্যাটো সমাধান হৈ যায়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী অশোক সিংহল, (গৃহ আৰু নগৰ উন্নয়ন মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো বিবেচনাৰ কাৰণে গ্ৰহণ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী যোগেন মহন, (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ supplementary প্ৰশ্ন নং (ক) আৰু (খ) ত আছে। প্ৰথমটো আছিল যে অসমত নিজা মাটি থকা পৰিয়ালৰ সংখ্যা দিয়া ৫.৬৯ লাখ আৰু ভূমি হীন পৰিয়ালৰ সংখ্যা ৫.৮০ লাখ, অৰ্থ্যাৎ ১০ শতাংশ মানুহ ভূমিহীন। তেওঁলোকক কেতিয়াৰ পৰা আৰু কেতিয়াৰ ভিতৰত মাটি দিয়াৰ ব্যৱস্থা কৰিব।

প্ৰশ্ন নং (খ) ত আছে, ২০১৬ চনত ৩১ মাৰ্চ পৰ্য্যন্ত অসমৰ মাটিৰ খাজানা উঠিছিল ৩৩.৯৩ কোটি টকা। ২০২২ চনৰ ৩১ মাৰ্চত খাজানা উঠিছে ১৮৫ কোটি টকা। তাৰ মানে খাজানা বহুত বাঢ়িলে। এইটো কমোৱাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ চৰকাৰৰ দিনত ১,৩৪,১৪০ টা পৰিয়ালক আমি মাটি দিলো (বিতং তথ্য দিয়া আছে)। এটা কথা জানি ভাল পাব এতিয়া আমাৰ ভূমিহীন মানুহক পট্টা দিয়াৰ কাৰণে মিছন বসুন্ধৰাত প্ৰায় ১২ লাখ আবেদন আহিছে, আজিৰ শেষৰ দিন। তাৰে ভিতৰত ৯ লাখে খাচ ভূমিত বহি আছে। তেওঁলোকৰ পট্টা নাই। এইখিনি আমি নৱেম্বৰৰ ১৪ তাৰিখৰ ভিতৰত disposed কৰিব লাগে। পট্টা দিয়াৰ লগে লগে হয়তো শতাংশৰ হাৰটো কমি যাব আৰু খাজানাৰ ক্ষেত্ৰত ইতিমধ্যে চাৰিখন notification আছে। এতিয়া ২০১৫ চনৰ notification খন চলি আছে। প্ৰতিটো খাজানা তাত enlist কৰা আছে। খাজানা অলপ বাঢ়িছে, বেছি বঢ়া নাই। আগতে ক'ৰবাত অলপ leak-age আছিলে, যেনেকৈ খাজানা নিদিয়া বা অন্যান্য। এতিয়া যিহেতু ব্যৱস্থাটো clean কৰি দিয়া হৈছে, এতিয়া ১৮৫ কোটি টকা আহিছে। ২০২৩ চনত এটা সংশোধনী আহিছে যে ১ বিঘাৰ তলত মাটি থাকিলেও তেখেতে ১ বিঘাৰে খাজানা দিব লাগিব। আগতে ১ বিঘাৰ তলত থাকিলে খাজানা কম আছিল। গতিকে এতিয়া ২০১৫ চনৰ হ্নnotification মতে খাজানা চলি আছে।

**মাননীয় অধ্যক্ষ** ঃ Question hour over। সন্মানীয় সদন, আজি অসম চৰকাৰে প্ৰথম বাৰৰ বাবে ছাত্ৰ দিৱস হিচাপে পালন কৰিছে। বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম, যাক বড়ো সকলে বড়ো জাতিৰ পিতা হিচাপে গণ্য কৰি আহিছে তেখেতৰ জন্ম দিনটোত। আজি আমি অসম বিধান সভাতো তেখেতক এটা সন্মান জনায় শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো । আজিৰ দিনটো খুবেই গুৰুত্বপুৰ্ণ যে অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ এটা জনজাতিৰ যুৱক, যিজন যুৱকে নিজৰ জাতিটোৰ লগতে বিভিন্ন পিছপৰি থকা শ্ৰেণীৰ হকে আৰু ভাৰতৰ জনগণৰ হকে তেওঁ নেতৃত্ব দি আহিছিলে, সংগ্ৰাম কৰি আহিছিলে । আৰু খুব কম বয়সতে এই সংসাৰখন এৰিও গৈছিলে । কেৱল ৩৪ বছৰ বয়সত । বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নাম প্ৰায় সকলোৱে জানে আৰু আজি অসম চৰকাৰে তেখেতৰ জন্মদিনটোত ছাত্ৰ দিৱস হিচাপে পালন কৰাৰ যি সিদ্ধান্ত লৈ আজিৰ পৰা আৰম্ভ কৰিলে এইয়া খুব অৰ্থপূৰ্ণ হৈছে বুলি

মই ভাবো আৰু ইয়াৰ বাবে অসম চৰকাৰক আজি বিধান সভাৰ এই সদনৰ পৰা ধন্যবাদ জনাইছো । বড়োফা উপেন্দ্র নাথ ব্রহ্ম ১৯৫৬ চনৰ ৩১ মাৰ্চত জন্ম গ্রহণ কৰিছিলে কোকৰাঝাৰত এটা খুব দুখীয়া সাধাৰণ পৰিয়ালত। তেওঁ গোটেই বংশ পৰিয়াল খুবেই দুখীয়া আৰু সাধাৰণ শ্রেণীৰ লোক আছিলে । কিন্তু সৰুৰে পৰা তেওঁৰ সদায় জ্ঞান অৰ্জন কৰা বা অধ্যয়ন কৰাৰ এটা অভ্যাস আছিলে। যাৰ কাৰণে ঘৰৰ আৰ্থিক অৱস্থাও তেখেতক বাধা দিব পৰা নাছিলে । তেখেতে খুব কষ্টৰে পঢ়া শুনা কৰিছিলে, কিতাপ পত্ৰ যোগাৰ কৰিব নোৱাৰা স্বত্বেও তেখেতে সপ্তাহিক বজাৰত যিয়ে কিতাপ বিক্ৰী কৰিব আহে তাত স্থায়ীভাবে সেই বজাৰতে তেওঁৰ প্ৰয়োজনীয় খিনি তাত বহি পঢ়িছিলে। তেনেকৈ আহি আহি কটন কলেজত আহি পঢ়িছিলে, সকলোৰে লগত চা-চিনাকি হৈছিলে, আমাৰ সদনৰ বহুতো ব্যক্তিয়ে হয়তো তেখেতক লগ পোৱা ব্যক্তিসকল আছে । যিসকলে লগ পাইছে তেখেতৰ অসাধাৰণ যিটো চিন্তাধাৰা ব্যৱহাৰ পাতি সেইবোৰ নিশ্চয় গম পায় ।ইয়াৰ পিছত তেখেতে পঢ়ি এম এছ চিও পঢ়ি সম্পূৰ্ণ কৰিলে। কোকৰাঝাৰ কলেজত তেখেতে আৰু কলাশাখাত স্নাতক ডিগ্ৰী ল'লে, তাৰ পিছত আইনতো এডমিচন লৈছিলে । সেইটো সময়তে এ পি এছ চি দি ইনকাম টেক্স ইন্সপেক্টৰ চাকৰিও পাইছিলে । তেওঁ ছাত্ৰ জীৱনৰ পৰাই বড়ো ছাত্ৰ সন্থা আৰু বিভিন্ন ছাত্ৰ সন্থাৰ লগত জড়িত হৈ আহিছিলে। বিশেষকৈ বড়ো ছাত্ৰ সন্থাত তেখেতে ছাত্ৰ জীৱনৰ পৰাই বিভিন্ন পদবী লৈ কাম কৰি আহিছিলে । কিন্তু ১৯৮৬ চনত তেখেতক বড়ো সকলে বড়ো জাতিটোক নেতৃত্ব দিব লাগে বুলি সকলোৰে প্ৰেচাৰ দিছিলে আৰু সেই হিচাপে বড়ো ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্ব তেখেতক অৰ্পণ কৰা হৈছিলে, ১৯৮৬ চনত । তেতিয়া তেওঁ ইতিমধ্যে কৰ বিভাগৰ অফিচাৰ আছিলে । মোৰ সৌভাগ্য আছিলে সেই মিটিংখনত ময়ো আছিলো আৰু তেখেতে বাৰে বাৰে আপত্তি কৰিছিলে যে এজন চাকৰিয়াল আৰু যাৰ ঘৰখন মোৰ ওপৰত নিৰ্ভৰ কেনেকৈ মই এই দায়িত্ব পালন কৰিব পাৰো। তেতিয়া বড়ো সকলৰ সকলো নেতাই কৰ্মী আছে, যিবিলাকে সমাজৰ কাৰণে কাম কৰা লোক আছে সকলোৰে কৈছিলে যে জাতিটোত অকল আপুনিয়ে আছে, আপুনি বিচাৰিলে পাৰিব জাতিটোক আগুৱাই লৈ যাব আৰু আপুনি যদি নাই বড়ো জাতিটো নাই শেষ হৈ যাব । শেষত তেখেতে গ্রহণ কৰিবলৈ বাধ্য হৈছিলে আৰু তেতিয়া তেখেতে ৰাজহুৱাকৈ ঘোষণা কৰিছিলে যে মোৰ অসুবিধা থকা স্বত্বেও বা মই বাৰে বাৰে এইটো পদ গ্ৰহণ কৰিব নোৱাৰো বুলি কোৱাৰ পিছতো এই বড়ো জাতিটোক নেতৃত্ব দিয়া মানুহ নাই বুলি জনায় জোৰ জবৰদস্তিকৈ মোক এই দায়িত্বটো দিছে যেতিয়া মই গ্ৰহণ কৰিছো । কিন্তু মই আজি এইটো অনুৰোধ কৰিব বিছাৰিছো যে যদি আপোনালোক সকলোৰে মই দায়িত্ব নল'লে নহ'ব বুলি ভাবিছে তেনেহ'লে অনাগত ভৰিষ্যতে আপোনালোক সকলোৰে মই যি কওঁ সেইটো মানিব লাগিব আৰু আজিৰ পৰা মোৰ কোনো ব্যক্তিগত জীৱন নাথাকিব । গতিকে আজিৰ পৰা মই যি ভাবো ৰাইজৰ বাবে ভাবিম, মই যি কাম কৰো ৰাইজৰ বাবে কৰিম, ব্যক্তিগত কোনো কথাই আজিৰ পৰা চিন্তা নকৰো ।

ইয়াৰ পিছত তেখেতে কৰ বিভাগৰ চাকৰি ত্যাগ কৰে আনকি ঘৰলৈ যোৱাটো বাদ দি দেশৰ আৰু জাতিৰ উন্নয়নৰ হকে বিভিন্ন ঠাইত ঘুৰি সমাজৰ কথা, জাতিটোৰ কথা, ক'ত কি ধৰণৰ সমস্য আছে আৰু সেই বিলাক সমস্যা কি দৰে সমাধান কৰিব পৰা যাব আৰু উন্নয়নৰ পথত আগবাঢ়ি যাব পাৰিম, সংবিধানৰ কথা অধিকাৰৰ কথা আদি বিষয় বিলাক লৈ তেওঁ ৰাইজৰ মাজত সোমাই পৰিছিল । ইয়াৰ পিছত বড়ো জাতিয় সমস্যা যিবোৰ আগৰ পৰাই বিভিন্ন সময়ত উত্থাপন হৈছিলে সেইখিনি চৰকাৰৰ লগত আলাপ আলোচনাৰ মাধ্যমেৰে চৰকাৰ লগত তেখেতে চেষ্টা কৰিছিলে। কিন্তু শেষত তেখেতে সেইটো নোৱাৰিলে, পিছত সংগ্ৰামৰ পথলৈ আগবাঢ়ি গ'ল যে

আমাৰ তেনেকুৱা ধৰণৰ পিছ পৰা অসহায় এই জাতিবোৰ যদি আমাৰ কথাবিলাক সাব্যস্ত কৰিব লাগে তেতিয়াহ'লে সংগ্ৰামৰ পথেই একমাত্ৰ পথ। গতিকে সেই পথেৰে আমি আগবাঢ়ি যাব লাগিব । সেই হিচাপে তেওঁ প্ৰথম ১৯৮৭ তেওঁ আন্দোলনৰ কাৰ্য্যসূচী আৰম্ভ কৰিছে আৰু সেইটো সময়ৰ চৰকাৰৰ লগত আলোচনা কৰিছিলে। আজি ভৰত নৰহ ডাঙৰীয়া আছে , ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰায়া আছে আৰু হয়তো আছে বহুতে। ইয়াৰ পিছত আলোচনা বিলাক ফলপ্ৰসু নোহোৱাৰ বাবে তেখেতে সংগ্ৰামটো অহৰহভাবে কৰি গৈছিলে । তেখেতৰ দ্বাৰাই বড়ো সকল আৰু জনজাতি সকল এই সংগ্ৰামৰ মাধ্যমেৰে সকলোৱে জনাজাত হৈছিল। সকলোৱে জানিবলৈ সক্ষম হৈছিলে- অৰ্থনৈতিক অৱস্থা, সংস্কৃতিৰ অৱস্থা, স্থিতিৰ অৱস্থা আৰু তেখেতৰ সংগ্ৰামটোৱে অসমৰ বহুখিনি কথা সকলোতে প্ৰচাৰ কৰিছিলে । তেনেকুৱা ধৰণৰ পথৰ মাজেৰে গৈ গৈ তেখেতে এই সংগ্ৰামৰ জৰিয়তে বিভিন্ন ধৰণৰ কথা, বিভিন্ন জাতি জনগোষ্ঠী যুৱ সমাজৰ মাজত তেখেতে প্ৰচাৰ কৰিবলৈ সক্ষম হৈছিল । ইয়াৰ পিছত বড়ো সংগ্ৰামক নেতৃত্ব দি বড়ো সমস্যা সমাধানৰ কাৰণে ১৯৮৯ চনৰ ২৮ আগষ্টত ৰাজেন্দ্ৰ কুমাৰ বাজপেয়ী ডাঙৰীয়ানীৰ দায়িত্বত প্ৰথম বাৰৰ বাবে বড়ো সমস্যা সমাধানৰ হকে ত্ৰিপাক্ষিক বৈঠক কৰিবলৈ সক্ষম হৈছিল । সেই বৈঠকত আজি সদনত উপস্থিত থকা ভৰত নৰহ ডাঙৰীয়া আৰু তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই অংশগ্ৰহণ কৰিছিল । ইয়াৰ পিছতো দুবাৰমান আলোচনা চলিছিল। কিন্তু সেই সময়তে কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ ১৯৯০ চনৰ ১ মে' তাৰিখে ইহলীলা সম্বৰণ কৰে । কেৱল ৩৪ বছৰ তেখেতৰ বয়স হৈছিল। গতিকে জীৱন্ত কালত সদায় তেখেতে কেৱল সমাজৰ কাৰণে strugle কৰোতে, কাম কৰোতে গুচি গ'ল। তেখেতৰ এটা ভাল নীতি আছিল যে আমি কাৰো বিৰোধী নহয়। আমি নিজে নিজে কেনেকৈ survive হৈ থাকিব পাৰো সেই কাৰণে আমি যুজিব লাগে। গতিকে এটা মন্ত্ৰ তেখেতে সদায় লৈছিল live and let live, জীয়াই থাকক আৰু জীয়াই থাকিবলৈ দিয়ক। বড়োসকলক তেওঁ এটা কথা কৈছিল, কাকো শত্ৰু জ্ঞান কৰিব নালাগে, কিন্তু বড়ো সকলে নিজৰ জীতীয় সত্বাক লৈ কেনেকৈ আমি নিজক আনক পৰিচয় দিব পাৰো আৰু জাতি হিচাপে আমি নিজৰ ভাষা, কলা-সংস্কৃতি, সমাজৰ ৰীতি-নীতিলৈ জীয়াই থাকিব পাৰো সেইটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে আৰু তেখেতৰ কাৰণে আজি বড়ো সমাজ মাত্ৰ নহয়, অসমৰ জনজাতি সমাজ আজিৰ এই অৱস্থালৈ আহিব পাৰিছে আৰু এইটো সকলোৱে স্বীকাৰ কৰে। তেখেতৰ যিখিনি কথা শেষত সকলোৱে পতিয়ন গৈছে, তেওঁ যিখিনি কথা কৈছে আৰু তেখেতৰ সেই কথামতে আজি অসমত আমি গৌৰৱেৰে ক'ব লাগিব এই জনজাতি সকলৰ যিটো এটা আশা আছিল, সপোন আছিল আজি বৰ্তমান সময়ত এইখিনি বাস্তৱত ৰূপধাৰণ কৰিলে আৰু সকলোৱে একেই status লৈ আজি জীয়াই থাকিবলৈ সক্ষম হ'ল। তেখেতৰ নিচিনা মহান ব্যক্তিৰ জন্মদিন, এই জন্মদিনটোক আজি চৰকাৰে ছাত্ৰ দিৱস' হিচাপে সদায় স্মৰণ ৰাখিবলৈ, সন্মান দিবলৈ আৰু বিভিন্ন ধৰণৰ activity তেখেতৰ জন্মদিনত যিটো কৰিবলৈ লৈছে, সচাঁকৈ আমাৰ কাৰণে গৌৰৱৰ কথা। গতিকে আজি সেইকাৰণে মই ধন্যবাদ জনাইছো আৰু সদনত আমি আজি সোঁৱৰিছো আৰু লগতে প্ৰত্যেক বছৰ সেইদিনা আমি তেখেতক সন্মানেৰে অসম বিধান সভাত অন্যান্য আমাৰ যিসকল মহাপুৰুষ আছে, তেখেতসকলক যিধৰণে আমি সন্মান কৰো তেখেতকো আমি আজিৰ পৰা ছাত্ৰ দিৱসৰ দিনাখন সন্মান কৰি যাম। গতিকে এই বিষয়ত নিশ্চয় সকলোৱে অলপ অলপ ক'ব। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ সন্মানীয় অধ্যক্ষ মহোদয়, আপুনি ইতিমধ্যে

উল্লেখ কৰিছে যে আজিৰ দিনটোতে ১৯৫৬ চনত আমাৰ পবিত্ৰ অসম ভূমিত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জন্ম হৈছিল। যি ব্যক্তি গৰাকীক আমি বড়ো জাতিৰ পিতৃপুৰুষ বা বড়োফা হিচাপে জানো। এটি সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰা এই মহান ব্যক্তিজনে ছাত্ৰ নেতাৰূপে বড়ো জনগোষ্ঠীক সন্মুখৰ পৰা নেতৃত্ব দি বিশ্বত এক শক্তিশালী জাতি হিচাপে চিনাকি দিবলৈ চেষ্টা চলাইছিলি আৰু তেওঁ সফলো হৈছিল। যাৰ বাবে অসমৰ অন্যতম বৃহৎ জনগোষ্ঠী ভূমিপুত্ৰ বড়োসকলে আজিৰ দিনত আমাৰ ৰাজ্যত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিকভাৱে শক্তিশালী জনগোষ্ঠী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। অধ্যক্ষ ডাঙৰীয়া, আমি যদি ইতিহাসৰ পৰাত লুটিয়াই চাওঁ, বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম প্ৰতিটো খোজতে জাতি তথা দেশপ্ৰেমৰ প্ৰৱল ইচ্ছাশক্তিক দেখিবলৈ পাঁও। এই মহান ব্যক্তিগৰাকী জন্ম হৈছিল বৰ্তমানৰ কোকৰাঝাৰ জিলাৰ দতমা বৰাগাড়ী গাঁৱত। তেখেতৰ পিতৃ নাম আছিল স্বৰ্গীয় মংলা ৰাম ব্ৰহ্ম আৰু মাতৃৰ নাম আছিল লেখাশ্ৰী ব্ৰহ্ম। বড়োফা আছিল পৰিয়ালৰ আটাইতকৈ কনিষ্ঠ। বিমল চন্দ্ৰ ব্ৰহ্ম, সুমেশ্বৰ ব্ৰহ্ম দুয়ো বড়োফাৰ জেষ্ঠ্য ভাতৃ আৰু ৰন্তাৰতী ব্ৰহ্ম, জীৰেশ্বৰী ব্ৰহ্ম দুয়ো বড়োফাৰ জেষ্ঠ্য ভগ্নী আছিল। অতি দৰিদ্ৰতাৰ বাবে তেখেতে কৈশোৰ অৱস্থাৰ পৰাই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু উচ্চ শিক্ষা গ্ৰহণৰ বাবে তেখেতে অলপো পিচ হুহুকা নাছিল। সন্মানীয় অধ্যক্ষ মহোদয়, দৰিদ্ৰতাই বড়োফাক উচ্চ শিক্ষা গ্ৰহণত কোনো বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিব পৰা নাছিল। যিটো আমাৰ নৱপ্ৰজন্মৰ বাবে উৎকৃষ্ট আদৰ্শ বুলি ক'ব পাৰি। দতমা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞান বিভাগত তেখেতে M.Sc পৰীক্ষাত উত্তীৰ্ণ হৈছিল। মন কৰিবলগীয়া যে ১৯৮১ চনত কটন মহাবিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞান বিষয়ত লেটাৰ নম্বৰ লৈ Pre University আৰু পদাৰ্থ বিজ্ঞানত honours সহ B.Sc পৰীক্ষাত তেখেত উত্তীৰ্ণ হৈছিল। আৰ্থিকভাৱে তেখেত যদিও দুৰ্বল আছিল, তেখেতে আইন বিষয়টো অধ্যয়ণ কৰিছিল। সেই সময়তে তেখেতে আয়কৰ বিভাগৰ পৰিদৰ্শকৰ চাকৰি যোগদান কৰিছিল। কিন্তু বড়োসকলৰ দুখ লগা আৰ্থ-সামাজিক ব্যৱস্থাই বড়োফাক চাকৰি ত্যাগ কৰিবলৈকে বাধ্য কৰিছিল। ১৯৮৬ চনত ৰৌতাত অনুষ্ঠিত নিখিল বড়ো ছাত্ৰ-সন্থাৰ অধিৱেশনত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাক নিখিল বড়ো ছাত্ৰ-সন্থাৰ সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ পিছতে নিজৰ ব্যক্তিগত জীৱন, চৰকাৰী চাকৰি সকলো ত্যাগ কৰি বড়ো জাতিৰ হকে তেখেতে নিজকে উৎসৰ্গা কৰিছিল। বড়োফাৰ ব্যক্তিগত জীৱন তথা পৰিয়ালটো বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ আছিল যদিও বড়োফাই নিজৰ ঘৰুৱা সমস্যাক আওকান কৰি বড়ো জনগোষ্ঠীক বিশ্বত এক বৃহৎ শক্তিশালী জনগোষ্ঠী হিচাপে প্ৰতিষ্ঠিত কৰাত উঠিপৰি লাগিছিল। তেখেতৰ প্ৰধান লক্ষ্য আছিল নিজস্ব ভাষা, সাহিত্য আৰু স্বকীয় পৰিচয়ৰে বিশ্বৰ শক্তিশালী সম্প্ৰদায় বা জাতিৰ সৈতে একেশাৰীতে আত্মমৰ্যাদা তথা সমঅধিকাৰেৰে বড়ো জনগোষ্ঠীক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰা। এজন প্ৰবল আত্মবিশ্বাসী ছাত্ৰনেতা বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম বড়ো সকলৰ ৰাজনৈতিক অধিকাৰৰ দাবীত কৰা আন্দোলনে অসম তথা উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা বড়ো সকলৰ আৰ্থ-সামাজিক, ৰাজনৈতিক দিশত এক বৃহৎ পৰিবৰ্তন আনিবলৈকে সক্ষম হৈছিল। এই পৰিবৰ্তনে ভাৰত তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজনৈতিক সমাজ জীৱনত গভীৰভাৱে প্ৰভাৱ পেলাইছিল। বিগত সময়ত আন্দোলনৰ ফলস্বৰূপে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ আৰু সদৌ বড়ো ছাত্ৰ সন্থাৰ মাজৰ ত্ৰিপাক্ষিক আলোচনা চলি থকা সময়তে ১৯৯০ চনত ১ মে' তাৰিখে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাই দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিবলগীয়া হৈছিল। এই মহান ব্যক্তি গৰাকীৰ পবিত্ৰ

জন্মদিনটোত আমাৰ চৰকাৰে ছাত্ৰ দিবস হিচাপে চৰকাৰীভাৱে পদক্ষেপ লৈছে তেখেতক সন্মান জনোৱাৰ উদ্দেশ্যে। অসমৰ সকলো শিক্ষা অনুষ্ঠানত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে শৈক্ষিক আলোচনা চক্ৰৰ ইত্যাদি কাৰ্য্যসূচী হাতত লোৱা হৈছে। অধ্যক্ষ ডাঙৰীয়া, মই ভাষণ শেষ কৰাৰ আগতে এটা কথা তেখেতৰ ওপৰত মোৰ ব্যক্তিগত অনুভৱ,মই আপোনালোকৰ ওচৰত আপোনাৰ জৰিয়তে এই সদনত প্ৰকাশ কৰিব বিচাৰিছো। তেখেতৰ বিষয়ে মোৰ বহুত জ্ঞান নাছিলে বা আজিও নাই। কিন্তু আমি যেতিয়া কোকৰাঝাৰত আমাৰ কেবিনেট সভা হৈছিল, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উদ্যোগত আমাৰ সকলো মন্ত্ৰীসভাই বড়োফাৰ ঘৰলৈকে গৈছিলো। তাত তেখেতলোকে এটা মিউজিয়াম স্থাপন কৰিছে। উপেন্দ্ৰ নাথ ব্ৰহ্মা ডাঙৰীয়াৰ বিষয়ে সৰুৰ পৰাই জানো। আমি সৰুৰে পৰা ৰাজনীতিৰ সৈতে জড়িত। স্কুলত পঢ়ি থকাৰ পৰাই জানো। কিন্তু ইমান details ত নাজানিছিলো। সেইদিনাখন দেখিলো তেখেতৰ কোনোবা এখন ফটোত নে প্ৰতিমাত লেখা আছিল মাত্ৰ ৩৪ বছৰ মানুহ এগৰাকী জীয়াই আছিল। ৩৪ বছৰত তেখেতে বড়োজাতিৰ পিতৃ হিচাপে স্বীকৃতি লাভ কৰিছিল। এজন মানুহে মাত্ৰ ৩৪ বছৰ বয়সত যদি এটা জতিৰ পিতৃ হিচাপে স্বীকৃতি লাভ কৰিব পাৰে তেখেত কিমান গুণী আছিল, কিমান জ্ঞানী আছিল আৰু তেখেতে বড়ো জাতিৰ কাৰণে কিমান কৰিছিল। এইটো মই ব্যক্তিগতভাৱে উপলব্ধি অনুভৱ কৰো। এই ব্যক্তিগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰিব পাই মই অত্যন্ত সুখী হৈছো তেখেতৰ ওপৰত দু-আষাৰ ক'বলৈ পাই অত্যন্ত গৌৰান্বিত আৰু গৰ্বিত অনুভৱ কৰিছো। তেখেতৰ স্মৃতিত অসম চৰকাৰে আজিৰ এই বিশেষ দিনটোক ছাত্ৰ দিৱস হিচাপে প্ৰত্যেক বছৰে পতাৰ যি সিদ্ধান্ত লৈছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰি এই মহান পুৰুষ গৰাকীক পুণৰ স্মৰণ কৰি তেখেতৰ আত্মাৰ সদ্‌গতি কামনা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদন, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মা ডাঙৰীয়াৰ জন্মদিন, আমি তেখেতৰ এই জন্মদিনত তেখেতলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো আৰু মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আজিৰ দিনটো ছাত্ৰ দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ লোৱাত ধন্যবাদ জনাইছো আৰু ব্যক্তিগতভাৱে আনন্দিত হৈছো এই কাৰণেই যে উপেন্দ্ৰ নাথ ব্ৰহ্মা ডাঙৰীয়াৰ লগত মোৰ বা মাননীয় শ্ৰীকেশৱ মহন্তৰ খুৱ ঘনিষ্ঠ সম্পৰ্ক আছিল। তেখেতক আমি বিশ্ববিদ্যালয় পঢ়ি থকাৰ সময়ত পাইছিলো, আমাতকৈ বয়সত ডাঙৰ হ'লেও আমাৰ লগত ঘনিষ্ঠতা বজাই ৰাখিছিল। কাৰণ আমি সেই সময়ত আছুত আছিলো president, secretary আৰু উপেন্দ্ৰ নাথ ব্ৰহ্মা ডাঙৰীয়াও আছিল আৰু তেওঁৰ সাধাৰণ সম্পাদক যিগৰাকী আছিল, তেওঁ আছিল শ্ৰীৰবিৰাম ব্ৰহ্ম। শ্ৰীৰবিৰাম ব্ৰহ্ম মোৰ হোষ্টেলৰ আৱাসী আছিল আৰু খুৱ সঘনাই উপেন্দ্ৰ নাথ ব্ৰহ্মা ডাঙৰীয়াৰ তালৈ আহিছিল। আমি একেলগে আলোচনা কৰিছিলো। আৰু তেখেতে এটা কথা কৈছিল যে বড়ো সকল ভূমি পুত্ৰ আৰু এই ভূমি পুত্ৰসকলক স্বাৰ্থত আমি যিকোনো স্বাৰ্থৰ বিনিময়ত সুৰক্ষিত কৰিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ আৰু সংকল্পবদ্ধ। বড়ো জনগোষ্ঠীৰ স্বাৰ্থ সুৰক্ষিত হোৱা মানে অসমৰ স্বাৰ্থ সুৰক্ষিত হোৱা। তেখেতে এটা কথা কৈছিল যে অসম আন্দোলনে ইয়াক আগবাঢ়ি যোৱাত যথেষ্ট অনুপ্ৰাণিত কৰিছিল। সেইকাৰণে অসম আন্দোলনৰ পিছত গঠন হোৱা চৰকাৰৰ পৰা তেখেতে বহুত আশা কৰিছিল। হয়তো তেওঁৰ যিমান আশা আছিল সেই হিচাপে কামবিলাক নোহোৱা বুলি সেই সময়ছোৱাত তেখেতে উপলব্ধি কৰিছিল। বিভিন্ন সময়ত তেওঁলোকৰ লগত আমাৰ আলোচনা হৈছিল। তেখেত যেতিয়া অসুস্থ হৈ আছিল, সেই সময়তো আমি গৈছিলো আৰু তেখেত ঢুকাওঁতেও আমি তেখেতৰ ঘৰলৈ গৈছিলো। তেখেতে

বিভিন্ন সময়ত কৈছিল যে বড়ো সকল বিভিন্ন ঠাইত সিচৰঁতি হৈ আছে। আপোনালোকৰ গোলাঘাট জিলাতো বহু বড়ো লোক আছে। মই সেই অঞ্চললৈ গৈছো আৰু সকলোকে সংগঠিত কৰিবলৈ চেষ্টা কৰিছো। ইয়াৰ পৰা বিভিন্ন কাৰণত উঠি যোৱা মানুহ সেই অঞ্চলসমূহত আছে। আমি সেই লোকসকলৰ লগত ঘনিষ্ঠতা বজাই ৰখাৰ চেষ্টা কৰিছো। ধেমাজি, সোণাৰি আদি অঞ্চলতো বহু বড়োলোক থকাৰ কথা তেখেতে কৈছিল আৰু কিছুমান বড়োলোকে বড়ো ভাষা ক'ব নাজানে, এই কথাটোও তেখেতে আলোচনা কৰিছিল আৰু সকলোৱে ক'বলৈ জনা উচিত বুলি কৈছিল। এনেকুৱা বহু কথা আমি বিভিন্ন সময়ত আলোচনা কৰিছিলো। আজি তেখেতৰ জন্ম দিনটোত মোৰ তেখেতৰ কথাবোৰ মনত পৰিছে। মই অনুভৱ কৰিছো যে সঁচা অৰ্থাৎ তেখেতৰ যি initiative, সেই initiative ৰ কাৰণে আজি বড়ো জনগোষ্ঠী যথেষ্ট আগবাঢ়ি যাবলৈ সক্ষম হৈছে। তেখেত কেৱল বড়োসকলৰেই নহয় আমাৰ উঠি অহা প্ৰজন্মৰ বাবে আদৰ্শ আৰু অনুকৰণীয় হ'ব। মই ভাৱো যে জাতি এটাৰ কাৰণে এজন মানুহে কিমান Secrifice কৰিব পাৰে, তেওঁতকৈ আৰু বেলেগ উদাহৰণ আমি দেখুৱাব নালাগে। সেই সময়ত কোকৰাঝাৰ বা B.T.R ৰ যিবিলাক অঞ্চল আছে, তাৰ লগত আজিৰ সময়ত আকাশ-পাতাল পাৰ্থক্য আছে। সৌ-সিদিনা আমি সকলোৱে যেতিয়া কোকৰাঝাৰলৈ গৈছিলো, ্ আমাৰ তাত বৈঠক আছিল আৰু তেতিয়া মোৰ সেই সময়ৰ কোকৰাঝাৰ আৰু আজিৰ সময়ৰ কোকৰাঝাৰৰ কথা মনত পৰিছে। মই বেছি দীঘলীয়াকৈ নকওঁ। কিন্তু মই আশা ৰাখিম কেৱল আজি বুলিয়েই নহয়, ভৱিষ্যতৰ দিনতো নিশ্চয় আজিৰ দৰেই এনেধৰণৰ "ছাত্ৰ দিৱস" চৰকাৰে উদ্‌যাপন কৰি যাব আৰু সকলোৱে তেওঁক মনত ৰাখিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই কওঁক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াক কেইবাবাৰো ওচৰৰ পৰা পাইছো আৰু তেখেতৰ লগত মই বহুবাৰ আলোচনা কৰিছো। প্ৰথম যেতিয়া অসম গণ পৰিষদ দলৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া আছিল, তেতিয়া ১৯৮৭ চনত সদৌ বড়ো ছাত্ৰ সন্থাই প্ৰথম স্মাৰক পত্ৰ অসম চৰকাৰক দাখিল কৰে। তেওঁলোকৰ ৯২ দফীয়া দাবী আছিল। মই সেই সময়ত জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী আছিলো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই লগে লগে মোলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিলে আৰু তেওঁলোকক আলোচনালৈ মাতিবলৈ আদেশ দিলে। মই লগে লগে 'সদৌ বড়ো ছাত্ৰ সন্থা'ক আলোচনালৈ আহিবলৈ নিমন্ত্ৰণ কৰিলো। ১৯৮৭ চনত প্ৰথম আন্দোলন আৰম্ভ হৈছিলহে আৰু তেওঁলোকে মোৰ আৰু চৰকাৰৰ নিমন্ত্ৰণ ৰক্ষা কৰে। আমি অসম চৰকাৰে 'সদৌ বড়ো ছাত্ৰ সন্থা'ৰ এটা প্ৰতিনিধি দলৰ লগত পূৰণি জনতা ভৱনত আলোচনা কৰো। ইয়াত বহু আলোচনা কৰা হয় আৰু তাত কিছুমান মাধ্যম আৰু ভাষাৰ কথা আছিল। সেই আলোচনাৰ পিছত আন্দোলনটো আৰু বেছি ডাঙৰ আৰু ব্যাপক হ'বলৈ আৰম্ভ কৰিলে। ১৯৮৯ চনত পুনৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ নেতৃত্বত দিল্লীত তেওঁলোকে ত্ৰিপাক্ষিক বৈঠকৰ দাবী কৰিলে। তেতিয়া এই ত্ৰিপাক্ষিক বৈঠক অসম ভৱনত হ'ল। নতুন অসম ভৱনটো মুকলি কৰা প্ৰায় দুবছৰমানহে হৈছিল। তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ কল্যাণ মন্ত্ৰী ৰাজেন্দ্ৰ কুমাৰ বাজপেয়ী ডাঙৰীয়া আছিল। তেতিয়া AABSU আৰু Bodo Pepoles Action Commitee ্ৰ ৪০ জনীয়া প্ৰতিনিধি দল এটা আহিছিল আৰু কনফাৰেঞ্চ হলত আমি তেওঁলোকৰ লগত এই দাবীবোৰ লৈ ত্ৰিপাক্ষিক বৈঠক কৰিলো। তাৰ পিছতো আমি তেওঁলোকৰ দাবীবোৰৰ বিভিন্ন আলোচনা-বিলোচনা কৰো আৰু এই বিষয়ে দুবাৰ-তিনিবাৰ বৈঠক

হৈছে। কিন্তু পিছত আন্দোলনটো আৰু বেছি ডাঙৰ আৰু ব্যাপক হ'বলৈ আৰম্ভ কৰিলে আৰু Assam divide 50/50 ক'বলৈ আৰম্ভ কৰিলে। এইটো বুকু কঁপি যোৱা শ্লোগান আছিল। এইটো বড়ো সকলৰ মাজত অতি জনপ্ৰিয় আছিল। কিন্তু আমাৰ বুকু কঁপি গৈছিল। এনেকুৱা এটা পৰিস্থিতিত ১৯৯১ চনত নিৰ্বাচন অনুষ্ঠিত হয় আৰু অসমত কংগ্ৰেছ চৰকাৰ আহিল আৰু প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱ মুখ্যমন্ত্ৰী হয়। তেতিয়া তেখেতে AABSU ৰ লগত আলোচনা কৰি প্ৰথমে এখন কমিটী গঠন কৰিলে। কাৰণ এই AABSU আন্দোলনটো দেখাৰ পিছত অন্যান্য জন-জাতি যেনে মিচিং, ৰাভাসকলেও আন্দোলন কৰিবলৈ আৰম্ভ কৰিলে। তেতিয়া উপায় নাপাই সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱে ড° ভূপেন্দ্ৰ সিং কমিটী গঠন কৰে। তেওঁ গোটেই উত্তৰ অসম ঘূৰি এটা ৰিপোৰ্ট দাখিল কৰে। মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক এই ৰিপোৰ্টটো সংগ্ৰহ কৰিবলৈ অনুৰোধ জনালো। কাৰণ এইখন এখন বহুত গুৰুত্বপূৰ্ণ দলিল। উপেন্দ্ৰনাথ ব্ৰহ্ম ডাঙৰীয়াই আৰম্ভ কৰা আন্দোলনৰ প্ৰভাৱ ইমান দীঘলীয়া আৰু ইমান গভীৰ হ'ল যে বড়োসকলক স্বায়ত্ব শাসন দিবৰ বাবে অসম চৰকাৰ বাধ্য হ'ল। প্ৰথম ১৯৯৩ চনত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱে তেওঁলোকক Bodoland Autonomous Council দিয়ে। তেতিয়া Sixth Schedule নাছিল। কিন্তু এইখিনি কৰাৰ পিছতো আন্দোলনটো থমকি নৰ'ল, বাঢ়িয়েই গ'ল। লাহে লাহে কিছুমান উগ্ৰপন্থী সংগঠন আৰম্ভ হয়, Bodo Libaration Tigers, য'ত প্ৰেম সিং ব্ৰহ্ম আছিল, তেওঁলোকৰ লগত প্ৰথমে আলোচনা কৰা হ'ল। ABSU ৰ লগত আলোচনা কৰি Bodoland Autonomous Council দিয়া হ'ল। তাৰ পিছত আকৌ আন্দোলন ডাঙৰ হ'ল আৰু B.L.T ৰ পিছত NDFB গঠন হ'ল। এইদৰে সময় গ'ল আৰু পুনৰ অসম গণ পৰিষদ দল দ্বিতীয়বাৰৰ বাবে শাসনলৈ আহিল আৰু প্ৰফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্ৰী হ'ল। এই দ্বিতীয়বাৰো AABSU ৰ লগত আলোচনা হয়। আজি চন্দ্ৰমোহন পাটোৱাৰী ডঙৰীয়া ইয়াত নাই। তেওঁক হয়তো সেই সময়ত মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব দিছিল। মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ লগত পুনৰ আলোচনা হয়। এনেকৈ আলোচনা চলোৱাৰ পিছত ২০০১ চনত কংগ্ৰেছ দল শাসনলৈ আহিল। AABSU আৰু NDFB ৰ নেতৃবৃন্দ আহি তেতিয়াৰ মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱক লগ কৰে। মোৰ যিমানদূৰ মনত আছে, মাননীয় অধ্যক্ষ মহোদয়েও এই তিনি-চাৰিজনীয়া দলৰ লগত আমাৰ ওচৰলৈ আহিছিল যে এই আলোচনাটো অব্যাহত ৰাখিব লাগে। তেতিয়া আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন কমিটী বনালে তাত ডাক্তৰ ভূমিধৰ বৰ্মন ডাঙৰীয়াক চেয়াৰমেন আৰু মোক Convenor কৰি AABSU আৰু NDFB ৰ লগত আলোচনা কৰিবলৈ এখন কমিটী বনালে।

**মাননীয় অধ্যক্ষ** ঃ তেতিয়া B.L.T. আছিল।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ,(নাওঁবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হয় তেতিয়া B. L. T. আছিল। আলোচনা কৰাৰ পিছত সেই সময়ত কেন্দ্ৰত গৃহমন্ত্ৰী আছিল এল কে আডৱানী আৰু তেখেতেও আমাক কৈছিল যে এইটোৰ কিবা সমাধান কৰিব পাৰিলে ভাল হয়। Bodoland Autonomous Council দিলে ভাল হয়, কিন্তু অসুবিধাটো আছিল যে Sixth Schedule দিয়া হ'ব নে নহয়। কাৰণ আগতে Sixth Schedule টো কেৱল পাহাৰত দিয়া হৈছিল। এতিয়া ভৈয়ামত Sixth Schedule দিব পৰা যাব নে নাযায়, সেইটো লৈ আমাৰ কংগ্ৰেছ দলৰ মাজত বহুত আলোচনা-বিলোচনা হৈছিল। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ মতে তেওঁলোকক Sixth Schedule দিয়াত কি আপত্তি আছে আৰু তেওঁলোকক দিব লাগে। পিছত তেওঁ আমাৰ সমিতিকো

Sixth Schedule দিবৰ বাবে তেওঁলোকক ৰিকোমেণ্ড কৰিবলৈ ক'লে। সেই মতে ৰিকোমেণ্ড কৰা হ'ল। গৃহমন্ত্ৰী এল কে আডৱানীয়ে Sixth Schedule দিব লাগে বুলি পজিটিভ আছিল। তেতিয়া কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ, AABSU আৰু B.L.T ৰ লগত আলোচনা কৰি ২০০৩ চনত Bodoland Territorial Autonomous District চমুকৈ B.T.A.D চুক্তি কৰা হয় আৰু নতুনকৈ Sixth Schedule ৰ সৈতে পাৰ্লিয়ামেণ্টত আইনখন পাচ কৰি ভাৰতীয় সংবিধানৰ অধীনত দিয়া হ'ল। মই এই গোটেই কথাখিনি কোৱাৰ কাৰণটো হ'ল যে এই উপেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াই আন্দোলনৰ তীব্ৰতা, গভীৰতা এইবোৰ চাবলৈ নাপালে। দুৰ্ভাগ্যবশতঃ তেওঁ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ গুচি গ'ল। তাৰ পিছত পুনৰ ২০২০ চনত আপোনালোকৰ বি জে পি চৰকাৰ আৰু কেন্দ্ৰৰ বিজে পি চৰকাৰে আলোচনা কৰি এইটোকে আৰু অলপ expand কৰি Bodoland Territorial Region বুলি ঘোষণা কৰা হ'ল। মই উপেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াক বহু ওচৰৰ পৰা পাইছিলো আৰু তেওঁৰ লগত আলোচনা কৰি দেখিছিলো যে তেওঁ agressive নাছিল। তেওঁৰ আন্দোলন তীব্ৰ আছিল, তেওঁ adamentআছিল, কিন্তু agressive নাছিল। আলোচনা-বিলোচনাত তেওঁ খুব ভদ্ৰ, খুব simple আছিল। কিন্তু তেওঁ নিজৰ দাবীত আকোৰগোঁজ আছিল। নিজৰ যুক্তিটো নেৰে যদিও তেওঁ যুক্তিটো aggressively নকয়। মানুহজন খুব ভদ্ৰ আছিল। আজি অসম চৰকাৰে তেওঁৰ জন্মদিন ৩১ মাৰ্চ তাৰিখটো ছাত্ৰ দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্তটো এক উচিত, আদৰণীয়, সময়োপযোগী সিদ্ধান্ত হৈছে আৰু তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। এই সিদ্ধান্তই অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীলৈ এটা প্ৰেৰণামূলক শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াৰ জন্মদিন উপলক্ষে আজিৰ দিনটো চৰকাৰে ছাত্ৰ দিৱস হিচাপে ঘোষণা কৰা সিদ্ধান্তটোক মই আদৰণি জনাইছো আৰু এইছেগতে মই প্ৰয়াত নেতা জনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। আজি বড়ো জনগোষ্ঠীটোক অসমৰ সকলো জাতি-জনগোষ্ঠীৰ মাজত আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত বা বড়ো জনগোষ্ঠীৰ আন্দোলনক স্বীকৃতি দি তেওঁলোকৰ সমস্যা সমাধান কৰি জনগোষ্ঠীটোক পূৰ্বৰ তুলনাত এক বৈপ্লৱিক পৰিৱৰ্তনৰ দিশত আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত তেখেতৰ যি অৱদান, যি ভূমিকা সেইটো অনস্বীকাৰ্য্য। তেখেত অতি কম দিনৰ বাবে এই পৃথিৱীত আছিল। মাত্ৰ ৩৪ বছৰ তেওঁ পৃথিৱীৰ বুকুত জীয়াই আছিল। তেখেতৰ আটাইতকৈ ডাঙৰ কথাটো হ'ল যে এই ৩৪ বছৰ বয়সতে তেখেতে নিজৰ কাৰ্য- দক্ষতা, নেতৃত্ব আৰু সূক্ষ্মদৰ্শী চিন্তা-ধাৰাৰে যিখিনি কৰি থৈ গৈছে সেইখিনি কিন্তু ১০০ বছৰ জীয়াই থকা কোনো এজন নেতাই নিজৰ জীৱনত এটা জাতিৰ বাবে, এটা সম্প্ৰদায়ৰ বাবে কৰিব নোৱাৰে। ক'বলৈ গ'লে এশ বছৰ জীৱন পোৱা এজন লোকতকৈ ৩৪ বছৰ বয়সত তেওঁ কমখিনি কৰি থৈ যোৱা নাই, তাতকৈ বেছি কৰি থৈ গৈছে। অধ্যক্ষ মহোদয়, তেখেতে AABSU ৰ অষ্টমগৰাকী সভাপতিৰ দায়িত্ব লোৱাৰ পিছৰ পৰাই বড়োলেণ্ড আন্দোলনটোৰে তীব্ৰ ৰূপ ধাৰণ কৰে। বড়োলেণ্ডৰ দাবীত সমগ্ৰ জনগোষ্ঠীটোৰ মাজত, তেওঁলোকৰ অন্তৰত চেতনা জাগ্ৰত কৰা, কম দিনৰ ভিতৰত বড়ো জনগোষ্ঠীক এটা শক্তিশালী আন্দোলনমুখী স্থিতিলৈ অনাৰ ক্ষেত্ৰত তেখেতেৰ যি অৱদান, যি বাগ্মীতা, মানুহক আকৃষ্ট কৰা সন্মোহনী শক্তি বা motivate কৰাৰ যি ক্ষমতা সেইয়া আমি মানিব লাগিব। তেখেতৰ নেতৃত্বৰ বাবে এইখিনি বহুত ডাঙৰ কথা আছিল। তেওঁৰ এনে কাৰ্য সমূহ আমাৰ বাকী জনগোষ্ঠীয় নেতাসকলৰ বাবে এটা

অনুকৰণীয় কথা। তেখেতৰ জীৱনৰ পৰা এই কথাবোৰ অনুকৰণ কৰিব পাৰে। অধ্যক্ষ মহোদয়, তেখেতে AABSU ৰ অষ্টমগৰাকী সভাপতিৰ দায়িত্ব লোৱাৰ পিছত ১৯৮৭ চনৰ ২ মাৰ্চ তাৰিখে পৃথক বড়োলেণ্ডৰ আনুষ্ঠানিক আন্দোলন যেতিয়া ঘোষণা কৰিছিল, তাৰ এমাহৰ ভিতৰতে তেখেতে অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তলৈ ৯২ টা দাবী সম্বলিত স্মাৰক পত্ৰ এখন দিছিল। অৰ্থাৎ বড়ো জনগোষ্ঠীৰ যি অভাৱ-অভিযোগ, তেওঁলোকে যেনেকৈ deprive হৈ আছে, তেওঁলোকে জনগোষ্ঠীয় মৰ্যাদা তথা সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত হৈ থকাৰ যি ক্ষোভ, বেদনা, সেইটো তেখেতে অনুভৱ কৰিছিল আৰু সেই গোটেইখিনি কথা প্ৰতিফলিত কৰি প্ৰথম আন্দোলনৰ প্ৰথম স্মাৰক পত্ৰত ৯২ টা দফা সম্বলিত কৰি তেওঁ দিছিল। এই স্মাৰক পত্ৰখন তদানীন্তন মুখ্যমন্ত্ৰীক দিয়াৰ পিছত সেই একেই দাবী পত্ৰ ১৯৮৭ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰতবৰ্ষৰ তদানীন্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী, গৃহ মন্ত্ৰী বুটা সিং আৰু ৰাষ্ট্ৰপতি Giani Zail Singh ক অৰ্পণ কৰিছিল। ১৯৮৭ চনটো বড়ো আন্দোলনৰ বাবে এক উল্লেখযোগ্য বছৰ আছিল। সেই বছৰে জুন মাহত তেওঁ জজ খেলপথাৰত হাজাৰ হাজাৰ লোকক সমবেত কৰি গণ সমাবেশ কৰি অসম চৰকাৰৰ ভেটি কপাই তুলিছিল। সেই বছৰতে তেওঁ ট্ৰেইনত ১৫০০ বড়ো যুৱকক লৈ গৈ দিল্লীৰ Boat Club ত ধৰ্ণা দি কেন্দ্ৰীয় চৰকাৰকো কপাই তুলিবলৈ সক্ষম হৈছিল। সেই '৮৭ চনতেই কেইবাটাও উল্লেখযোগ্য পদক্ষেপ তেখেতে লৈছিল যিহেতু তেওঁ জীয়াই থাকিবলৈ আৰু বেছি দিন নাই, ১৯৮৭ চনৰ পৰা ১৯৯০ চনলৈ মাত্ৰ তিনি বছৰৰ ব্যৱধান। এই '৮৭ চনৰপৰা ৮৮-৮৯ চনত তেখেতে যি তীব্ৰতা দি থৈ গৈছে, ১৯৯০ চনত তেখেতে ইহলীলা সম্বৰণ কৰিলেও সেই তীব্ৰতা নকমিল। এটা spirit দি থৈ গৈছে, আন্দোলনটোক এটা পৰ্যায়লৈ উন্নীত কৰি থৈ গৈছে যে তেখেতে নাথাকিলেও সেই তীব্ৰতা আৰু কমা নাই, ই আগুৱাইহে গৈছে। যিয়েই নহওঁক, তেওঁ সেই সুপ্ত জাতিটোক জাগ্ৰত কৰিলে আৰু চেতনা জগাই তুলিলে। আগতে বড়ো জনগোষ্ঠীক বহুতে ভাৱিছিল যে তেওঁলোকৰ political maturity নাই, তেওঁলোকৰ বৌদ্ধিক বা সাংস্কৃতিক কথাবিলাকৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত চেতনা নাই। এটা জনগোষ্ঠী, জনজাতি হিচাপে পিছপৰা বুলি ভাৱিছিল। এই জনগোষ্ঠীৰ মাজত আৰ্থ-সামাজিক আৰু ৰাজনৈতিক চেতনা জগাই তুলি যিটো স্তৰলৈ উন্নীত কৰিছে, তাৰ ফলস্বৰূপে আজি আমি অসম বিধান সভাত যদি চাওঁ, ইংৰাজী আৰু অসমীয়া ভাষাৰ লগতে বড়ো ভাষাতো সকলো notification আহে আৰু বড়ো ভাষাত সকলো কাম-কাজ চলে, ইয়াত Interpreter ৰখা হৈছে। আজি অসম বিধান সভাত যিমান জাননী ফলক আছে, সকলোতে ইংৰাজী, অসমীয়াৰ লগতে বড়ো ভাষাৰ ফলকবিলাকো আছে। আজি বড়ো ভাষা আৰু বড়ো জনগোষ্ঠীৰ বিভিন্ন কাৰ্য্য-কলাপ অসম বিধান সভাত দেখা পাইছো। এটা যে সম মৰ্যাদা পাইছে, সেই সম মৰ্যাদা পোৱাৰ চেতনাটো সেই আন্দোলনৰ ফলত আজি আহিছে। মাজত বহুতো কাহিনী আছে, যেনেকৈ উত্তৰণটো ঘটিছে সেই বিলাক মই নকওঁ । আজি অসম বিধান সভাতো আমি যেনেকৈ দেখা পাওঁ যে বড়ো ভাষা, বড়ো জনগোষ্ঠীয়ে যিটো চেতনা, মৰ্যাদা আৰু সম অধিকাৰপাইছে, সেই চেতনাৰ পিতৃ পুৰুষ উপেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়া। তেখেতৰ সেই আন্দোলন, তেখেতৰ চিন্তা-ধাৰাৰ সু-ফল আজি এই পৰ্যায়লৈ আহি পোৱা আমি দেখিবলৈ পাইছো । গতিকে, তেখেতৰ জীৱন-শৈলী সম্পৰ্কে যদি কওঁ, তেখেতৰ এটা উল্লেখযোগ্য গুণ আছিল যে তেখেতে শক্তিশালী নেতৃত্ব দিব পাৰিছিল, তেখেত decision maker আছিল, তেখেতে পৰিস্থিতিৰ লগত খাপ খাই কেৱল বড়ো জনগোষ্ঠীয়েই নহয় অন্যান্য পিছপৰা বিভিন্ন জনগোষ্ঠীকো নেতৃত্ব দিছিল, তেওঁলোকৰ মাজতো চেতনা জগাই তুলিছিল। তেখেতৰ সেই ক্ষুদ্ৰ

জীৱনত যিখিনি আদৰ্শ দেখুৱাই এটা জাতি-জনগোষ্ঠীক যেনেকৈ দেখুৱাই থৈ গৈছে আমি ভাৱো যে তেখেতৰ জীৱনৰ পৰা প্ৰেৰণা লোৱা উচিত আৰু আমিও লাঞ্ছিত বঞ্চিত পিছপৰা জনগোষ্ঠীক আগুৱাই সকলোকে বৌদ্ধিক তথা সকলো দিশতে গণতান্ত্ৰিক অধিকাৰ প্ৰাপ্তিৰ দিশত সকলো জাতি জনগোষ্ঠীক আগুৱাই সম-মৰ্যাদালৈ অনাৰ ক্ষেত্ৰত আমিও তেখেতৰ জীৱনৰ পৰা কিছু আদৰ্শ অনুকৰণ কৰি আমি পিছ-পৰা জনগোষ্ঠীসমূহক আগুৱাই লৈ যাব লাগে আৰু আমি সেই প্ৰেৰণা ল'ব লাগে। পুনৰবাৰ তেখেতৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। দূৰ্গা দাস বড়ো।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাঁও)ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু সদন, লিখিত ৰূপত থকা উপেন্দ্ৰ নাথ ব্ৰহ্ম সম্পৰ্কে সকলোৱে জ্ঞাত হৈছে আৰু জ্ঞাত হ'ব। মই লিখিত ৰূপত নথকা দুটামান কথা ক'ব বিচাৰিছো। প্ৰথমতে, অসম ছাত্ৰ দিৱস কাৰ নামত? উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামত। আজিৰ দিনটোত সেইটোৱেই চিৰ-স্মৰণীয় আমাৰ কাৰণে। উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জন্মদিনটো আজি অসম ছাত্ৰ দিৱস, তাতকৈ অন্য স্বীকৃতি, এখন ৰাজ্য চৰকাৰে জনগোষ্ঠীয় এগৰাকী নেতাক, কিবা দিব লাগে বুলি মই নাভাৱো। ধন্যবাদ জনাইছো অন্তৰৰ পৰা ৰাজ্য চৰকাৰক আৰু মই দুজন উপেন্দ্ৰ নাথ ব্ৰহ্মৰ কথা ক'ব বিচাৰিছো। এজন মোৰ Hostel mate উপেন্দ্ৰ নাথ ব্ৰহ্ম আৰু এজন বড়ো জাতিক নেতৃত্ব দিয়া উপেন্দ্ৰ নাথ ব্ৰহ্ম। আমি যেতিয়া আইন হোষ্টেলত একেলগে আছিলো, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, মই আৰু উপেন্দ্ৰ নাথ ব্ৰহ্ম বিশ্ববিদ্যালয়ৰ একেখন হোষ্টেলত আছিলো। তেওঁ মোতকৈ এবছৰ আগতে কটন কলেজৰ পৰা ওলাই গৈছে। মই দ্বিতীয় বছৰ কটন কলেজত লৈছো। প্ৰায় ভৰত নৰহৰ সমসাময়িক কটন কলেজত নামভৰ্তি কৰিছে, ভৰত নৰহ মোতকৈ এটা শ্ৰেণী senior আৰু কটন কলেজৰ পৰা বিশ্ববিদ্যালয়লৈ গৈ আকৌ উপেন্দ্ৰ নাথ ব্ৰহ্মক মই লগ পাইছো। ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ খুব ভালকৈ মনত আছে আৰু অলপ আগতে মোক কাণে কাণে কৈছে যে তেতিয়া ৰেগিং অলপ হয়েই। University তে হওক বা কলেজতে হওক উপেন্দ্ৰ নাথ ব্ৰহ্মক একেৰাহে ১০-১৫ দিনমান ৰেগিং কৰা হৈছিল যেতিয়ালৈকে freshers নহয় আৰু তেওঁক ৰেগিং কৰাৰ কথাটো হ'ল যে খুব ডাঙৰ punishment দিয়া নাছিল, মাত্ৰ তেওঁৰ ভাত খোৱা কাঁহীখন পানীৰে নহয় চেলেকি চেলেকি চফা কৰিবলৈ দিয়া হৈছিল। উপেন্দ্ৰ নাথ ব্ৰহ্মাই মোৰ ৰূমলৈ আহে, এগৰাকী এতিয়ালৈকে জীয়াই থকা শিল্পী আছে হবিবুৰ ৰহমান আৰু মই একেলগে থাকো, আহি কয় যে দুৰ্গা, কেইদিন মই কাঁহী চেলেকিব লাগিব? মই কঁও freshers আহিলে নহয় আৰু বেছিদিন নাই। তাৰ পিছত এনেকুৱা কাৰণতে তেওঁ হোষ্টেল এৰি গুছি গ'ল। ৰমেন কলিতা সেই সম্পৰ্কে বেচি অৱগত, কাৰণ তেওঁ তেতিয়া General Secretary আছিল University ৰ। ৰমেনে ৰেগিং নকৰে, ৰমেনৰ ৰেগিং কৰা অভ্যাস নাই আৰু মোৰো নাই কিন্তু এইটো কলেজীয়া জীৱন, University জীৱনৰ কথা ক'লো। আৰু বহুত আছে কিন্তু মই সেইবিলাক নকঁও। উপেন্দ্ৰ নাথ ব্ৰহ্মৰ লগত বন্ধু হিচাপে বহুত কথা পাতিছিলো সুখ-দুখৰ। সুখ-দুখৰ কথাবিলাকৰ লগতে জাতিটোৰ কথা আছে, সংগ্ৰামৰ কথা আছে, কোনোবাই মৰম কৰা নকৰাৰ কথা আছে, কোনোবাই গুৰুত্ব দিয়া নিদিয়াৰ কথা আছে, কোনোবাই বিচৰা আৰু নিবিচৰাৰ কথা আছে, যিবিলাক কথা মই অন্তৰত ৰখাই ভাল যিহেতু তেওঁ প্ৰয়াত।

দ্বিতীয়জন হৈছে, সংগ্ৰামী উপেন্দ্ৰ নাথ ব্ৰহ্ম। ভৰত নৰহে কৈছে Cool brain. আৰু তেখেতে বজ্ৰ কঠিন সিদ্ধান্ত ল'ব পাৰে। তাৰে এটা উদাহৰণ দিছো, মই ভৰত নৰহ মন্ত্ৰী যোৱাৰ

পিছত WPT&BC ৰ মন্ত্ৰী হ'বলগীয়া হৈছিল। সেই সময়ত ৯২ টা দাবীৰ এটা এটাকৈ আলোচনা কৰি লোৱাৰ পাছত ৯১ টা দাবী অসম চৰকাৰৰ প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই মুখ্যমন্ত্ৰী হিচাপে মানি ল'লে Divide Assam 50/50 টো বাদ দি। উপেন্দ্ৰ নাথ ব্ৰহ্মাই কৈছিল যে ৯২ টাৰ ৯১ টা মানি নললেও আপত্তি নাই, Divide Assam 50/50 টো মানি ল'লে আমি মানিম। সুন্দৰ, জোৰে ক'লেও একে কথা, ধৈৰ্য্য ধৰি লাহেকৈ ক'লেও একে কথা আৰু Cool brain ৰে ক'লেও একে কথা বা hot brain ৰে ক'লেও একে কথা। তেওঁ Cool brain ৰে এই কথাটো কৈ সেই সময়ত ৰাজ্য চৰকাৰক তৎ হেৰুৱাই দিছিল। তাৰ পিছত চতুৰ্থ লানি আলোচনা দিল্লীত Tri-Party যেতিয়া হ'ল, ভৰত নৰহৰ সলনি সেই সময়ত মই প্ৰতিনিধিত্ব কৰিলো মন্ত্ৰী হিচাপে। তাত উপেন্দ্ৰ নাথ ব্ৰহ্মা ডাঙৰীয়াই তেওঁ নিজৰ আসনত coolly থাকে আৰু যিমান গালি পাৰিব লাগে General Secretary কে আৰম্ভ কৰি বাকী বিষয়ববীয়া বিলাকে, চৰকাৰকখনক গালি পাৰিবই। আমি মানি ল'ব লাগিব যে বন্ধু উপেন্দ্ৰ নাথ ব্ৰহ্মাই, হোষ্টেল মেট উপেন্দ্ৰ নাথ ব্ৰহ্মাই সেই সময়ত দুৰ্গা দাস বড়োক হোষ্টেল মেট, দুৰ্গা দাস বড়োক একেলগে পঢ়া তেনেকুৱা ভাৰি মোক treat কৰা নাছিলে। তেওঁৰ সতীৰ্থ সকলে যিমান পাৰে আমাক গালি দিছিল। সংগ্ৰামী সকলে গালি দিবই। আমিও গালি দিছিলো অসম আন্দোলনৰ সময়ত। গতিকে উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ যিটো কৌশল, তেওঁ ক'ব নোৱাৰাখিনি, তেওঁৰ নেতৃত্বটো সুস্থিৰ ৰাখিবলৈ যদি কিবা ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চ ৰকাৰক আঘাত কৰিবলগীয়া কথা ক'বলগীয়া হয়, ৰাজনৈতিকভাৱে আঘাত কৰিবলগীয়া কথা ক'বলগীয়া হয় তেতিয়া বাকী left right ত থকা colleague খিনিক তেওঁ লগাই দিয়ে আৰু আলোচনাৰ পিছত থিয়ৈ থিয়ৈ যেতিয়া আমি ভাত খাওঁ buffet খাওঁ , তেতিয়া উপেন্দ্ৰ নাথ ব্ৰহ্মাই কয়, বেয়া পালি নেকি দুৰ্গা ? মই কওঁ বেয়া পোৱা নাই দে। আমিতো এই অধ্যায়টো পাৰ কৰিয়ে আজি চৰকাৰ কৰিছো। মন্ত্ৰী হৈছো। গতিকে আমিও সেই সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধী, তেওঁলোকক সদৌ অসম ছাত্ৰ সন্থা, গণ সংগ্ৰাম সমিতিৰ হৈ আমিওতো বহুত ধমকি দিছো তেওঁলোকক সন্মুখা- সন্মুখীকৈ। বাকীতো বাদেই দিয়ক, আটাইতকৈ শক্তিশালী প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীকোতো আমি এৰা নাই সেই সময়ত। গতিকে আমি ভাৱো যে সংগ্ৰাম কৰিবলৈ হ'লে উপেন্দ্ৰ নাথ ব্ৰহ্মা, জাতি এটা আগবঢ়াই লৈ যাবলৈ হ'লে উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নেতৃত্বকো follow কৰিবলগীয়া বহুত আছে। ভাল মানুহ সোনকালে গুছি যায় বুলি কয়। বন্ধু উপেন্দ্ৰ নাথ ব্ৰহ্মা আজি আমি যাক father বুলি কৈছো, পিতা বুলি কৈছো, নতশিৰে মানি লৈছো উপেন্দ্ৰ নাথ ব্ৰহ্মা আমাৰ প্ৰতোকজন বড়ো মানুহৰ কাৰণে পিতা হোৱাৰ উপযুক্ত। অসমবাসীয়ে তেওঁক যিটো স্বীকৃতি দিছে, উপযুক্ত স্বীকৃতি দিছে হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী গোবিন্দ বসুমতাৰী।

**শ্ৰী গোবিন্দ বসুমতাৰী, (ওদালগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ছাত্ৰ দিৱস হিচাপে অসমৰ সদনত যি উদযাপন কৰিছে, তাৰ কাৰণে মই অসম চৰকাৰক ধন্যবাদ দিছো আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকো ধন্যবাদ দিছো। তেখেতে অসমৰ এজন সুযোগ্য সন্তান স্বৰ্গীয় উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ জন্মদিনটোক অসমত ছাত্ৰ দিৱস হিচাপে চৰকাৰীভাৱে ঘোষণা কৰাৰ বাবে তেখেতক ধন্যবাদ দিছো। বড়ো জনগোষ্ঠীৰ আজিৰ অৱস্থা আৰু তেতিয়াৰ অৱস্থাৰ মাজত যথেষ্ট পাৰ্থক্য আছিল। অসমৰ উত্তৰাঞ্চল বৰ্তমান যিখিনি BTAD বা BTR অঞ্চল, সেই অঞ্চলত আমি স্কুলত পঢ়াশুনাত যেনেকুৱা অৱস্থা আছিল সেইখিনিৰ বিষয়ে আমাৰ দুৰ্গা দাস বড়ো ডাঙৰীয়াই ক'লে, অসম গণ পৰিষদৰ মাননীয় সভাপতি অতুল বৰা ডাঙৰীয়াইয়ো ক'লে আৰু আমাৰ মাননীয়

ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, তেখেত সেইটো অঞ্চলৰে মানুহ আছিল আৰু তেখেতে সেই অঞ্চল পিছপৰা কাৰণে তাৰ পৰা আঁতৰি আহি গুৱাহাটীত থিতাপি লৈছে। তেতিয়া আমাৰ ৰাস্তা পদুলি বুলি ক'লে একো নাছিল, শিক্ষানুষ্ঠান নাছিল, স্বাস্থ্য বিভাগৰ একো অনুষ্ঠান নাছিল, অটব্য অৰণ্যৰ নিচিনা আছিল। তাত চৰকাৰ আছিল নে নাছিল ৰাইজে গমেই পোৱা নাছিল কাৰণ চৰকাৰৰ কোনো কাৰ্য্যসূচী সেইখিনি অঞ্চলত চলা নাছিল। সেইবিলাকৰ কাৰণে সেইখিনি অঞ্চলত বসবাস কৰা ভূমিপুত্ৰ বড়ো সকলৰ মনত সদায় এটা অসন্তুষ্টি যে চৰকাৰে আমাক নাচায়, একো সুবিধা নিদিয়ে। সেই অসন্তুষ্টি লাহে লাহে আন্দোলনমুখী হৈ গ'ল। All Bodo Students Union ৰ নেতৃত্বত হোৱা আন্দোলনৰ আগতেও আমি বিভিন্ন ৰাজনৈতিক দলৰ বিভিন্ন দল সংগঠনৰ দ্বাৰা অঞ্চলটোৰ অৱহেলিত জনগোষ্ঠীৰ উৎকৰ্ষ সাধনৰ কাৰণে আন্দোলন হোৱা আমি দেখিবলৈ পাইছো। বিশেষকৈ ১৯৬৭ চনত দুটা সংগঠন আমাৰ এইখিনি অঞ্চলত জন্ম হৈছিল, এটা হ'ল -Plains Tribe Council of Assam, এটা ৰাজনৈতিক দল আৰু লগতে All Bodo Students Union একে বছৰতে আৰম্ভ হৈছিল আৰু এই Plains Tribe Council of Assam য়ে ৰাজনৈতিক দল হোৱা হেতুকে ৰাজনৈতিক আন্দোলন আৰম্ভ কৰিছিল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা জনজাতি জনগোষ্ঠী সকলক লৈ এটা সুকীয়া ৰাজ্য উদয়াচল লাগে বুলি কৈ। তেতিয়া কিন্তু All Bodo Students Union য়ে আন্দোলনটোত জড়িত হোৱা নাছিল কিন্তু পৰোক্ষভাৱে তেওঁলোকে সহায় কৰিছিল। সেই আন্দোলন বহু বছৰ হৈছিল কিন্তু যথেষ্ট দুৰ্বল হোৱা কাৰণে সফল হ'ব নোৱাৰিলে। তথাপিও তেওঁলোকে জনজাতি জনগোষ্ঠীৰ মাজত নিজৰ অধিকাৰ সম্পৰ্কে, নিজৰ দাবী উত্থাপন কৰা সম্পৰ্কে এটা অনুপ্ৰেৰণা জগাই থৈ গ'ল। এটা Sentiment জগাই থৈ গ'ল আৰু তেওঁলোক বিফল হোৱাৰ পাছত ১৯৮৭ চনৰ পৰা স্বৰ্গীয় উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নেতৃত্বত এটা আন্দোলন হ'ল All Bodo Students Union ৰ নেতৃত্বত আৰু সেই আন্দোলন খুব তীব্ৰতৰ হৈছিল। খুব কম সময় আন্দোলন হোৱা সত্বেও কিন্তু ইয়াৰ প্ৰভাৱ সুদুৰপ্ৰসাৰী আছিল। অসমৰ বিভিন্ন ঠাইৰ জনজাতিসকলে নিজৰ নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আন্দোলন কৰাৰ যে প্ৰয়োজন আছে এই কথাটো উপলব্ধি কৰিছিল আৰু সেই কাৰণে উপেন্দ্ৰ নাথ ব্ৰহ্মক বিভিন্ন জনজাতিসকলে এজন প্ৰেৰণাদায়ক ব্যক্তি হিচাপে আমি পাঁও। উপেন্দ্ৰ নাথ ব্ৰহ্মা মোৰ প্ৰায় সমসাময়িক কিন্তু মই তেখেতক ষ্টুডেন্ট অৱস্থাত লগ পোৱা নাছিলো কাৰণ মই ছাত্ৰ আন্দোলনত জড়িত নাছিলো। মই প্ৰায় ১৯৮৪ চন মানত তেখেতক লগ পাইছিলো। তেখেতে বড়ো ৰাইজক নিজৰ অধিকাৰৰ বিষয়ে সচেতন কৰিবলৈ গাঁও গাঁও ঘুৰি ফুৰিছিল, সভা কৰি ফুৰিছিল। তেতিয়া মই শিক্ষক হিচাপে হায়াৰ চেকেণ্ডৰী স্কুলত শিক্ষক হিচাপে কাম কৰি আছিলো । তেতিয়াৰ পৰা মই তেখেতৰ সংস্পৰ্শত আহিছো । তাৰ পিচত যেতিয়া তেওঁ সম্পূৰ্ণ আন্দোলনত জড়িত হ'ল তাৰ পিচত তেখেতক লগ পোৱাৰ সুযোগ নাপালো । কাৰণ আন্দোলনত জপিয়াই পৰাৰ পিচত তেখেতক পুলিছে বিচৰা হ'ল । তেও ৱাণ্টেড হ'ল । তেখেতে যেনে তীব্ৰতাৰে আন্দোলন আৰম্ভ কৰিলে বড়ো জনসাধাৰণে অনুপ্ৰানিত হৈ সহযোগ কৰা আৰম্ভ কৰিলে । ইতিমধ্যে ভৰত নৰহ - দুৰ্গা দাস ডাঙৰীয়াই ক'লে তেখেতে আন্দোলন সমাপ্ত কৰিবলৈ সূযোগ নাপালে কিন্তু ১৯৯০ চনৰ ৩১ মে'ত তেখেত স্বৰ্গগামী হ'ল । আমি আশা কৰিছিলো যে আন্দোলনৰ সমাপ্তিলৈ জীৱিত থকা হ'লে হয়তো আন্দোলন সমাপ্তিৰ চুক্তিমতে যিখিনি ফলাফল হ'ল সেইখিনি হয়তো বেলেগ হ'লহেতেঁন । যিয়েই নহওক এই সুযোগ্য সন্তানক আমাৰ মাজত আমি পাইছিলো, তেখেত খুব কম সময় জীয়াই আছিলে আৰু এই ক'ম সময়তে তেখেতে প্ৰতিটো জনজাতি সকলক অধিকাৰ

সাব্যস্ত কৰিবলৈ সচেতন কৰিলে এইটো আমি পাহৰিব নোৱাৰো । তেওঁৰ আজিৰ এই জন্মদিনটোত অসম চৰকাৰে ‘ ছাত্ৰ দিবস ’ হিচাপে ঘোষণা কৰা এই দিনটোত কিছু কথা ক’বলৈ সুযোগ পোৱাৰ বাবে অসম চৰকাৰক ধন্যবাদ দিছো লগতে তেখেতকো শ্ৰদ্ধা জ্ঞাপন কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া শ্ৰীমনোৰঞ্জন তালুকদাৰ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বক্তব্যৰ প্ৰথমতে মই বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাক মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো লগতে চৰকাৰকো ধন্যবাদ জনাইছো যে তেখেতসকলে এটা সঠিক সিদ্ধান্ত লৈছে ছাত্ৰ দিৱস হিচাপে সন্মান যছাৰ বাবে । মই ছাত্ৰ হৈ থাকোতে তেখেত মোতকৈ বহুত জুনিয়ৰ আছিল । আমি বিশ্ববিদ্যালয় এৰাৰ পিচত তেখেত বিশ্ববিদ্যালয়ত আহিছিল । কিন্তু ছাত্ৰ আন্দোলনৰ মজিয়াত মই তেখেতক দুইবাৰ লগ পাইছিলো । সেই সময়ত তেখেত যেনেধৰণৰ চিন্তা চৰ্চা কৰিছিল ৰাজনৈতিক দিশত তেখেতৰ চিন্তাৰ লগত আমাৰ চিন্তাৰ মিল আছিল । আমিও বিচাৰিছিলো আগুৱাৰ চিক্স চিডিউলত ট্ৰাইবেলসকলক স্বায়ত্ব শাসন দিয়াৰ ব্যৱস্থা কৰিব লাগে । কিন্তু সাংবিধানিক বাধা এটা আছিল আমি সেইটো সৰ্বভাৰতীয় ক্ষেত্ৰতএই বিষয়টো উত্থাপন কৰিছিলো আৰু সংবিধান সংশোধন কৰি হ’লেও ট্ৰাইবেলক চিক্স চিডিউল দিব লাগে । আজি ভৰত নৰহ ডাঙৰীয়াই কৈছে , আজি মই তেওলোককো দোষাৰোপ কৰিম যে দীৰ্ঘায়িত কৰিছে তেওলোকে এই বিষয়টো সমাধান কৰাৰ বাবে যাৰ বাবে ৰাজ্যখনৰ বহু ক্ষতি হৈছে । তেতিয়াই যদি তাৎক্ষণিকভাবে এই বিষয়টো সিদ্ধান্তত আহিব পৰা গ’লহেতেঁন তেতিয়াহ’লে ইমানখিনি ৰক্তক্ষয় নহ’লহেঁতেন । কিন্তু যিয়েই নহওঁক শেহতীয়াভাবে চিক্স চিডিউল মানি লোৱা হৈছে । এইক্ষেত্ৰত মোৰ বক্তব্য হ’ল যে বিয়ণ্ড চিক্সচিডিউল

যদি আমি যাব লগা হয় , গৈ হ’লেও ট্ৰাইবেলৰ স্বায়ত্ব শাসনৰ বিষয়টো সমাধান কৰিব লাগে । নহ’লে এটা জনগোষ্ঠী দীৰ্ঘদিন পশ্চাতপদ হৈ থাকিব এইটো মানি ল’ব নোৱাৰি । আমি বহু সময় নষ্ট কৰিলো, আজি টো শুভ বুদ্ধি উদয় হৈছে । চিক্স চিডিউলত বড়োসকল আহিছে অন্য প্ৰকাৰেও চেষ্টা চলিছে তেওলোকক উন্নয়ণ কৰাৰ বাবে অন্য জনগোষ্ঠীবিলাকো আছে তেওলোকৰ সমস্যাখিনি সংবেদশীল দৃষ্টিভংগীৰে সমাধান যদি আমি কৰিব নোৱাৰো , অসমৰ নিচিনা এখন ৰাজ্য যিখনক মিনি ইণ্ডিয়া বুলি কোৱা হয় - বহু জনগোষ্ঠী আছে ভাষা- সংস্কৃতি, সাহিত্য, ধৰ্মৰ মানুহ আছে । সেই সকলোৰে ক্ষেত্ৰত এটা সংবেদনশীল দৃষ্টিভঙ্গী লৈ আমাৰ সংবিধানখন প্ৰয়োজন অনুসাৰে সংশোধন কৰি যিটো আমি সলনি কৰিলো প্লেন ট্ৰাইৱচৰ ক্ষেত্ৰত - এদিন সময় ললো কাৰণ গোবিন্দ বসুমতাৰী ডাঙৰীয়াই কৈছিলে সেই সময়ত আমি স্কুলৰ ছাত্ৰ । চৰণ নাজাৰীহঁত আছিল সেইসময়ত লিপি আন্দোলনত মোৰ সমষ্টিৰ বৰপেটা ৰোডত পুলিছৰ গুলি চলিছিল । এই সময়ত এনেধৰণৰ দুৰ্ভাগ্যজনক ঘটনা ঘটিছিল আৰু এই ঘটনাবিলাক লাহে লাহে গৈ বেলেগ ৰূপ ল’লে আৰু উপেন্দ্ৰ নাথ ব্ৰহ্মাই এই নেতৃত্বটো দিছিলে যদিও ডিভাইড আছাম ফিফ্‌টি ফিফ্‌টি শ্লোগানটো আছিলে কিন্তু মই নাভাবো যে উপেন্দ্ৰ নাথ ব্ৰহ্মাই আন্তৰিকতাৰে অসমখনক বিভাজিত কৰিব বিচাৰিছিল । হয়তো তেওঁ এইটো কেতিয়াও বিচৰা নাছিল কিন্তু তেওলোকৰ অধিকাৰ বড়োসকলৰ বিকাশ, অৰ্থনৈতিক উন্নযন, ভাষা, সাহিজ্য সংস্কৃতিৰ সংৰক্ষণ এইখিনিৰ বাবে চিক্স চিডিউলটোৰে সেই সময়ত একমাত্ৰ সমাধানৰ ৰাস্তা আছিল। আল্টিমেটলী আমি এই ৰাস্তাটো গৈ সমাধান কৰিলো কিন্তু আমাৰ বহু দেৰী হ’ল । সেই সময়ত যেতিয়া ভৰত নৰহ ডাঙৰীয়াসকল ক্ষমতাত আহিল আৰু চাৰ্কোলাৰ জাৰি কৰিলে তেতিয়া এইটোৰে যথেষ্ঠ ক্ষতি কৰিলে কিন্তু মই এতিয়া এই বিতৰ্কত নাযাও । উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ জীৱন বীক্ষা, বড়ো জাতিৰ প্ৰতি যিটো ধ্যাণ ধাৰণা এই ক্ষেত্ৰত আমিও

সন্মান জনাইছিলো । এই ক্ষেত্রত আমাৰো একেমত আছিল। সেই কাৰণে উপেন্দ্ৰ নাথ ব্ৰহ্মাক পুনৰ শ্ৰদ্ধা জনাই পুনৰ দোহাৰিছো যে বিজেপি চৰকাৰে যিটো সিদ্ধান্ত লৈছে সেইটো অতি উত্তম সিদ্ধান্ত । আমি অধিক সচেতন হ'ব লাগিব যে, অসমত যিবিলাক আন আন জনগোষ্ঠীয় সমস্যা আছে সেইবিলাকৰ সমাধান উলিয়াব লাগিব আৰু ইয়াকে কৈ মই পুনৰ উপেন্দ্ৰ নাথ ব্ৰহ্মাক আন্তৰিক শ্ৰদ্ধা জনাই মোৰ বক্তব্য সামৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ .. এতিয়া অখিল গগৈ ডাঙৰীয়া ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, আপোনালোক সকলোৱে জানে যে মই সদায় চৰকাৰৰ বিৰুদ্ধে কৈ থাকো কিন্তু আজিৰ দিনটোত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াৰ জন্মদিনটো চৰকাৰে ছাত্ৰ দিৱস হিচাপে পালন কৰিবলৈ লোৱা সিদ্ধান্তটোক মই অন্তৰেৰে প্ৰথম বাৰৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো । উপেন্দ্ৰ নাথ ব্ৰহ্মক মই ফিজিকেলী লগ পোৱা নাই কিন্তু মোৰ তেখেতৰ লগত এটা ইন্টাৰেষ্টিং সম্পৰ্ক আছিল। মই যেতিয়া ১৯৯৩ চনত কটন কলেজত পঢ়িবলৈ আহিছো আৰু তিনিটা বছৰে যিখন বিছনাত শুইছিলো সেইখন আছিলে উপেন্দ্ৰ নাথ ব্ৰহ্মৰ । তেতিয়া আমি কটন কলেজত আন্দোলনবিলাক আৰম্ভ কৰিছিলো, তেতিয়া মোৰ লগৰীয়াসকলে জোকাইছিলে যে ই উপেন্দ্ৰ নাথ ব্ৰহ্মৰ বিছনাত শুই আছে গতিকে ইয়ো এই আন্দোলনেই কৰিব।

এই ব্যক্তিগত কথাবিলাক মই আজি ইয়াত স্মৰণ কৰিলো । মই ২০১৮ চনতে এখন কিতাপ লিখিছিলো 'অসম জাতীয়াতাবাদৰ স্বাধীনতা প্ৰতিষ্ঠাৰ সংগ্ৰাম ' । তাত মই দেখুৱাব বিচাৰিছিলো যে, অসমীয়া জাতীয়তাবাদ আৰু জনজাতীসকলৰ জাতীয়তাবাদ এইটো পেৰেলেলী জন্ম হৈছিল কিন্তু তাৰ পিচতো আমি অসমীয়া মানুহবিলাকে সদায় বৰ্ণবাদী দৃষ্টিকোণেৰে আমি ট্ৰাইবেলসকলক ভাই-ভনী বুলি কৈ থাকো। কিন্তু আমি তেখেতসকলক ককাই বুলি কিয় নকওঁ? এই যিটো আমাৰ পুৰনি ভূমিপুত্ৰসকলক সন্মান নকৰা আৰু তেওলোকক আমাতকৈ অলপ কম বুলি ভবা এই উচত্মিকা বোধ বা এই মানসিকতাটোয়ে আমি প্ৰকাশ কৰো । আপোনালোকে চাব এই কিতাপখনত মই উপেন্দ্ৰ নাথ ব্ৰহ্ম আবছুত থকা দিনৰ দুখন মেমোৰাণ্ডাম অসমীয়ালৈ অনুবাদ কৰি দিছো । প্ৰথমখন ভাৰতবৰ্ষৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী সন্মানীয় ৰাজীৱ গান্ধী লৈ আছিল। মই পঢ়ি দিছো-

**To,**

**the Hon'ble Prime Minister of India**

**New Delhi ,**

**On the long standing demeand of Bodo Students' Union.**

গোটেই memorandumখন অসমীয়ালৈ অনুবাদ কৰি ২০১৮ চনত প্ৰকাশ কৰি বড়ো সকলৰ এই অধিকাৰটো কিয় আমি সমৰ্থন কৰা উচিত এই কথাটো কৈছিলোঁ। তাৰ পিছত বহু অসমীয়া মানুহে বেয়া পোৱা আৰু এটা বস্তু মই অনুবাদ কৰি দিছিলোঁ, divide Assam fifty fifty. এই যি memorandum ৫৩ টা প্ৰশ্ন আৰু উত্তৰ মই অসমীয়ালৈ অনুবাদ কৰিছিলো ২০১৮ চনত। ২০১৮ চনত অনুবাদ কৰি মই কৈছিলোঁ, যে কিয়নো আমি জনজাতি সকলৰ দাবীবিলাক মানি ল'ব লাগে, এই memorandum খনত এটা মাত্ৰ paragraph কৈ দিব খুজিছো যে কিয়নো আচলতে বড়ো সকলে আমাৰ বিৰূদ্ধে বিদ্ৰোহ কৰিছিল, অসমীয়া জাতিৰ বিৰূদ্ধে বিদ্ৰোহ কৰিছিল? আমি যেনেকৈ দিল্লীৰ বিৰূদ্ধে বিদ্ৰোহ কৰোঁ। তেওঁলোকে দিশপুৰৰ বিৰূদ্ধে বিদ্ৰোহ কৰিছিল। তাত কি কৈছিল অসমীয়া মানুহৰ মনোভাৰ জনজাতি বিৰোধী anti-tribal, অসমীয়া মানুহে জনজাতিয়

এলেকাত অসমীয়া উপনুবেশিবাদ Assam Colonialism গঢ়ি তুলিছে আৰু জনজাতিয় লোকক দমন কৰি আহিছে, অসমীয়া মানুহে অসমীয়া সম্প্ৰাসৰণবাদ expansionism আৰু অসমীয়া উগ্ৰজাতীয়তা বাদ sovereigntismৰ নীতি গ্ৰহণ কৰি আহিছে, অসমীয়া মানুহে অসম খন অসমীয়াৰ বাবেই বুলি ভাৱে জনজাতি লোকৰ নহয়, অসম চৰকাৰ অসমীয়াৰহে চৰকাৰ, অসমৰ মানুহৰ চৰকাৰ নহয়, অসমীয়া মানুহে অন্য মানুহক assimilation কৰিব খোজে। মই এই বাক্যটো এই কাৰণে পাঠ কৰি দিছো যে আমি সকলোৱে শুদ্ধিকৰণৰ এই সময়। আমি সকলোকে জনজাতীয় সকলক ভুমিপুত্ৰ সকলক সন্মান কৰা উচিত। যিখন বি টি আৰ চুক্তি হৈছে মই আশা কৰো যে এতিয়া আটাইয়ে যিহেতু এটা সমিলমিললৈ আহিব খুজিছো, গতিকে বি টি আৰ চুক্তিৰ মূল কথাকেইটা সোনকালে পূৰণ হ'ব লাগে। এটা হ'ল বি টি এ ডি আন্দোলনৰ লগত বা বড়োলেণ্ড আন্দোলনৰ লগত জড়িত যি সকল বন্দি হৈ আছে, সেই বন্দি সকলৰ মুকলিৰ যিটো প্ৰশ্ন, সেই প্ৰশ্নটো আমি খুব সহানুভুতিৰে বিবেচনা কৰিব লাগে। এইটো কথা চুক্তিখনত লিখা আছে। মই আশা কৰো যে চৰকাৰে এইটো সহানুভুতিৰে বিবেচনা কৰিব। দ্বিতীয়তে, বি টি এ ডিৰ উন্নয়নৰ কাৰণে ইয়াত Industry Employment and Eco-tourism ৰ development ৰ কাৰণে ১৫০০ কোটি টকা দিয়াৰ কথা আছিল, এইটো সোনকালে দি বি টি এ ডিক সচাঁকৈ, বি টি আৰক সচাঁকৈ উন্নয়নৰ দিশত আগবঢ়াই নিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** তাৰ পিছত উপেন্দ্ৰ নাথ ব্ৰহ্ম Central University এখন গঠন কৰাৰ কথা আছিল বৰমাত। এতিয়ালৈ সেইখনৰ কাম আৰম্ভ হোৱা নাই। National Sports University কৰাৰ কথা আছিল, সেইখনৰ কাম আৰম্ভ হোৱা নাই, Regional Medical Institute এই খনৰ কাম আৰম্ভ হোৱা নাই, Hotel Management Campus, Mother Dairy Plant, National Institute.

**মাননীয় অধ্যক্ষ** ঃ হ'ব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** এই যিখিনি বড়ো সকলৰ দাবী।

**মাননীয় অধ্যক্ষ** ঃ দাবী কব নালাগে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** এই কথাখিনি অতি সোনকালে কাৰ্য্যকৰী হ'ব লাগে আৰু এইখিনি যদি কাৰ্য্যকৰী কৰে তেতিয়া সেই বড়ো সকলৰ প্ৰতি আমাৰ প্ৰকৃত সন্মান জনোৱা হ'ব আৰু তেতিয়াহে বড়ো সকলে ক'ব যে নহয় আমাক divide Assam fifty fifty নালাগে আমি অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ আৰু আমি একলগতে অসমীয়া জাতিৰ লগত জীৱনে মৰণে থাকিম, এই আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো, ধন্যবাদ। জয় আই অসম। Inquilab Zindabad.

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। সকলো পাৰ্টীয়ে কলে। এতিয়া Rule 54. এতিয়া আছে শ্ৰীবিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন, (সৰুপথাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২৩ চনৰ ৯ মাৰ্চ তাৰিখৰ 'প্ৰতিদিন' কাকতত প্ৰকাশিত 'সৰুপথাৰ নগৰৰ পানীত ভয়াবহ আৰ্ছেনিকৰ উপস্থিতি ঃ চিন্তিত ৰাইজ' শীৰ্ষক বাতৰিটোৰ প্ৰতি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছোঁ। আমি সকলোৱে জানো যে আৰ্ছেনিকৰ উপস্থিতিয়ে মানুহৰ শৰীৰত ভয়ংকৰ বিসংগতি সৃষ্টি কৰিব পাৰে আৰু আৰ্ছেনিকৰ পৰিমান যেতিয়া বাঢ়ি যায় তেতিয়া বিভিন্ন ৰোগব্যধিয়ে দেখা দিয়ে। আমাৰ পানীত আৰ্ছেনিকৰ উপস্থিতিৰ

সম্পৰ্কত নিয়মিতভাৱে পৰীক্ষ নিৰীক্ষা  কৰা নহয়, কিন্তু সৰুপথাৰ নগৰত বিগত সময়চোৱাত খোৱা পানী সম্পৰ্কত আমাৰ যেতিয়া সন্দেহ হৈছিল আৰ্ছেনিক থকা বুলি আমি তেতিয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা State Referral Laboratory লৈ 11 টা sample পঠিয়াইছিলোঁ। এই ১১ টা চেমপ'ল পঠিওৱাৰ পিছত পানীত যি minimum arsenic থাকিব লাগে সেই minimum পৰিমানতকৈ ১১ টা পইন্টতে আৰ্ছেনিকৰ পৰিমাণ বেছি ওলাল। উপাধ্যক্ষ মহোদয়, সৰুপথাৰ নগৰৰ ১১ টা ঠাইৰ পানীত আৰ্ছেনিকৰ উপস্থিতি পৰীক্ষা কৰোতে ১০০ শতাংশ ঠাইৰ পানীত যেতিয়া আৰ্ছেনিকৰ পৰিমাণ প্ৰয়োজনতকৈ বেছি বুলি প্ৰমান হৈছে এই কথাটো যথেষ্ট চিন্তাৰ বিষয়। কাৰণ আৰ্ছেনিকৰ পৰা কেন্সাৰ, হাৰ্টৰ বেমাৰ, ডাইবেটিছ, কিড্নীৰ বেমাৰ, চালৰ বেমাৰ ইত্যাদি বিভিন্ন বেমাৰ হোৱাৰ উপৰিও গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰত আৰ্ছেনিক অতি ভয়ংকৰ মৌল। গৰ্ভৱতী মহিলাৰ সন্তান জন্মান দিবৰ সময়ত বিসংগতি পূৰ্ণ সন্তান জন্ম দিয়াৰ দৰে ঘটনা আৰ্ছেনিকৰ প্ৰভাৱত হোৱা দেখা যায়। সেই কাৰণে বিষয়টো যথেষ্ট গুৰুত্ব বুলি অনুভৱ কৰি নিয়ম ৫৪ ৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিছোঁ।  আশা কৰিছো আহি থকা দিনত কেৱল সৰুপথাৰ নগৰতে নহয় যিহেতু নগৰখনত ১১ টা পইন্টত  test কৰিছিলোঁ, তাৰ দাতিকাষৰীয়া যিবোৰ অঞ্চল আছে, সমূহ অঞ্চলত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা নিয়মিতভাৱে আৰ্ছেনিকৰ উপস্থিতি সম্পৰ্কত পৰীক্ষা নিৰীক্ষা কৰিবলৈ মই অনুৰোধ কৰিছোঁ। তাৰ লগতে এই সময়ত 54 ত notice  দিয়াৰ পৰা আজিৰ মাজত এটা উন্নয়ন হৈছে। আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক বিষয়টো জনোৱাত, মুখ্যমন্ত্ৰী মহোদয়ে তাৎক্ষনিকভাৱে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীক সৰুপথাৰ নগৰৰ খোৱা পানীৰ ব্যৱস্থাটো যিহেতু তাৰ কাষতে ধনশিৰি নদীখন আছে আৰু নদীত পৰিবাহী পানীত কেতিয়াও আৰ্ছেনিক নাথাকে, কেৱল ভূ-গৰ্ভৰ পানীতে আৰ্ছেনিক থাকে। বৰষুণৰ পানীতো আৰ্ছেনিক নাথাকে। সেই কাৰণে ধনশিৰি নদীৰ পৰা পানী উত্তোলন কৰি নগৰবাসীক পানী যোগান ধৰিবৰ বাবে আমি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছিলোঁ আৰু তেখেতে বিষয়টো যথেষ্ট গুৰুত্ব সহকাৰে লৈ বিভাগীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াক এই সম্পৰ্কত নিৰ্দেশনা জাৰী কৰিছে। আমি আশা কৰিছো যে অতি সোনকালে এক প্ৰাক্কলন প্ৰস্তুত কৰি সৰুপথাৰ নগৰৰ সকলো মানুহক আৰ্ছেনিকৰ পৰা মুক্ত ৰাখিবৰ বাবে আমি যাতে চেষ্টা কৰিব পাৰো তাৰ কাৰণে মই অনুৰোধ জনাইছো আৰু আশা কৰিছো সৰুপথাৰ নগৰৰ পৰা দূৰত থকা এলেকাতো, যিবোৰ এলেকাত বিভিন্ন সময়ত আমি দেখিছো, যে যোৱা সময় ছোৱাত সৰুপথাৰত কেন্সাৰ ৰোগৰ প্ৰাদুৰ্ভাৱটো বেছি। বিশেষকৈ সীমান্তবৰ্তী অঞ্চল, সৰুপথাৰ নগৰৰ দাঁতি কাষৰীয়া  অঞ্চলত কেন্সাৰ ৰোগৰ প্ৰাদুৰ্ভাৱ যথেষ্ট বেছি। ইয়াৰ হয়তো এটা কাৰণ আৰ্ছেনিকৰ উপস্থিতি হ'ব পাৰে, সেই কাৰণে নিয়মতভাৱে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা আৰ্ছেনিকৰ এটা পৰীক্ষা কৰা ব্যৱস্থা কৰিব লাগে, মই ইয়াকে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছোঁ, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, আৰ্ছেনিকৰ লগতে তেওঁ কৈছে ওচৰে পাজৰে fluorosis problem আছে।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, বিশ্বজিৎ ফুকন ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ অতি গুৰুত্বপূৰ্ণ কথা বিধান সভাত rule 54 ৰ যোগেদি উপস্থাপন কৰিছে। মই এই কথাখিনি মাননীয় PHE মন্ত্ৰী জয়ন্ত মল্ল ডাঙৰীয়াৰ হৈ উত্তৰটো দিব উলিয়াইছো। এই লিখিত  উত্তৰ পিছত মাননীয় মন্ত্ৰী ডাঙৰীয়াক কম যে আপোনাৰ লগত কথা পাতি কামখিনি যাতে সোনকালে কৰি দিয়ে বা কৰাৰ ব্যৱস্থা কৰে। সৰু পথাৰ নগৰ পালিকাৰ অন্তৰ্ভূক্ত অঞ্চলৰ পানী  যোগান আঁচনিটো

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নহয় এই মুহূৰ্তত এই দায়িত্ব নগৰ পালিকাৰ। খোৱা পানীৰ নিয়মীয়া পৰীক্ষণত নগৰ পালিকা অঞ্চলত থকা ১১ টা অ-গভীৰ নলী-নাদৰ পানীত BIS ৰ দ্বাৰা নিৰ্ধাৰিত পৰিমাণকৈ অধিক মাত্ৰাত আৰ্চেনিকৰ উপস্থিতি ধৰা পৰিছে। ইয়াৰ নিশ্চিত কৰণৰ বাবে আটাইকেইটা উৎসৰ পানীৰ নমুনা গুৱাহাটীত থকা বিভাগত থকা State Referal Laboratory লৈ পঠোৱাৰ ব্যৱস্থা কৰা হয়। SRL ৰ প্ৰতিবেদনটো অধিক পৰিমাণৰ আৰ্চেনিকৰ উপস্থিতি নিশ্চিত কৰা হয়। লগে লগে বিভাগে সৰু পথাৰ নগৰ পালিকা বিহীত ব্যৱস্থা গ্ৰহণৰ কাৰণে অৱগত কৰিছে। ইয়াৰ লগতে সৰু পথাৰ নগৰত থকা গভীৰ নলী-নাদ দুটাৰ পানীও সৰু পথাৰ Sub-Divisional Level Laboratory ত পৰীক্ষা কৰা হয়। উক্ত উৎসহ পানীত আৰ্চেনিকৰ উপস্থিতি ধৰা পৰা নাই। সবিশেষ মই আপোনাক লিখিত ভাবে জনাই দিম। তেখেতৰ নগৰখনত পানী যোগানৰ আঁচনি নতুনকৈ সৃষ্টি কৰিবৰ বাবে অনুৰোধ কৰিছিল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক নিৰ্দেশ দিছে আৰু তেখেতে ইতিমধ্যে কৈছে যে আমি যদি নদীৰ পৰা পানী লৈ আহো তাত আৰ্চেনিক নাথাকিব। যিহেতু তেখেতৰ অঞ্চলত আমাৰ PHE বিভাগে নদীৰ পৰা পানী আনি পানী খোৱাৰ ব্যৱস্থা কৰাৰ কাৰণে তেখেতে কৈছে ব্যৱস্থা ল'ব বুলি তেতিয়া আৰ্চেনিকৰ সমস্যা নাইকীয়া হ'ব। অতি সোনকালে এই আৰ্চেনিকৰ যিটো আমাৰ নতুন আঁচনি হ'ব সেইটোৰ কাৰণে আমাৰ সময় লাগিব। এই বৰ্তমান সমস্যাত কিবা কৰিব পাৰি নেকি মই দুয়োগৰাকী বিভাগীয় মন্ত্ৰীক অশোক সিংঘল ডাঙৰীয়া আৰু জয়ন্ত মল্ল ডাঙৰীয়াক অনুৰোধ জনাম।

**মাননীয় উপাধ্যক্ষ ঃ** কাৰ্য্যসূচী নং -৩ । মাননীয় সদস্য শ্ৰী জলেন দৈমাৰী।

**শ্ৰী জলেন দৈমাৰী, (তামুলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমে মই আজি আমাৰ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম জন্ম দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ দিৱস পালন কৰাৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। অসমৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াকো মই ধন্যবাদ জনাইছো। অসম বিধান সভাত আমাৰ বড়োফাৰ ওপৰত আলোচনা কৰাৰ কাৰণে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। তামুলপুৰ অঞ্চলৰ অতিকৈ গুৰুত্বপূৰ্ণ দিশৰ ওপৰত মই ক'ব বিচাৰিছো। তামুলপুৰ ৰাইজৰ যিখিনি অভাৱ অভিযোগ ইয়াৰ ভিতৰত অন্যতম হ'ল শিক্ষা। আমি দেখিছো তামুলপুৰ অঞ্চলত আমাৰ মুঠ আৰু তথ্য দিব বিচাৰিছো হাইস্কুল আছে ৩৭, উচ্চতৰ মাধ্যমিকৰ সংখ্যা হ'ল ৮ খন, আমাৰ চিনিয়োৰ চেকেণ্ডাৰী আছে ২ খন আৰু ভেন্সাৰ কলেজ আছে ২ খন, ১ খন চৰকাৰী কলেজ নিৰ্মীয়মান হৈ আছে। ৩৭ খন হাইস্কুলৰ ভিতৰত ১০,৬২৫ জন ছাত্ৰ-ছাত্ৰী বৰ্তমান পঢ়ি আছে। আমি শিক্ষাৰ ক্ষেত্ৰত মোৰ তামুলপুৰ সমষ্টিত আশে-পাশে থকা সমষ্টি আছে প্ৰত্যকটো সমষ্টি বিলাকত বিজ্ঞান শাখা বিলাক আছে, B.Sc কলেজ বিলাক আছে। ধৰি লওঁক ৰঙিয়া সমষ্টিত ১ খনকৈ উচ্চতৰ মাধ্যমিকত বিজ্ঞান বিভাগটো আছে। কমলপুৰ সমষ্টিত আমাৰ ১ খনকৈ বেছি উচ্চতৰ মাধ্যমিকত বিজ্ঞান বিভাগটো আছে। পানেৰী সমষ্টি, নলবাৰী সমষ্টি ১ খনকৈ বেছি উচ্চতৰ মাধ্যমিকত বিজ্ঞান বিভাগটো আছে। কিন্তু তামুলপুৰ সমষ্টিত ১০৬২৫ জন ছাত্ৰ-ছাত্ৰী হাইস্কুলত থকা স্বত্বেও এখন মাত্ৰ উচ্চতৰ মাধ্যমিকত বিজ্ঞান বিভাগটো আছে। আমাৰ ৮০ জন ছাত্ৰ-ছাত্ৰী হে বিজ্ঞান পঢ়িবলৈ সুযোগ পাইছে। আমি তামুলপুৰ বাসীয়ে বিচাৰিছো কি কাৰণত আমাৰ ইমান বছৰে বিজ্ঞান শাখাটো অন্তৰ্ভূক্ত হোৱা নাই। আমি জানিব বিচাৰিছো। আমাৰ ৮ খন হাইচেকেণ্ডাৰী আছে তাতে কেৱল কলা শাখাটো পঢ়োৱা হৈছে। বাণিজ্য শাখাত তেনেকুৱা নাই। এখন বাণিজ্য শাখা আছে তাতো বৰ্তমান ভেন্সাৰ কলেজ চলি আছে। আমিও বিচাৰো যেনেকৈ অন্য সমষ্টি

বিলাকত বিজ্ঞান শাখাত পঢ়ে ডাক্তৰ, ইঞ্জিনিয়াৰ ছাত্ৰ-ছাত্ৰী আগবাঢ়ি আছে। আমাৰ তামুলপুৰ সমষ্টিত যিহেতু মেডিকেল কলেজ হ'বলৈ গৈ আছে আৰু ৪ পৰা ৫ বছৰ পিছত সম্পূৰ্ণ হ'ব। আমাৰো ডাক্তৰ, ইঞ্জিনিয়াৰ ছাত্ৰ-ছাত্ৰী সকলক অভিভাৱক সকলে যথেষ্টখিনি উৎসাহি হৈ আছে। আমাৰ ৮০ জন ছাত্ৰ-ছাত্ৰী হে বিজ্ঞান পঢ়িবলৈ সুযোগ পাই। তামুলপুৰ সমষ্টি বেছি আগবঢ়া নহয়, খেতিৰ ওপৰত নিৰ্ভৰ কৰে। বহুতৰে ব্যক্তিগত শিক্ষানুষ্ঠানত পঢ়োৱাৰ বাবে ক্ষমতা নাই। ইয়াৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী লগতে শিক্ষামন্ত্ৰী ডাঙৰীয়াক আমাৰ তামুলপুৰ সমষ্টিৰ কুমাৰিকটা হাইচেকেণ্ডাৰীত বিজ্ঞান শাখাটো প্ৰৱৰ্তন কৰিব লাগে। আমাৰ চুকলাই চেৰপাং, গান্ধীবাৰী আৰু নাওঁকাটা মিলন হাইচেকেণ্ডাৰী বিজ্ঞান শাখাটো প্ৰৱৰ্তন কৰিব লাগে। তেতিয়া হে আমাৰ বহুত ছাত্ৰ-ছাত্ৰী আগবাঢ়িব। তামুলপুৰত থকা ২ খন ভেঞ্চাৰ কলেজ এইবাৰ চৰকাৰী কৰণ কৰাৰ ব্যৱস্থা কৰিব লগে বুলি অনুৰোধ কৰিছো। য'ত আমাৰ ৫০৩৫ জন ছাত্ৰ-ছাত্ৰী অধ্যায়ণ কৰি আছে। আমাৰ তামুলপুৰত B.Ed কলজেৰ কাৰণে চিন্তা-চৰ্চাক কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। যিহেতু এইবাৰ বাজেটত ১৬ খন নতুনকৈ Polytechnic নতুনকৈ খোলাৰ বাবে বাজেটত ধাৰ্য্য কৰা হৈছে। মই মাননীয় উপাধ্যক্ষৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক তামুলপুৰত এখন Polytechnic খোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মাননীয় শিক্ষামন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰাজ্যখনত কাৰ্য্যকাৰী কৰিবলৈ মাধ্যমিক বিদ্যালয় সমূহ পুণৰ গঠন কৰাৰ বাবে ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে বিভিন্ন কাৰ্যসূচী হাতত লৈছে। ৰাজ্যখনৰ উচ্চ মাধ্যমিকৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা প্ৰয়োজন অনুসৰি বৰ্তমানৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত অতিৰিক্ত শ্ৰেণী কোঠা নিৰ্মাণৰ বাবে চৰকাৰে ব্যৱস্থা আৰম্ভ কৰিছে। আমাৰ হাতত থকা তথ্য মতে ৫৮ নং তামুলপুৰ বিধান সভা সমষ্টিত বিজ্ঞান শাখাৰ সৈতে এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। কুমাৰীকটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা খোলাৰ বাবে অতিৰিক্ত শ্ৰেণী কোঠা আৰু বিজ্ঞান পৰীক্ষাগাৰ নিৰ্মাণৰ কাম ইতিমধ্যে সমাপ্ত হৈছে। কুমাৰীকাটা হায়াৰছেকেণ্ডাৰী স্কুলত বিজ্ঞান শাখা আৰু বাণিজ্য শাখা খোলাৰ বাবে পদ সৃষ্টিৰ প্ৰস্তাৱ পৰীক্ষা কৰি থকা হৈছে। চৰকাৰৰ অফিচ মেম'ৰেণ্ডাম নং ই ২৪৪৪১৬/ ৮, dated 11-1-2023 অনুসৰি নাওঁকাটা মিলন হায়াৰছেকেণ্ডাৰী স্কুল আৰু গান্ধীবাৰী হায়াৰছেকেণ্ডাৰী স্কুলত বিজ্ঞান শাখা খোলা হ'ব। বৰ্তমানৰ মুল উদ্দেশ্য হৈছে গাঁও পঞ্চায়ত আৰু বিটিচি ৰ গাঁও পঞ্চায়তৰ সমপৰ্য্যায়ৰ অঞ্চল সমূহত য'ত কোনো হায়াৰছেকেণ্ডাৰী স্কুল নাই, সেই অঞ্চল সমূহত থকা হাইস্কুল সমূহক হায়াৰছেকেণ্ডাৰীলৈকে উন্নীত কৰা। আনহাতে আমাৰ ৰি'পৰ্ট অনুসৰি ৫৮ নং তামুলপুৰ বিধান সভা সমষ্টিত দুখন মহাবিদ্যালয় আছে। তামুলপুৰ কলেজ বৰনগৰ আৰু তামুলপুৰ ডিগ্ৰী কলেজ বৰখোপা দুয়োখন মহাবিদ্যালয় বৰ্তমান ভেঞ্চাৰ পৰ্য্যায়ত আছে। ছাত্ৰ সমাজৰ কল্যাণৰ স্বাৰ্থত চৰকাৰে তামুলপুৰ কুমাৰীকাটাত এখন চৰকাৰী আদৰ্শ মহাবিদ্যালয় নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই মহাবিদ্যালয়খনৰ নিৰ্মাণৰ কাম ইতিমধ্যে চলি আছে। আদৰ্শ মহাবিদ্যালয়খনৰ নিৰ্মাণৰ কাম সম্পুৰ্ণ হোৱাৰ পাছত চৰকাৰে প্ৰয়োজন সাপেক্ষে মহাবিদ্যালয় সমূহত বিজ্ঞান শাখা খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উপাধ্যক্ষ মহোদয়, তেখেতে কৰা কেইবাটাও প্ৰশ্নৰ উত্তৰত ইতিমধ্যে বৰ্ণনা কৰা হৈছে। হাইস্কুলক হায়াৰ ছেকেণ্ডাৰীলৈকে উন্নীত কৰা আগুৱাই লৈ যোৱা বিজ্ঞান শাখা

খোলা এই বিষয়ে তেখেতক আমাৰ বিভাগে অৱগত কৰিছে। কিন্তু ভেঞ্চাৰ কলেজৰ provincialization ৰ কিছু নিয়ম মতে হয়। সেই বিষয়ে তেখেতে শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিব। মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম। যদি সেইটো আইনৰ আওঁতাত পৰে, তেখেতৰ সমষ্টিৰ কলেজকেইখনক যাতে provincialize কৰে। যিহেতু যথেষ্টখিনি উত্তৰ তেখেতে পাইছে আৰু বাকীখিনি কামো কৰিবৰ কাৰণে প্ৰচেষ্টা চলোৱা হ'ব বুলি মই সদনক জনাব খুজিছো।

**মাননীয় উপাধ্যক্ষ.**ঃ ধন্যবাদ। এতিয়া ৰুল ৩০১ ত মাননীয় সদস্য বিদ্যাসিং ইংলেং। আপুনি চমুৱাই ক'ব আৰু এগৰাকী সদস্য আছে আমি শেষ কৰিব পাৰিম।

**শ্ৰী বিদ্যাসিং ইংলেং,(ডিফু)ঃ** মাননীয় উপাধ্যক্ষ মহোদয় ২০ মাৰ্চ , ২০২৩ তাৰিখে 'দৈনন্দিন বাৰ্তা' কাকতত প্ৰকাশিত বাতৰি ' কাৰ্বি শান্তি চুক্তিৰ এহাজাৰ কোটিৰ পেকেজৰ অচলাৱস্থা' অনুসৰি পাহাৰীয়া জিলাৰ উগ্ৰবাদী সংগঠনে দিল্লীত ত্ৰিপাক্ষিক চুক্তি কৰিছিল। ফলত পাহাৰীয়া জিলাত শান্তিৰ পৰিবেশ আহিছে। কিন্তু চুক্তি অনুসৰি উন্নয়নৰ কাৰণে ঘোষণা কৰা এহাজাৰ কোটিৰ পেকেজ ব্যৱহাৰ কৰা হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয় ইয়াত Preamble ত লিখা আছে, The Government of India and the Government of Assam have made persistent efforts in the past to fulfill the legitimate aspiration the Karbi people, which led to devolution of more autonomy to the Karbi Anglong Autonomous Council and development of the area. Notwithstanding these initiatives, organizations representing the Karbi people continued to demand for creation of an Autonomous State under Article 244A of the Constitution. In an effort to find a comprehensive and that solution to the issue several rounds of tripartite discussions were recently held with the leaders of Karbi armed groups as well as elected representatives of Karbi people. The negotiations have led to the signing of this Memorandum of Settlement which will ensure greater devolution of autonomy to the Karbi Anglong Autonomous Council, protection of identity, language, culture etc. of Karbi people rehabilitation of cadres of the armed groups and focussed development of the Council area without affecting the territorial and administrative integrity of Assam. The signatory armed groups have agreed to abjure violence and join the peaceful democratic process as established by law of the land.

Signatories আছিল The above Agreement is signed on September 4, 2021 at New Delhi in the presence of Union Minister of Home Affairs and Minister of Cooperation, Shri Amit Shah ji. Representatives of following organisations append their signature to this Agreement:

1. Karbi Longri North Cachar Hills Liberation Front/KLNLF, Pradip

Terang, Chairman.

2. People's Democratic Council of Karbi Longri/PDCK, Kongkat Teron, Vice-Chairman,

3. United People's Liberation Army/UPLA, Wellesley Terrang, Chairman.

4. Karbi People's Liberation Tigers/KPLT, Sam Sing Tisso, Chairman.

5. Karbi People's Liberation Tigers/KPLT, (R) Run Rongpi, Chairman.

6. Karbi People's Liberation Tigers/KPLT, Mansing Kramsa, Chairman.

তাৰে ভিতৰত বিশেষকৈ তেওঁলোকৰ ডিমাণ্ড আমাকো মাজে মাজে লগ কৰি সোঁৱৰাই দিয়ে। The Government of Assam shall set up a Committee to study the demand for notifying Karbi language as an associate language in the State. The Government of India will examine the demand for notifying Karbi people living outside KAAC area as ST in Assam in consultation with the Government of Assam. The Government of Assam may also consider conferring ST(Hill) status to Karbi people living outside KAAC area.

The Government of Assam shall set up a Karbi Welfare Council for focussed development of Karbi people living outside KAAC area.

তাৰে ভিতৰত Special Package কেইটামান দিবলৈ তেওঁলোকে কৈ আছে, এটা হৈছে The Government of India Government of Assam and KAAC shall take necessary measures to rehabilitate the cadres of armed groups. Such measures shall include lump sum payment. এইবিলাক ক্ষেত্ৰটো আছে। তাৰ পিছত আকৌ শেষত হৈছে The Government of India may allocate Rs. 500 crores (Rs. 100 crore per annum) for development of infrastructure in KAAC area additionally the Government of Assam will contribute Rs. 500 crores, (Rs. 100 crore per annum). এইটো দিয়াৰ কথা আছিল। আৰু বিশেষকৈ elected representative Hon'ble Chief Minister of Assam বা Home Minister তেওঁলোকেও বৰ বিশেষ অসুবিধা নাই বুলি কৈছে, কিন্তু officially বিশেষকৈ কমিচনাৰ, সেই সকলৰ হেমাহি, বিশেষকৈ প্ৰচেচ কৰাটোৰ কাৰণে বিৰাট হেমাহি হৈছে তাৰ বাবে দুখ প্ৰকাশ কৰিছে। গতিকে চৰকাৰে যেন এই বিষয়টো অলপ পৰীক্ষা কৰে তাৰ বাবে মই আহ্বান জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ সদনৰ যদি অনুমতি থাকে ১০ মিণিট বঢ়াই ল'ম।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)**ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ জ্যেষ্ঠ সদস্য বিদ্যাসিং ইংলেং ডাঙৰীয়াই "কাৰ্বি শান্তি চুক্তিৰ এহেজাৰ কোটি পেকেজৰ অচলা অৱস্থা" শীৰ্ষক আমাৰ এটা

আলোচনা ৩০১ নং ৰ মাধ্যমেৰে উপস্থাপন কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, যোৰা বিধান সভাত তেখেতে এই বিষয়ে আলোচনা কৰিছিল তেতিয়া উত্তৰ দিছিলো যে গোটেই কথাখিনিৰ আমাৰ প্ৰক্ৰিয়া চলি আছে। ক'তো বন্ধ হৈ যোৱা নাই, প্ৰক্ৰিয়াটো চলি আছে। আৰু যোৱা পৰহিয়ো মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক কাৰ্বি আংলং অটোনোমাচ কাউঞ্চিলৰ ইয়াৰ মুখ্য কাৰ্য্যবাহী সদস্য তুলিৰাম ৰংহাং ডাঙৰীয়াৰ নেতৃত্বত সজাতি দলে লগ ধৰিছিল। সন্মানীয় উপাধ্যক্ষ মহোদয়, পাহাৰীয়া জিলাৰ কেইবাটাও বিদ্ৰোহী অস্ত্ৰধাৰী সংগঠনৰ সৈতে শান্তি চুক্তি ২০২১ চনত ৪ছেপ্তেম্বৰ তাৰিখে কেন্দ্ৰীয় গৃহ মন্ত্ৰী মাননীয় অমিত শ্বাহ ডাঙৰীয়া, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু কাৰ্বি বিদ্ৰোহী সংগঠনৰ মাজত কাৰ্বি শান্তি চুক্তি স্বাক্ষৰিত হৈছিল। চুক্তিৰ ৫.১ দফা অনুসৰি কাৰ্বি আংলং অট'ন'মাচ কাউঞ্চিল এলেকাত আন্তঃগাঁথনি উন্নয়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰে মুঠ ৫০০ কোটি টকা (বছৰি ১০০ কোটি টকাকৈ) আৰু অসম চৰকাৰৰ তৰফৰ পৰা মুঠ ৫০০ কোটি টকা (বছৰি ১০০ কোটি টকাকৈ) সৰ্ব্বমুঠ ১০০০ কোটি টকা কাৰ্বি আংলং অটোন'মাচ কাউঞ্চিল এলেকাৰ বাবে আবণ্টন দিয়াৰ কথা ঘোষণা কৰা হৈছিল। উক্ত দফাত অগ্ৰাধিকাৰ ভিত্তিত কি কি প্ৰকল্প গ্ৰহণ কৰিব লাগে তাৰো এটি তালিকা চুক্তিত থকা পৰিশিষ্ট (ক) ত সংলগ্ন কৰি আমি আপোনাক এই বিধান সভাত দিয়াৰ ব্যৱস্থা কৰিম। সেই মৰ্ম্মে কাৰ্বি আংলং অট'ন'মাচ কাউঞ্চিলৰ প্ৰধান সচিবৰ পৰা মুঠ ৮ টা প্ৰকল্পৰ বাবে ৪৬৬.২৪৫ কোটি টকাৰ প্ৰস্তাৱ গৃহ বিভাগে পাইছিল। ইতিমধ্যে ৩ প্ৰকল্পৰ বাবে ধাৰ্য্য কৰা ৩১৬.২৫ কোটি টকাৰ প্ৰস্তাৱ ৰূপান্তৰ আৰু উন্নয়ণ বিভাগলৈ বিহীত ব্যৱস্থাৰ বাবে প্ৰেৰণ কৰা হৈছে। ইয়াৰ উপৰিও ৬ টা প্ৰকল্পৰ বাবে ধাৰ্য্য কৰা ২৪৯.৯৯৫ কোটি টকা SLSC য়ে অনুমোদন দিয়ে। উক্ত অনুমোদনৰ প্ৰতিলিপি পৰিশিষ্ট (খ) ত উল্লেখ কৰিছো আৰু আপোনাক দিয়াৰ ব্যৱস্থা কৰিম। ওপৰোক্ত ৬ টা প্ৰকল্পৰ বিতং তথ্য আপোনাক দিয়াৰ ব্যৱস্থা কৰিছো। কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰণালয়ৰ পৰা উক্ত প্ৰকল্প সমূহৰ অনুমোদন পোৱাৰ পিছত নিৰ্ধাৰিত পুঁজি ভাৰত চৰকাৰে দিব। ঠিক সেইদৰে অসম চৰকাৰৰ তৰফৰ পৰা পাৰ্বত্য অঞ্চল বিভাগৰ পৰা পুঁজি আৱণ্টন দিয়া হ'ব। ২০২২-২৩ বৰ্ষৰ বাজেটত অসম চৰকাৰে গ্ৰেণ্ট নং ৭৬ ৰ Major Head of Account "2225" ৰ অধীনত কাৰ্বি আংলং অট'ন'মাচ কাউঞ্চিল লৈ বিশেষ পুঁজি হিচাবে আবণ্টন দিয়াৰ বাবে ১০০ কোটি টকা ধাৰ্য্য কৰিছে। এইটো বিশেষ পুঁজি। In a resent meeting chaired by Syedain Abbasi,আমাৰ Additional Chief Secretary Syedain Abbasi আৰু কাৰ্বি আংলং অট'ন'মাচ কাউঞ্চিলৰ মাজত এখন মিটিং হৈছিল আৰু ২৭৫ কোটি টকাৰ DPR খুব সোনকালে বনাই দিবলৈ আপোনালোকৰ কাউঞ্চিলক নিৰ্দ্দেশ দিয়া হৈছে। KAAC has been told today similar action for implementation of project 500 crore ৰ দুটা প্ৰজেক্ট। এটা হ'ল ১০০০ কোটি টকাৰ কেন্দ্ৰীয় চৰকাৰৰ আৰু ৫০০ কোটি টকাটো অসম চৰকাৰৰ। এই দুইটাৰ DPR বনোৱাৰ কাৰণে আপোনালোকক নিৰ্দ্দেশ দিয়া হৈছে। আপোনালোকে সোনকালে DPR খিনি আনক আমি দিয়াৰ ব্যৱস্থা কৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকে ১০০ কোটি টকাৰ কথা বছৰত কৈ আছে। কিন্তু মই জলসম্পদ বিভাগৰ পৰা প্ৰত্যেক বছৰে ৫০ কোটি টকা দি আছো। মাননীয় উপাধ্যক্ষ মহেদয় আপুনি জানেই। আমি কাৰ্বি আংলং আৰু BTR ক আঁচলতে দিব নালাগে। কাৰণ তেখেত সকলৰ ইতিমধ্যে নিজা হেড আছে। কিন্তু মই যেতিয়া মন্ত্ৰী হ'লো আমাৰ বৈঠালাংছু অঞ্চলত যথেষ্ট বানপানী হয়। ফলত বৈঠালাংছুৰ পানী আহি ৰহা, হোজাই, নগাঁও, বঢ়মপুৰ আৰু জাগীৰোডলৈকে বিয়পি পৰে। তাত যদি আমি

পানীটো নিয়ন্ত্ৰণ কৰিব নোৱাৰো তেতিয়াহ'লে আমাৰ অঞ্চলবোৰত মহা প্লাৱন হয়। ঠিক তেনেদৰে BTR ৰ মাত্ৰ ৪ খন জিলাত ১৮ কোটি টকাৰ বাজেট ধৰা হয় আৰু তাত সমষ্টি আছে ১৭টা। টি ভি ত এনেকুৱাকৈ টো ক'ব নোৱৰি যে এই অঞ্চলটো BTR ৰ অঞ্চল মোৰ কৰিব লগীয়া নাই। কাৰ্বি আংলঙত বানপানী আহিলে মইটো ক'ব নোৱাৰো যে এইটো কাৰ্বি আংলঙৰ অঞ্চল। গতিকে যোৱা দুটা বছৰত BTR ক প্ৰায় ২০০ কোটি টকা দিছো আৰু কাৰ্বি আংলং অট'ন'মাচ কাউঞ্চিলক ১১০ কোটি টকা দিছো। আপোনালোকে ১০০ কোটিৰ কথা কৈ আছে মই ৫৫ কোটি টকা দেখোন জলসম্পদ বিভাগৰ পৰাই দিলো। গতিকে ইমান হুলস্থুল কৰিব নালাগে, আমি আমাৰ কাম কৰি আছো। সেইখিনিও পাব। কিন্তু বেছিকৈ আপোনালোকক দিয়েই আছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়, দৰাচলতে এটা বিভাগত ১৮ কোটি টকা হয়, এটা ডাঙৰ ডাঙৰ এলেকাত থাকে সেইটো পৰ্য্যাপ্ত পৰিমাণৰ নহয়। আপুনি যিটো পুঁজি দিছে তাতকৈ আৰু বেছিকৈহে দিব লাগে।

**শ্ৰী পিযুষ হাজৰিকা,(মন্ত্ৰী) ঃ** মোৰ মতে দিব লাগে, মোৰ মতে গোটেইখনেই অসম। মোৰ মতে কাৰ্বি আংলং জিলাখন অতি অভিন্ন অংশ আৰু BTR ও আমাৰ অসমৰ অভিন্ন অংশ। মই চিষ্টেমটোহে কৈছো। মই চুক্তিৰ কথাটোহে কৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** ১৮ কোটি, ২০ কোটি দি বহুতখিনি deprive হৈ আছিল। কিন্তু এতিয়া ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ অহাৰ পিছত সুন্দৰভাৱে পায় আছে। এইটো ভাল কথা। মন্ত্ৰী গৰাকীক ধন্যবাদ দিব লাগিব। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, দৈনিক প্রান্তজ্যোতি পত্রিকায় প্রকাশিত জমি, ফ্ল্যাট কিনতে ১৯৫৫ সালের ভোটার তালিকায় নাম বাধ্যতামূলক করে নির্দেশ নয়া সার্কুলার সমস্যায় পরবেন ছিন্নমূলরা, ছিন্নমূল সরনার্থীরা। অধ্যক্ষ মহোদয়, পদ মানে ক্ষমতা নয়। পদ মানে দায়িত্ব। পদ মানে লুটেপুটে খাওয়া নয়। লোকেদের সেবা করা। এটা ভুলে গেলে হয় অহংকাব, তারপরই পতন।

অধ্যক্ষ মহোদয়, আমারা সবাই জানি ১৯৭১, ২৫ মার্চ আসাম আন্দোলন এবং তারপর citizenship act ammend করে **১৯৭১,২৫** মার্চ আমরা সবাই আসামের জনসাধারণ সেটা গ্রহন করলাম। কিন্তু দুঃখের সঙে বলতে হচ্ছে আজকের দিনে দেখা যায় যদি ফ্ল্যাট কিনতে **১৯৬৫** ইংরাজির ভোটার তালিকার দরকার। verification এ **১৯৬৫** এর ভোটার তালিকা দরকার। রেশন কার্ডে **৬৫** ইংরাজির ভোটার তালিকা দরকার। প্রত্যেকটি ক্ষেত্রে **১৯৭১** কাট অফ ইয়াব, কিন্তু **১৯৬৫** এ ভোটার তালিকায় নাম থাকা দরকার। অধ্যক্ষ মহোদয়, আমি একটি কথা বলতে চাই যে সরকার যাদেরকে ভোট ব্যাংক হিসাবে ব্যবহার করে ওদের এই সমস্যাগুলো জানার পরও আপনারা নির্বাক দর্শকের ভূমিকা পালন করছেন। সেটা দুর্ভাগ্যজনক। আমি দায়িত্ব সহকারে বলছি যে **১৯৭১, ২৫** মার্চের আগে **১৯৬০** থেকে **১৯৭১**সালে যারা আসামে আসল আজকের দিনে সেটা বলতে হয় আমি কমলাক্ষ দে পুরকায়স্থ ,আজ যদি রকিবুল হুসেন সাহেবের কাগজপত্র যদি দেখা যায় তাহলে **১৯০১** ইংরাজির কাগজ থাকলে কোন অসুবিধা নেই। সিদ্দেক আহমেদ সাহেবের অনেক আগের কাগজ আছে। কিন্তু আপনাদের ভোটার যারা, আপনারা যাদেরকে ভোট ব্যাংক হিসাবে ব্যবহার করেন তাদের যে সমস্যায় আপনারা নির্বাক দর্শকের ভূমিকা পালন করছেন। অধ্যক্ষ মহোদয়, we are not concern about নাগরিকত্ব বিল। নাগরিকত্ব বিল

নিয়ে আমরা কনসর্নি না। আজকের দিনে আমরা আমাদের অধিকারকে সুরক্ষিত করতে চাই।

অধ্যক্ষ মহোদয়, 1950, Immigration expulsion act IMGT **বাতিল** হওয়ার পর **২০০৫এ** সেই অ্যাক্ট লাঘু করার কথা ছিল। আজ অবদি লাঘু করা হয়নি। আজকের দিনে বিশেষ করে বাঙালিদের সমস্যায় আপনারা নির্বাক দর্শকের ভূমিকা পালন করছেন। আজ বাঙালিরা ফ্ল্যাট কিনতে পারছে না। জমি কিনতে পারছে না। আপনারা দামি গাড়ি চলবেন, দামি বাড়ি বানাবেন কিন্তু আপনারা যাদেরকে ভোট ব্যাংক হিসাবে ব্যবহার করছেন ওদের নাগরিকপঞ্জিতে নাম নেই, ডিটেনশন ক্যাম্পে থাকতে হচ্ছে ওদের আধার কার্ড নেই, ওদের কর্পাস ফান্ড দেওয়া হচ্ছে না। সহিদ স্মাকর ওদের করা হচ্ছে না। আজ বিশেষ করে বাংলা ভাষা আন্দোলনে যারা নিহত হয়েছিল ওদেরকে স্বীকৃতি দেওয়া হচ্ছে না। ওদেরকে কিন্তু আপানারা ভোট ব্যাংক হিসাবে ব্যবহার করছেন। আমি কমলাক্ষ দে পুরকায়স্থ, আমার সকাল থেকে বিকেল পর্যন্ত হাঁটতে হয় এনআরসি হোলে লাইনে দাড়াতে হয় নাগরিকত্ব প্রমাণ দেওয়ার জন্য। অধ্যক্ষ মহোদয়, দুঃখের সহিত বলতে হয় ভোটের আগে সনাতনি আর ভোটের পর খিলঞ্জিয়া। আপনারা যে খিলঞ্জিয়ার অধিকার রক্ষা করবেন, কাদের ভোট নিয়ে খিলঞ্জিয়ার অধিকার রক্ষা করবেন? যারা ভোট দিয়ে সরকার বানালো আজ আপনারা সেই বাঙালিদের সমস্যায় আপনারা নির্বাক দর্শকের ভূমিকা পালন করছেন। মাননীয় অধ্যক্ষ মহোদয়, আজ দুঃখের সঙে বলতে হচ্ছে, আমাদের মাননীয় মুখ্যমন্ত্রী ত্রিপুরায় গিয়ে বলছেন আসামের বাঙালিরা খুব সুরক্ষিত, আসামের বাঙালিরা অনেক ভালো। হয়তো ত্রিপুরার মানুষ জানেনা যে আজ এই বাঙালিদের কি সমস্যা, কি বিপদে আছে। সেই সমস্যাগুলো সমাধানের ক্ষেত্রে আজকের সরকার কোন পদক্ষেপ নিচ্ছে না।

অধ্যক্ষ মহোদয়, অর্জুন নমসুদ্র, **২০১৪** সালে প্রধান মন্ত্রী বরাক ভ্যালিতে গিয়ে বলেছিলেন যে এরকম ঘটনা আর পুনরাবৃত্তি হবে না। **২০১৯** এ ওনার মা আকন বালা নমসুদ্র ওনার নামে ডি'ভোটার নোটিশ আসে। অধ্যক্ষ মহোদয়, এই সমস্যার স্থায়ী সমাধান চাই। এই সমাধানের জন্য আমি আজ বিধানসভায় বলছি আজকের দিনে ফ্ল্যাট কিনতে বাঁধা দেওয়া হয়। আজকের দিনে এই কথাগুলো বলছি এবং আমি মনে করি এটি খুব গ্রহনযোগ্য। আমি বসুন্ধরার কথা বলছি। বসুন্ধরাতে অনেকগুলো এপ্লিক্যাশন করা হচ্ছে সেগুলো সর্ট আউট করা হচ্ছে না, সমাধান করা হচ্ছে না। তাই আমি সরকারের কাছে অনুরোধ করছি যে আপনারা যাদেরকে ভোট ব্যাংক হিসাবে ব্যবহার করেন তাদের সমস্যার ক্ষেত্রে আপনারা নির্মম দর্শক হিসাবে ভূমিকা পালন করছেন সেটাই দুর্ভাগ্যজনক ব্যপার। শেষে একটি সায়েরি বলে আমার বক্তব্য শেষ করছি।

जमाने ने कहा ये हमेरे रक्षक है
इनकी पनाह मे हम सुरक्षित है
अब इनके चेहरो से नकाव हट गया
जमाना अब तेरा क्या होगा ?
जब रक्षक ही भक्षक बन गया ।।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচলনাৰ নিয়মাৱলীৰ ৩০১ নং নিময় অনুসৰি সন্মানীয় বিধায়ক

শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই "দৈনিক প্ৰান্তজ্যোতি সংবাদ" কেপচন প্ৰকাশিত ৩ জানুৱাৰী ২০২৩ চনৰ এটি কথা তেখেতে উল্লেখ কৰিছে "জমি বা মটি ও ফ্লেট কিনোতে ৬৫ চনৰ ভোটাৰ তালিকাৰ নাম বাধ্যতামূলক"।

মই প্ৰথমে কৈছো যে কোনো বাধ্যতামূলক নাই, চৰকাৰৰ notification। কিন্তু চৰকাৰে জমি বা মাটি ও ফ্লেট কিনোতে কিবা কাগজ পত্ৰ বিচাৰিব, প্ৰমাণ কৰিবৰ কাৰণে, কিনোতা জনে ভাৰতীয় নাগৰিক হয় নে নহয়, ভোটাৰ তালিকাত নাম আছে নে নাই। কিন্তু ৬৫ চনৰ ভোটাৰ তালিকাত নাম থকা লাগিব বুলি তেনেকুৱা ধৰণৰ compulsion নাই। এই কথাটো মই প্ৰথমে clear কৰি দিছো।

ইতিমধ্যে Regulatory Act ৰ মতে যিখিনি ফ্লেট বা এপাৰ্টমেন্ট, সেইখিনি ২০০৯ চনত The Registration Act খন সংশোধনী হৈছে। সংশোধনী হোৱাৰ পিছত আকৌ কৰোবাত কৰোবাত DC ৰ permission উঠাই দিয়াৰ কাৰণে খেলিমেলি হোৱাত কেইবাখনো জিলাৰ পৰা আপত্তি অহাত, সেইটো withdraw কৰিবৰ কাৰণে মাননীয় ৰাষ্ট্ৰপতিলৈ proposal দিয়া হৈছে। এতিয়ালৈকে সেইটো অহা নাই। ইয়াৰ Regulatory Act ৰ মতে পূৰ্বতে permission লৈছিলে, সেইসকলৰ কোনো permission ৰ দৰকাৰ নাই। তেওঁলোকে DC ৰ permission নোলোৱাকৈ ফ্লেট, জমি বা মাটি এপাৰ্টমেন্ট চহৰবিলাকত কিনিব পাৰিব। সেইখিনি আইন বাহাল আছে। গতিকে সন্মানীয় সদস্যগৰাকীয়ে কোৱা ধৰণে ভোট বেংক আদি ব্যৱহাৰ কৰা, এইবিলাকত চৰকাৰৰ কোনো ধৰণৰ policy নাই। গোটেই কথাখিনি মই ভাৰো সন্মানীয় সদস্যগৰাকীয়ে মনে সাজি কৈছে। আমাৰ ভাৰতীয় সংবিধানত এনেকুৱা Rule & Regulation ত যেনেধৰণে notification আছে, সেই মতে DC য়ে কাম কৰে, notification মতে যিখিনি documents লাগে, সেইখিনি এজন নাগৰিক হিচাপে দিবই লাগিব যদি আমি কৰবাত ফ্লেট বা জমি কিনিবলৈ বিচাৰো। এইখিনি বৰাক ব্ৰহ্মপুত্ৰ বুলি নহয়, অসমৰ প্ৰতিখন জিলাতে DC য়ে এইবিলাক নথি পত্ৰ বিচাৰিব। এই নথি পত্ৰসমূহ দিয়াটো আমাৰ প্ৰত্যেকজন ভাৰতীয় নাগৰিকৰ দায়িত্ব।

এই কথাখিনি মই ভাৰো সন্মানীয় সদস্যজনৰ The Registration (Assam Amendment) Act.2009 ৰ হাতত জমা দিয়া আছে। ইয়াতে sub section 21A, এইটোহে সংশোধনী হৈছিল আমাৰ চৰকাৰৰ দিনত। যাতে কোনো ধৰণৰ DC ৰ পৰা permission বিচাৰি হাবাথুৰি খাব নালাগে। এটা দীঘলীয়া প্ৰক্ৰিয়া সহজ কৰিবৰ কাৰণে চৰকাৰে, মানুহক সকাহ দিয়াৰ কাৰণে আইনখন সংশোধনী কৰিছিল। সেই আইনখন সংশোধনী কৰাৰ কাৰণে কাম কাজ আৰম্ভ কৰোতে যিহেতু কিছু খেলিমেলি দেখিলে, কিছুমান ব্যক্তিয়ে জধে মধে মাটি হস্তান্তৰ কৰা, এনেকুৱা ধৰণৰ কাম আৰম্ভ কৰা। চৰকাৰৰ ইয়াৰ ওপৰত দৃষ্টিগোচৰ হোৱাত সেই আইনখন পুনৰ repeal কৰি proposal টো ইতিমধ্যে মাননীয় ৰাষ্ট্ৰপতি পৰা approval আহিলে, সেইখিনি আকৌ কাৰ্য্যকৰী হ'ব। কিন্তু ইয়াৰ যিখিনি Regulatory Act ৰ মতে যিখিনি আছে, আগতে permission লৈ থৈছে, সেইখিনি DC ৰ পৰা permission নোলোৱাকৈ তেওঁলোকে কিনা বেচা কৰা ব্যৱস্থাটো চলি আছে। গতিকে ইয়াত ৬৫ চনৰ ভোটাৰ লিষ্টত নাম থাকিব লাগিব যে এই কথাটো এখন notification তো নাই। এই Registration Act ত গতিকে DC বিলাকে satisfy হ'ব লাগিব। বোৰ্ডাৰ এৰিয়া বিলাকত কিছুমান সমস্যা থাকে। কৰবাত হয়তো illegal migration থাকিব পাৰে। গতিকে কাগজ পত্ৰটো চৰকাৰে বিচাৰিবই। DC ৰ লগত কথা পাতিলে

মাননীয় বিধায়ক জনে clear হ'ব। এনেকুৱা বাধ্যতামুলক নহয়, মই গোটেই আইনখন চাইছো। কিন্তু ভোটাৰ তালিকাত নাম থকা, বেংক একাউন্ট থকা, আধাৰ থকা, এইবিলাক প্ৰয়োজন আজিৰ তাৰিখত আছে। DBT system চলি আছে। ইতিমধ্যে মাটি বাৰী নাজাৰিৰ ক্ষেত্ৰত Mutation চলি আছে, এইখিনি কৰিবৰ কাৰণে online upload কৰিব লাগিব। মই গোটেইখিনি বুজাই দিছো, সেই গতিকে মাননীয় বিধায়কে ভোটৰ তালিকা ব্যৱহাৰ কৰা বা ভোট বেংক ব্যৱহাৰ কৰা, এই বিলাক কথা যাতে এই পবিত্ৰ সদনত নানে, তাৰ প্ৰতি অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। সদন দিনৰ ২.০০ বজালৈ স্থগিত ৰখা হ'ল।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া " দি আসাম ডমেষ্টিক ওৱাৰ্কাৰ্ছ (ৰেগুলেশ্যন অৱ ওৱৰ্ক এণ্ড্ চ'ছিয়েল ছিকিওৰিটি বিল, ২০২৩" মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াক বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে " দি আসাম ডমেষ্টিক ওৱাৰ্কাৰ্ছ ( ৰেগুলেশ্যন অৱ ওৱৰ্ক এণ্ড্ চ'ছিয়েল ছিকিওৰিটি) বিল, ২০২৩" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো ।

অধ্যক্ষ মহোদয়, আমি আজি আমাৰ দেশৰ ৭৫ তম্ স্বাধীনতাৰ অমৃৎ মহোৎসৱ চৰকাৰে ভাবে যিটো ঘোষণা কৰিছে সেই খিনি উদ্‌যাপন কৰি আছো আৰু এই খিনি সময়তে মই এখন গুৰুত্বপুৰ্ণ বিধেয়ক গ্ৰহণ কৰিবৰ কাৰণে বিধান সভাত উত্থাপন কৰিব বিচাৰিছো । মহোদয়, আমি সকলোৱে জানো আমাৰ ঘৰুৱা গৃহ কৰ্মী আমাক সকলোকে লাগে। আজি আমাৰ দেশত কোৱা হৈছে যে মহিলা সকল সবলীকৰণ হৈছে, তেখেত সকলক চৰকাৰী নিযুক্তিৰ ক্ষেত্ৰত আৰক্ষণ দিয়ে আৰু দেখা যায় যে যিটো অৰগেনাইজ ৱৰ্ক ফৰ্চ তাত বহু মহিলা আগবাঢ়ি গৈছে। এই সকলো খিনি সম্ভৱ হৈছে অৰগেনাউজ চেক্টৰত মহিলা সকলক আমি যেনেকৈ দেখা পাও সেই খিনি হৈছে আনঅৰগেনাইজ চেক্টৰত মহিলা আৰু শিশু কৰ্মী সকলৰ ত্যাগৰ বিনিময়তহে । কাৰণ তেখেত সকলে যদি এই চেক্টৰত যি সকল মহিলাই কাম কৰিবলৈ ওলাই আহে ৰাতিপুৱাই আৰু পুৰুষ সকলৰ নিচিনাকৈ সমানে কাম কৰি আমাৰ দেশৰ প্ৰগতিত আগবঢ়াইছে, অৰ্থনীতিত অৰিহণা যোগাইছে সেই খিনি সম্ভৱ হয় তেখেত সকলৰ হৈ ঘৰুৱা কাম খিনি কেতবোৰ গৃহকৰ্মীয়ে কৰি দিয়াৰ বাবে। এই কথাটো আমি সকলোৱে স্বীকাৰ কৰিবই লাগিব । এই গৃহ কৰ্মী সকলৰ বাবে কেন্দ্ৰীয় চৰকাৰে কোনো সুকীয়া আইন প্ৰয়োগ কৰা নাই। গৃহ কৰ্মী সকলৰ অৱস্থাও খুব ভাল নহয় । ভাৰতবৰ্ষত এনেকুাৰ বহুতো ঘটনা আমি শুনা পাও যে মহিলা সকৰ ওপৰত বিভিন্ন ধৰণৰ নিৰ্যাতন, দৰমহা বন্ধ কৰি দিয়া, অৰ্থনৈতিক বা শাৰিৰীক শোষণ হয় আৰু এই আন-অৰগেনাইজেশ্যন চেক্টৰটোত বহুতো শিশু কৰ্মীও থাকে । আৰু তেওঁলোক বহুতকে ভাল ধৰণে শিক্ষা দিম বুলি অনুন্নত অঞ্চলৰ পৰা চহৰলৈ লৈ অহা হয় । তেওঁলোকক শিক্ষা দিক্ষা দিয়াৰ নামত পৰিয়ালৰ পৰা আতৰাই দিয়াৰ উপৰিও গৃহ কৰ্মী হিচাপে তেওঁলোকক কাম কৰোৱা হয় । এই গোটেই বিলাক চৰকাৰৰ দৃষ্টিগোচৰ হৈছে । ভাৰত চৰকাৰেও ইয়াৰ বাবে পদক্ষেপ ল'ম বুলি এটা সময়ত ঘোষণা কৰিছিল । কিন্তু এই ক্ষেত্ৰত ভাৰত চৰকাৰে এতিয়াও ঘোষণা কৰা নাই । মই যদি এটা কেন্দ্ৰীয় লেবাৰ মিনিষ্টাৰ, ২০১৫ চনত তেখেতে ৰাজ্যসভাত দিয়া এটা কথা কওঁ যে - In India we retify and ILO convention only when the national law and prac-

tices are braught fully into conformity with the provision of the convention in question. Since, the national law and practices are notional conformity, India has not yet retified the ILO convention no 189. তেখেতে লগতে এইটো কথাওঁ কৈছিল যে যিহেতু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহৰো দায়িত্ব থাকে । He said the domestic works falls under the purview of State sphere, it is primarly the responsibility of state government to take action for practicing people including domestic workers from exploitation. অৰ্থাৎ যিহেতু শ্ৰমটো এটা concurent list ৰ বিষয় ৰাজ্য চৰকাৰৰ, সেয়েহে যথেষ্ট কৰণীয় থাকে। সেই গতিকে ৰাজ্য চৰকাৰ সমূহৰ বেছি দায়িত্ব থাকে যাতে গৃহকৰ্মী সকল সুৰক্ষিত হৈ থাকে আৰু তেওঁলোকক যাতে কোনেও শোষণ কৰিব নোৱাৰে তাৰ বাবে প্ৰয়োজনীয় বিধি প্ৰস্তুত কৰিব লাগে ।

২০০৮ চনতভাৰত চৰকাৰে Unrecognised Sector, Social Security Act, 2008 খন বলৱৎ কৰিছিল for providing to unrecognised workers including domestic workers. মহোদয়, গৃহকৰ্মী সকলৰ বাবে প্ৰস্তাৱিত ৰাষ্ট্ৰীয় নীতিত কিছুমান বৈশিষ্ট আছিল যে- বৰ্তমানৰ আইনত গৃহকৰ্মী সকলক অ-সংগঠিত শ্ৰমিক হিচাপে পঞ্জিয়ণ কৰা যাতে এই পঞ্জীয়নে তেওঁলোকৰ অধিকাৰ আৰু সামাজিক সুৰক্ষা লাভ কৰাত সহায় কৰে । তেওঁ লোকক নিজাকৈ ইউনিয়ন গঠন কৰাৰ অধিকাৰ নুন্যতম মজুৰীৰ অধিকাৰ, দক্ষতা বৃদ্ধিৰ অধিকাৰে, গৃহকৰ্মী সকলক নিৰ্যাতন আৰু শোষণৰ পৰা সুৰক্ষা দিয়া, গৃহকৰ্মী সকলক অভিযোগ নিষ্পত্তিৰ বাবে আদালত, ন্যায়াধিকৰণৰ সুবিধা দিয়া, তেওঁলোকক ব্যক্তিগত প্লেচমেন্ট এজেঞ্চী সমূহ নিয়ন্ত্ৰনৰ ব্যৱস্থা কৰা আৰু অভিযোগ নিৰাময়ৰ ব্যৱস্থা কৰা। এই সকলো খিনি অসংগঠিত শ্ৰমিকক সামাজিক সুৰক্ষা প্ৰদানৰ বাবে সামাজিক সুৰক্ষা আইন ২০০৮ অনুসৰি প্ৰভিডেন্ট ফাণ্ড, নিয়োগ, আঘাটৰ সুবিধা, আৱাস গৃহ, শিক্ষাৰ্থীৰ বাবে আঁচনি, শ্ৰমিকৰ দক্ষতা বৃদ্ধি, পেঞ্চন আদিকে ধৰি গৃহ কৰ্মী আৰু অসংগঠিত শ্ৰমিকৰ বাবে উপযুক্ত কল্যাণমূলক আঁচনি প্ৰস্তুত কৰাৰ দায়িত্ব দিয়া হৈছে।

কিন্তু অসম চৰকাৰৰ তৰফৰ পৰা বৰ্তমানলৈ এনে ধৰণৰ কোনো পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই । চৰকাৰী তথ্য অনুযায়ী ইংৰাজী ১৪ মাৰ্চ ২০২৩ চন পৰ্যন্ত অসমত প্ৰায় ৫,৬৭,৬১৯ জন গৃহ কৰ্মী অসংগঠিত খণ্ডৰ শ্ৰমিক হিচাপে আছে । অসমত যিহেতুকে ইমান এটা বিশাল সংখ্যাই অসংগঠিত খণ্ডত কাম কৰি আছে গতিকে এই ক্ষেত্ৰত আইন এখন হোৱাটো অতি জৰুৰী হৈ পৰিছে । শিশু শ্ৰমিক হিচাপেও বহু শিশু অবৈধ ভাবে নানা ঠাইত নিয়োজিত হৈ আছে । ইয়াৰ উপৰিও শিশুক শ্ৰমিক হিচাপে নিয়োজিত কৰি তেওঁলোকৰ ওপৰত বিভিন্ন জনে শাৰীৰিক আৰু যৌন নিৰ্যাতন চলাই থকা বাতৰিও আমি প্ৰায়ে পাই থাকো। সেয়ে এই গোটেই ব্যৱস্থাটোৰ ক্ষেত্ৰত এটা নিয়ন্ত্ৰণ থকা প্ৰয়োজন। আগতে দিল্লী বা অন্যান্য ৰাজ্য বা অসমতো কোৱা হৈছিল যে, বহুধৰণৰ চুৰি আদি ঘটনা হয় গতিকে গৃহকৰ্মী নিয়োগ কৰি থানাত পঞ্জীয়ন কৰিব লাগে। ইয়াৰ যোগেদি তেওঁলোকৰ কিছু মৰ্য্যদাও হানি কৰা হয়। যদি কেৱল থানাত প্ৰয়োগ কৰা হয়। তেনেকুৱা এটা ঘটনা মহোদয়, ১৭৮৫ চনত হৈছিল য'ত SP কলিকতা থমাছ ম'লে নামৰ এজনে কৈছিল যে, Registration of servant is necessary as it is universally acknowledged Almost all robbery are done by aid and convenince of servants অৰ্থাৎ গৃহকৰ্মী সকলৰ সহযোগতেই চোৰ আদি হয়। এই কথাটো কৈছিল ১৭৮৫ চনত।

ঠিক তেনেকৈ Master Servant Law আমাৰ Colonial যেতিয়া চৰকাৰ আছিল, বৃটিছ চৰকাৰ থকাৰ সময়টো ভাৰতত আছিল। ১৭৬৪ চনত কলিকতাত এটা Registration office আছিল। য'ত খ্ৰীষ্টিয়ান যদি কাৰোবাক domestic কামত লগায় তেখেত সকলৰ বাবে সেই অফিচটো খুলা হৈছিল আৰু এইটো registration of menial servant working in christian household. ঠিক তেনেকৈ registration of servants by police যিসকলে servant ৰ master, master সকলে একঅনা পইচাকৈ দিব লাগে আৰু তেওঁলোকৰ ঘৰত কাম কৰা মানুহৰ তাত registration কৰিব পাৰে কিবা অঘটন হ'লে সেই বিষয়ত তদন্ত কৰে। গতিকে এনেকুৰা ধৰণৰ যিখিনি কথা, সেইখিনি আইন যে নাই তেনেকুৰা নহয়। সেইখিনি সময়ত আইনখন আছিল একপক্ষীয়, কিন্তু আমি যিহেতু কল্যাণকামী ৰাষ্ট্ৰ, সেই গতিকে আমাৰ আইনখন কিছু পৃথক হ'ব লাগে য'ত আমি সামাজিক সুৰক্ষা দিব পাৰো। মহোদয়, যিসকল বৰ্তমানে গৃহকৰ্মী হিচাপে কাম কৰে, তেখেত সকলে গোটেই ২৪ ঘণ্টাই কাম কৰিবলগীয়া হয়। কিন্তু প্ৰকৃততে International Labour Organisation য়ে ২০১১ চনত গৃহকৰ্মী সকলৰ বাবে conventional Security ৰ ব্যৱস্থা কৰিছিল, য'ত ৮ ঘণ্টা কাম কৰাৰ কথা কোৱা হৈছিল। তাতকৈ যদি বেছি হয় তেওঁলোকক over time দিয়াৰ উপৰিও তেওঁলোকৰ বাবে rest room বাথৰুমৰ কথা, তেওঁলোকৰ ল'ৰা-ছোৱালী থাকিলে সেইখিনি যাতে creche ঘৰৰ নিচিনা ব্যৱস্থা কৰা হয়, এই গোটেইবিলাক কথা আছিল। তেনেকৈ আমাৰ বহুত বৃদ্ধ আছে যিসকলক care লাগে, সেই care worker ৰ গৃহ কৰ্মীসকলক মজুৰীৰ সলনি সাধাৰণতে মাননি দিয়া হয় আৰু এই মাননিও sufficent নহয় বৰ্তমান সময়ত। ঠিক তেনেকৈ আমাৰ সংবিধানৰ অনুচ্ছেদ ১৫(৩) অনুসৰি মহিলা তথা শিশুৰ স্বাৰ্থত প্ৰয়োজন বুলি ধৰিলে আইন প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ আছে। সেই ফালৰ পৰা গৃহকৰ্মীসকল যিহেতু সমাজৰ আটাইতকৈ vulnerable অংশ অৰ্থাৎ বৃহৎ সংখ্যক মহিলা, তেওঁলোকক লৈ সামাজিক সুৰক্ষা আইন আমি অতি সোনকালে প্ৰণয়ন কৰিব লাগে। আজি কিছুদিন পূৰ্বে যোৱা চেপ্তেম্বৰ মাহত আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই গৃহকৰ্মী সকলৰ বাবে আইন প্ৰণয়ন কৰাৰ কথা উল্লেখ কৰিছিল। অৱশ্যে তেওঁ শিশু শ্ৰমিকৰ পঢ়া আৰু স্বাস্থ্যৰ দায়িত্ব মালিক পক্ষই ল'ব বুলি উল্লেখ কৰিছিল। যিটোৱে আচলতে শিশু শ্ৰমিকক মৰ্য্যদা প্ৰদান কৰিছে। কিন্তু ১৮ বছৰৰ তলৰ কোনো শিশুকে শ্ৰমিক হিচাপে নিয়োজিত কৰিব নালাগে সেই কথাটো আমি সকলোৱে জানো ই আইন বিৰোধী। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ঘোষণা কিছু স্ব-বিৰোধী, আইন বিৰোধী কথাও হয়। মুখ্যমন্ত্ৰীৰ এই ভাষ্যৰ বিপৰীতে ১৮ বছৰৰ উৰ্দ্ধৰ গৃহকৰ্মী সকলক নিয়োজিত কৰা, তেওঁলোকৰ সামাজিক সুৰক্ষা, সন্তানৰ শিক্ষা বৃত্তি, বৃদ্ধ কালত পেঞ্চন, সাপ্তাহিক ছুটী, গৃহকালীন ছুটী আৰু ভাট্টা, স্বাস্থ্য সুৰক্ষা আদিৰ বাবে আইন প্ৰণয়ন কৰাতো অতি জৰুৰী। মহিলা সৱলীকৰণৰ কথা কোৱা হয় যে বেটি বচাও, বেটি পঢ়াও বা মহিলাসকল আগত যাব লাগিব। যিহেতু আমাৰ দেশৰ আধাখিনি মহিলা। গতিকে তেওঁলোকৰ জীৱনৰ মানদণ্ড, সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ উন্নতি হ'লেহে আমাৰ দেশখন আগুৱাই যাব আৰু তাৰ বাবে এই গৃহকৰ্মী সকলৰ যিটো সুবিধা সেই সুবিধাখিনি আমি আইন প্ৰণয়ন কৰি প্ৰস্তুত কৰা দৰকাৰ। মহোদয়, আমাৰ Directive Principle of State Policy ৰ যিটো নিৰ্দেশাত্মক নীতি তাৰ ৩৯ নং অনুসৰি পুৰুষ বা মহিলা যিয়েই নহওঁক কিয় তেওঁলোকে সমান কামৰ বাবে সমান মজুৰি পাব লাগে, equal pay for equal work এই অনুসৰিও গৃহকৰ্মীসকল সম্পূৰ্ণৰূপে বঞ্চিত হৈ আছে, য'ত অসংগঠিত

খণ্ডৰ পুৰুষ শ্ৰমিকতকৈ মহিলা শ্ৰমিকে ঘণ্টা হিচাপত ৩০ টকা মানহে উপাৰ্জন কৰে। এই নীতিত এইবুলি উল্লেখ আছে যে adequate livelihood ৰ মৰ্য্যদা পাব লাগে লিংগ ভেদে। কিন্তু গৃহকৰ্মীসকলক ইয়াৰ পৰা আমি বঞ্চিত কৰি থৈছো। গতিকে মহোদয়, যিখন আমি আইন আজি ইয়াত ব্যক্তিগত সদস্যৰ বিল হিচাপে উত্থাপন কৰিছো, মই ভাৱো এইখনৰ ওপৰত আমাৰ সন্মানীয় সদস্য সকলেও মতামত দিব আৰু চৰকাৰেও যিখিনি পৰামৰ্শ ইয়াত দিছে, বিলখনত সেইখিনি গ্ৰহণ কৰিব। আমাৰ যিসকলৰ বাবে আমি সব কা চাথ, সব কা বিকাশ বুলি কওঁ, এই অসংগঠিত খণ্ডৰ মহিলা শ্ৰমিকসকল, শিশু শ্ৰমিকসকল আৰু যিসকলৰ বাবে বৰ্তমান unorganised হৈ থকাৰ বাবে কোনো এটা ভাল platform নাই। তেখেতসকলে আমাৰ স্বাধীন দেশৰ নাগৰিক হিচাপে আমি সকলোৰে বাবে যিখিনি কথা কওঁ, সেইখিনি কোৱাত বেছি সুবিধা হয়। গতিকে এই বিলখন বিবেচনাৰ বাবে উত্থাপন কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** কোনোবাই যদি এই বিলৰ ওপৰত কিবা ভাষণ ৰাখিব খোজে, ৰাখিব পাৰে।

**শ্ৰীদিগন্ত কলিতা, (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে ইয়াত finally reply দিব। কিন্তু যিহেতু বিলখন উত্থাপিত হৈছিল তাৰ ওপৰত মই অলপমান অৱগত কৰিব বিচাৰিছো। বিলখনৰ concept টো ভাল, concept টো আমি কেতিয়াও নকওঁ। কিন্তু কথা হ'ল যে, অসম চৰকাৰে হওঁক বা ভাৰত চৰকাৰেই হওঁক ইয়াৰ বাবে কিছু ব্যৱস্থা লৈছে। আপোনালোকে জানে Unorganised Social Security Act 2008.ৰাষ্ট্ৰপতিয়ে গৃহীত কৰিছিল আৰু বিশেষকৈ ইয়াত অসংগঠিত শ্ৰমিক, ঘৰুৱা শ্ৰমিক, পৰিবহণ শ্ৰমিক, ক্ষুদ্ৰ চাহ শ্ৰমিক, দৰ্জী, মেকানিক, মিষ্ট্ৰী, ধুবী, নাপিত আদিৰ সামাজিক সুৰক্ষাৰ কাৰণে চৰকাৰে কিছু আঁচনিৰো ব্যৱস্থা লৈছে। তাৰে ভিতৰত অসমৰ পৰিবহণ শ্ৰমিকসকলৰ বাবে এখন বিশেষ আঁচনি অসম চৰকাৰে প্ৰস্তুত কৰিছে আৰু এই বিত্তীয় বৰ্ষত চাৰে ৯ লাখ টকা ধাৰ্য্য কৰা হৈছে আৰু আপোনালোক সকলোৱে জানে যে আমাৰ ভাৰত চৰকাৰে ই-শ্ৰম নামেৰে এটা portal ইতিমধ্যে register কৰিছে আৰু প্ৰায় প্ৰতিটো সমষ্টিৰে প্ৰায়বিলাক ঠাইতে E-Portal ৰ registration ৰ কাম চলি আছে। ইতিমধ্যে তথ্য অনুসৰি ৫,৬৭,৭৫৪ জন E-Portal ত register হৈছে। ইয়াৰ মূল উদ্দেশ্যটো কি ? ইয়াৰ মূল উদ্দেশ্য হ'ল শ্ৰমিকৰ জীৱন আৰু সামাজিক সুৰক্ষা কৰা। শ্ৰমিকৰ সুবিধাৰ কাৰণে আইন আৰু নীতিৰো ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ এটা database ও বনোৱা হৈছে আৰু E-Portal ত ইয়াৰ সুবিধা আছে। ১৬ বছৰৰ পৰা ৫৯ বছৰ ধাৰ্য্য কৰা, আধাৰ কাৰ্ড বা বেংক লিংকৰ যোগেদি ই-শ্ৰমৰ ব্যৱস্থা কৰা হয়। ইয়াত সুবিধা আছে। ৬০ বছৰৰ পিছত যদি E-Portal ত যদি কোনোবাই register কৰে, ৬০ বছৰৰ পাছত তিনি হাজাৰ টকাকৈ পেঞ্চন পোৱাৰো সুবিধা আছে। আমাৰ সমষ্টিয়ে সমষ্টিয়ে E-Registration ৰ কাম আৰম্ভ হৈছিল বিশেষকৈ কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীৰামেশ্বৰ তেলী ডাঙৰীয়াই কিছুদিন আগতে আমাৰ বিশেষকৈ কমলপুৰৰ জালুকবাৰীত এখন সভাও পাতিছে আৰু সেইদিনা সেই সভাত এই বিষয়ে বহুত আলোচনা কৰিছিল আৰু অসম চৰকাৰৰ বহুত বিষয়াও উপস্থিত আছিল আৰু ই-শ্ৰমত life insurence ত কাৰোবাৰ ২ লাখ টকা আছে, যদি কোনোবা physically disabled হয়, সেইসকলৰ কাৰণে ১ লাখ টকাৰ ব্যৱস্থা আছে। পুৰুষ জনৰ মৃত্যু হ'লে পত্নীয়ে সুবিধাবিলাক পোৱাৰো ইয়াত ব্যৱস্থা ৰাখিছে। মই এই কথাখিনি আপোনালোকক এই কাৰণে ইয়াত আগবঢ়াই দিবলগীয়া হৈছে যে অসম চৰকাৰ এই বিষয়ে যথেষ্ট আৰেগিক আৰু অসম চৰকাৰে নিশ্চয় এই বিষয়ে ব্যৱস্থা কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ত ইতিমধ্যে National Policy for Domestic Workers খন draft

stage ত থকা বুলি আমি শুনিবলৈ পাইছো, কিমান দূৰ সচাঁ-মিছা মই নাজানো, যেতিয়ালৈকে সেইখন finalisation নহয়। বিলখন খুৱ ভাল concept, সেই কাৰণে সেই গোটেইবিলাক অহাৰ পিছত মই ভাৱো নিশ্চয় ইয়াত যিবিলাক কথা আজি উত্থাপন হৈছে, মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় এই বিষয়ে ক'ব আপোনালোকক। সেইবিলাকৰ ওপৰত এটা ব্যৱস্থা লব। মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ২০১২ চনত শশী থাৰুৰ ডাঙৰীয়াই দিল্লীৰ লোকসভাত বিল এখন আনিছিল। আপোনালোকৰ হয়তো মনত আছে। আমি বিচৰিছো যে এখন পূৰ্ণাংগ পলিচি হওঁক। কেন্দ্ৰীয় চৰকাৰে যিখন পলিচি বা এক্ট কৰিব খুজিছে, সেইখনো আহক। তাৰ ওপৰত অসম চৰকাৰৰ কৰিবলগীয়া বহুত আছে আৰু আমি শ্ৰমিকৰ প্ৰতি দায়বদ্ধ। মই ভাৱো যে বিৰোধী দলপতি ডাঙৰীয়া ইয়াত সুন্দৰ আইন এখনৰ কথা কৈছে। আমি সকলো যি ১২৬ জন বিধায়ক আছো, আমি কিয় সংকল্প ল'ব নোৱাৰো যে আমাৰ ঘৰত থকা কাম কৰা ছোৱালীজনীয়েই হওঁক বা বাইজনীয়েই হওঁক বা আমাৰ ঘৰত থকা ল'ৰাজনক আমি উচিত মূল্য দিওঁ। মই ভাবো আমি এতিয়াও সকলোকে সেই পৰ্য্যায়লৈ আনিব পৰা নাই। গতিকে আমি সকলোৱে ইয়াত unofficialy এটা সিদ্ধান্ত ল'ব লাগে যে ঘৰৰ কাম কৰা পুৰুষ বা মহিলা গৰাকীয়েই হওঁক তেওঁক এটা উচিত মূল্য দিয়াৰ চিন্তা-চৰ্চা কৰা। আজি ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত জি এচ টি টেক্সৰ কথা কোৱা হৈছে। সেই টেক্সৰ পৰাও কিছু পইচা add কৰি ঘৰুৱা শ্ৰমিকৰ ক্ষেত্ৰত লোৱাৰ কাৰণে উত্থাপন কৰিছে। মই ভাৱো এইটো এটা কঠিন কাম। ইয়াৰ কাৰণে আমাৰ বিশেষজ্ঞ সকলে চিন্তা-চৰ্চা কৰিব। আমাৰ বিশ্বাস আছে যে ভৱিষ্যতে শ্ৰমিক সকলৰ সুৰক্ষাৰ কাৰণে যি আইনৰ ব্যৱস্থা ল'ব লাগে, মই কেৱল Domestic labour ৰ কথা কোৱা নাই, সকলো ক্ষেত্ৰতে নিশ্চয় অসম চৰকাৰে ব্যৱস্থা ল'ব আৰু অনাগত দিনত ইয়াৰ ওপৰত ভালকৈ আলোচনা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Domestic Worker Bill খন এখন positive বিল। এই কথাটো দিগন্ত কলিতা ডাঙৰীয়াই স্বীকাৰ কৰিছে। ইয়াৰ বাবে মই বিৰোধী দলপতি ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। আমি ইয়াত ১২৬ জন বিধায়ক আছো। আমাৰ ঘৰত মাসি, দিদি যিসকলে কাম কৰে, তেওঁলোকৰ লগত আমাৰ এটা আবেগ জড়িত হৈ আছে। মোৰ মায়ে মোক জন্ম দিছে। কিন্তু মোক লালন-পালন মোৰ মাসি গৰাকীয়ে কৰিছে। আজি এই বিলখন আনিছে, কিন্তু এই বিলখনক কেৱল Private Bill বিল হিচাবে গ্ৰহণ কৰিলে নহ'ব। নিশ্চয় ইয়াৰ ওপৰত আগন্তুক দিনত যদি চৰকাৰে এই বিলখন গ্ৰহণ কৰে আমি ভাল পাম। আজি আমি সু-শাসন, সৱকা সাথ, সৱকা বিকাশ আদিৰ কথা কওঁ। আমাৰ ঘৰত কাম কৰা মানুহ, মাসি সকলৰ বাবে আমি positive কিবা এটা কিয় কৰিব নোৱাৰোঙ্গ আপুনি এতিয়া ক'ব যে আগন্তুক দিনত কিয় হোৱা নাছিল? আগন্তুক দিনত বহুখিনি হৈছিল। কিন্তু আমি এতিয়া এটা stream line হোৱাটো বিচাৰিছো। দ্বিতীয়তে, আমি যদি বাহিৰৰ দেশসমূহলৈ চাওঁ, তাত দেখিম যে লণ্ডনত তেওঁলোকে প্ৰত্যেক ঘণ্টাতে ৬০০ টকাকৈ পায়। লণ্ডনত এনেকুৱা নিয়ম আছে যে আপুনি আপোনাৰ কামৰ মানুহৰ লগত সপ্তাহত এদিনকৈ একেলগে ঘৰত বহি খাব লাগিব। এই যি আন্তৰিকতা সেয়েহে কোনো কাম ডাঙৰ বা সৰু হ'ব নোৱাৰে। আমি আমাৰ দেশপ্ৰেমৰ কথা কওঁ। মই এজন দেশপ্ৰেমী আৰু মই এজন ভাৰতীয়। মই যেতিয়া নিজৰ কামটো নিষ্ঠা সহকাৰে কৰো সেইটোৱেই আমাৰ কাৰণে দেশপ্ৰেম। বিধায়ক হিচাপে যদি আমি নিজৰ

কামখিনি নিষ্ঠা সহকাৰে কৰো সেইটোৱেই আমাৰ কাৰণে দেশপ্ৰেম। আমাৰ ঘৰৰ কাম কৰা মানুহ বা মাসি সকলে যদি নিষ্ঠা সহকাৰে কাম কৰে, সেইটোৱেই তেওঁলোকৰ কাৰণে দেশপ্ৰেম। অৰ্থাৎ প্ৰত্যেকে যদি নিজৰ status ত থাকি নিষ্ঠা সহকাৰে কাম কৰে, সেইটোৱেই তেওঁলোকৰ কাৰণে দেশপ্ৰেম। এই বিলত প্ৰত্যেকটো কথা আৰু প্ৰত্যেকটো ক্লজ আছে, যেনে-আমি এক মাহ আগত নোটিচ দিব লাগে বুলি কোৱা হৈছে। এদিন ছুটী দিব লাগে আৰু ছুটীৰ দিনৰ টকাটো ধাৰ্য্য কৰা হৈছে। এই বিলখন অতি ভাল বিল আৰু মই ভাৱো এই বিলখন গ্ৰহণ কৰিব লাগে। আমি Human Trafficking ৰ কথা কওঁ। কেৱল বহিঃৰাজ্যত লৈ যোৱাটোৱেই Human Trafficking নহয়। মই ভাৱো 14 বছৰৰ তলৰ চহৰৰ ভিতৰত মানুহৰ ঘৰতো যদি কাম কৰে, সেইটোও Human Trafficking ত পৰে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বহুখিনি বিল আনিছে। এই বিলখন গ্ৰহণ কৰিলে মই ভাৱো যে ভাৰতবৰ্ষৰ ভিতৰতে এইটো এটা দৃষ্টান্ত হ'ব আৰু সেইকাৰণে এই বিলখন আপুনি গ্ৰহণ কৰক। ইয়াত হয়তো কিবা ৰেক্টিফাই কৰিবলগীয়া কথা আছে, যেনে- এক মাহ আগত নোটিচ দিব লাগে। লাগিলে সেইটো তিনিমাহ কৰক, যিটো দৰমহা আছে, সেই দৰমহাৰ পৰিমাণটো বঢ়াই দিয়ক। কিবা যদি ইফাল-সিফাল কৰিবলগীয়া আছে, সেইটো কৰক। কিন্তু আপোনালোকে এই বিলখন গ্ৰহণ কৰক। কাৰণ এই বিলৰ লগত আমাৰ আৱেগ-অনুভূতি জড়িত হৈ আছে। এই বিলখন গ্ৰহণ কৰি চৰকাৰে যাতে তৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা এখন Humanitarian Ground Bill যিখন বিলে সকলো জাতি-জনগোষ্ঠীক সাঙুৰি লৈ দুৰ্বল শ্ৰেণীৰ মানুহখিনিৰ কথা চিন্তা কৰি এই বিলখন ড্ৰাফট কৰা হৈছে, তাৰ বাবে বিৰোধী দলপতি ডাঙৰীয়াক আৰু আপুনি মোক উত্থাপন কৰিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনালো। আমাৰ সমাজত যে এনেকুৱা বিলৰ প্ৰয়োজন আছে, সেই কথাটো বহুদিনৰ পৰাই চিন্তা-চৰ্চা চলি আছে। National Commission for Women এ এনেকুৱা এখন বিল বিচাৰে আৰু ২০০৮ চনত তেওঁলোকে ভাৰত চৰকাৰলৈ ড্ৰাফট পঠিয়াইছিল। সেইটো আজিৰ তাৰিখলৈকে ড্ৰাফটৰ পৰ্য্যায়তে থাকিল আৰু Pass নহ'ল। আকৌ ২০১৭চনত Ministry of Labour Welfare এ এটা National Policy Formulation ৰ কাৰণে লোকসভাত এখন বিল উত্থাপন কৰিছিল। কিন্তু সেইখনো সেই পৰ্য্যায়তে থাকিল আৰু এতিয়ালৈকে কোনো National Policy Formulation নহ'ল। আমি যদি এই দুৰ্বল শ্ৰেণীৰ মানুহখিনিৰ কথা চিন্তা কৰো, তেওঁলোকৰ কাম কৰাৰ Decent condition, Humuneration ৰ কথা চিন্তা কৰো, তেওঁলোকে কিমান সময় কাম কৰিব লাগে, সেইটো চিন্তা কৰো, তেতিয়াহ'লে এনেকুৱা এখন বিলৰ খুবেই প্ৰয়োজনীয়তা আছে। কিছুমান ৰাজ্যত বিল পাচোও কৰিছে। গতিকে বিল পাচ কৰাৰ যিবোৰ নিয়ম আছে, যেনে- Registration কৰা District Level Board, State Level Board গঠনৰ কথা কোৱা হৈছে। তাত যদি Registration কৰি Domestic কামত নিয়োজিত হয়, তেওঁলোকৰ সুৰক্ষা আৰু নিৰাপত্তা বাঢ়ি যাব। আজিৰ তাৰিখত একপক্ষীয় হৈ আছে। কিছুমান ঠাইত থানাত জনাব লাগে। তেওঁলোকে যদি কেতিয়াবা চোৰ কৰে বা কিবা বেয়া কাম কৰে, তাৰ বিপৰীতে পদক্ষেপ লোৱাৰ বাবে এইটো কৰা হয়। তেওঁলোকক ঘৰুৱাভাৱে শাৰীৰিক আৰু মানসিকভাৱে নিৰ্য্যাতন কৰা হয় আৰু বহু ক্ষেত্ৰত যৌন শোষণৰো বলি হয়। কিন্তু এই কথাবিলাক ৰিপোৰ্ট কৰা নহয়। তেওঁলোক দুৰ্বল শ্ৰেণীৰ লোক আৰু তেওঁলোকৰ মালিকৰ বিপক্ষে ৰিপোৰ্ট কৰাৰ সাহস

নাথাকে। গতিকে এনেকুৰা এখন আইনৰ খুবেই প্ৰয়োজন আছে। আমি ভাৱো যে এনেকুৰা এখন আইন যদি Formulate কৰিব পাৰো আৰু বোৰ্ড এখন গঠন কৰি তাত Registration কৰি আমি যদি এটা Mechanism Develop কৰিব পাৰো, তেওঁলোকৰ Social and Economical Security দিব পাৰো, তেতিয়া আমি যে সঁচাকৈয়ে এখন Welfare State সেই কথাটো প্ৰতিপন্ন হ'ব। গতিকে এই Welfare State প্ৰতিপন্ন কৰাৰ স্বাৰ্থত আমি ভাৱো যে এই বিল খন পাচ কৰা খুবেই দৰকাৰ। ইয়াত কিছু আৰ্থিক সকাহ দিয়াৰ কথাও কৈছে। বিভিন্ন ক্ষেত্ৰত আমি টেক্স দি আছো। House Appliance ৰ ক্ষেত্ৰত বা Property Tax ৰ ক্ষেত্ৰত যদি Cess বঢ়াই দি তেওঁলোকৰ উন্নয়নৰ কাৰণে ব্যৱহাৰ কৰা হয়, যিটো এইখন বিলত প্ৰভিজন ৰখা হৈছে, নিশ্চয়কৈ এইটো এটা ভাল কাম হ'ব। Humanitarian work হ'ব আৰু তেওঁলোকে এইটো deserve কৰে। গতিকে এই বিলৰ যি প্ৰভিজন আছে, এই সকলোবোৰ প্ৰভিজনৰ মই সমৰ্থন কৰো। বিৰোধী পক্ষই আনিছে আৰু শাসকীয় পক্ষই বিৰোধ কৰিব, সেইটো এটা আমাৰ পৰম্পৰা হৈছে। তেওঁলোকে ইয়াৰ যদি কিবা প্ৰভিজন সংশোধন কৰিব বিচাৰে কৰক। কিন্তু বিলখন গ্ৰহণ কৰাটো খুবেই দৰকাৰী। চাৰ, training impart কৰাৰ কাৰণে কথা এটা mention কৰিছে। আমাৰ Skill Development বিভাগ চলি আছে। Domestic servant যিখিনি আছে, তেওঁলোকক যদি আমি training impart কৰিব পাৰো, তেওঁলোকৰ কামৰ quality improve হ'ব। Housekeeping ৰ ট্ৰেইনিং দ্বিব পাৰে, বৃদ্ধ মানুহক শুশ্ৰূষা কৰা কাৰণেও ট্ৰেইনিং দিব পাৰে। গতিকে এই ট্ৰেইনিংসমূহ দি যিবোৰ ঘৰুৱা মহিলা শ্ৰমিক আছে, তেওঁলোকক যদি upgrade কৰিব পাৰো, তেওঁলোকৰ livelihood টো ভাল হ'ব, ভাল দৰমহা পাব। আমাৰ সমাজৰ মানুহখিনিয়েও ভাল সেৱা পাম। এই সদনৰ জৰিয়তে এই বিধেয়কখন যদি পাছ কৰা হয়, আমি ভাৱো সমাজৰ কাৰণে এটা উল্লেখনীয় সাফল্য লাভ কৰিব পাৰিম। গতিকে, অধ্যক্ষ মহোদয়, মই এই বিধেয়কখনৰ পক্ষত কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী, শ্ৰম কল্যাণ ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, মই সন্মানীয় বিধায়ক শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই অনা বিধেয়কৰ সম্পৰ্কে ক'বলৈ লৈছো। তেখেতক ধন্যবাদ জনাইছো যে তেখেতে এনেকুৰা এটা বিষয় সদনত আনিছে । অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে এই বিষয়টোৰ সম্পৰ্কে ৰাষ্ট্ৰীয় পৰ্যায়ত ঘৰুৱা শ্ৰমিকসকলৰ সামাজিক সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এখন আঁচনিৰ খচৰা প্ৰস্তুত কৰা হৈছে। দেৱব্ৰত শইকীয়াই কোৱাৰ দৰে ইতিমধ্যে ইয়াত চলিত আইন সমূহৰ আওঁতাত ঘৰুৱা শ্ৰমিকৰ অন্তৰ্ভুক্তিকৰণ, ঘৰুৱা শ্ৰমিকসকল অসংগঠিত শ্ৰমিক হিচাপে পঞ্জীয়ন কৰা আৰু অধিকাৰ তথা সুবিধাৰ দ্বাৰা লাভান্বিত কৰা, ঘৰুৱা শ্ৰমিকৰ নিজৰ সংগঠন গঠন কৰাৰ অধিকাৰ দিয়া, ন্যূনতম মজুৰি প্ৰদান কৰা, কৰ্মদক্ষতা বৃদ্ধিৰ অধিকাৰ দিয়া, ঘৰুৱা শ্ৰমিকৰ নিৰ্যাতন প্ৰতিৰোধৰ ব্যৱস্থা কৰা, ঘৰুৱা শ্ৰমিকসকলৰ অভিযোগ প্ৰতিকাৰৰ বাবে আদালতৰ দ্বাৰস্থ হোৱাৰ ব্যৱস্থা ৰখা, স্থানীয় নিযুক্তি সংস্থাবোৰ নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা ইত্যাদি। অধ্যক্ষ ডাঙৰীয়া, অসংগঠিত শ্ৰমিকৰ সামাজিক সুৰক্ষা আইন, ২০০৮ ৰ অধীনত অসংগঠিত শ্ৰমিক যেনে- দৰ্জী, নাপিত, ক্ষুদ্ৰ চাহ-বাগিচাৰ শ্ৰমিক, পৰিবহন শ্ৰমিক ইত্যাদিৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনি লোৱাৰ সুবিধা আছে। এই আইনৰ অধীনত গঠিত অসম সামাজিক সুৰক্ষা পৰিষদৰ অনুমোদন সাপেক্ষে ইতিমধ্যে পৰিবহন শ্ৰমিকসকলৰ বাবে 'অসম মটৰ শ্ৰমিক সামাজিক সুৰক্ষা আঁচনি, ২০২০' অধিসূচনা যোৱা ১৩-০২-২০২৩ ইং তাৰিখে জাৰি কৰা হৈছে। ইয়াৰ দ্বাৰা শ্ৰমিকসকলে

মৃত্যু সাহাৰ্য, বিশেষভাৱে সক্ষম লোকৰ সাহাৰ্য, সংকটজনক ৰোগৰ সাহাৰ্য লাভ কৰিব। পৰ্যায়ক্ৰমে আন আন শ্ৰমিকসকলৰ বাবেও কল্যাণমূলক আঁচনি প্ৰস্তুত কৰাৰ পৰিকল্পনা চলি আছে। ঘৰুৱা শ্ৰমিকসকলৰ বাবে কল্যাণমূলক আঁচনি প্ৰস্তুতিৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰধান সমস্যাসমূহ হ'ল- ঘৰুৱা শ্ৰমিকসকলৰ মূলতঃ অধিকাংশই নিজৰ বৃত্তিৰ সলনি কৰাৰ প্ৰৱণতা অধিক। কোনো এজন গৃহ শ্ৰমিকে একেটা ঘৰতে বহুদিন কাম নকৰে। আজি ইয়াত কৰিছে, কালি হয়তো বেলেগত কৰিব। এনেকুৱা শ্ৰমিকো আছে যিয়ে আগবেলা এটা ঘৰত কৰিলে পিছবেলা বেলেগ ঘৰত কৰে। এনেধৰণৰ কিছু অসুবিধা থকা আমি দেখিবলৈ পাইছো। গতিকে শ্ৰমিকসকলৰ যোগ্যতা প্ৰতিষ্ঠা কৰোতে অত্যন্ত কঠিন পৰিস্থিতিয়ে দেখা দিয়ে। ঘৰুৱা শ্ৰমিকসকলৰ প্ৰাথমিক নিয়োগকৰ্তা মূলতঃ ৰাজ্যখনৰ উচ্চ আৰু মধ্যবিত্ত পৰিয়াল। তেনেক্ষেত্ৰত ১০০% পঞ্জীয়ন আৰু নিয়োগকৰ্তাৰ অৱদান সংগ্ৰহ নিশ্চিত কৰিবলৈ বিশাল ক্ষেত্ৰ পৰ্যায়ৰ যন্ত্ৰ-পাতি আৰু জনশক্তিৰ প্ৰয়োজন হ'ব। আমি যদি ৰাজ্যখনৰ ক্ষেত্ৰত চাঁও তেতিয়া বিশেষকৈ উচ্চ আৰু মধ্যবিত্ত পৰিয়ালৰ ঘৰতে এনেধৰণৰ লোক থাকে। প্ৰস্তাৱিত বিধেয়কত উল্লেখিত ঘৰুৱা সা-সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত সামগ্ৰীত সেৱা কৰ (GST)ৰ উপৰিও অতিৰিক্ত কৰ আৰোপ কৰাটো গ্ৰহণযোগ্য নহয়। য'ত বিভিন্ন ঘৰুৱা সামগ্ৰী কিনা হ'ব তাত GST ৰ উপৰিও অতিৰিক্ত কৰ সংগ্ৰহ কৰাৰ প্ৰস্তাৱ আছে যিয়ে বিভিন্ন ধৰণৰ অসুবিধাৰ সৃষ্টি কৰিব। বিশেষকৈ, গ্ৰাহকসকলক অধিক কৰৰ বোজা জাপি দিয়াৰ পৰিৱেশৰ সৃষ্টি হ'ব। অসমত আমি ইতিমধ্যে e-shram প'ৰ্টেলৰ জৰিয়তে ৭০ লাখতকৈ অধিক শ্ৰমিকৰ পঞ্জীয়ন কৰিছো আৰু এই পঞ্জীয়নৰ ভিতৰত প্ৰায় ৫,৬৭,৯২০ জন গৃহকৰ্মী। তাৰোপৰি, প্ৰস্তাৱিত বিধেয়কখনত দৃষ্টিগোচৰ হোৱা বিসংগতি সমূহ এনেধৰণৰ- ধাৰা ৮ ৰ অধীনত নিয়োগকৰ্তাই নিশ্চিত কৰিব লাগিব যে শ্ৰমিকজনে কাম আৰম্ভ কৰাৰ এক মাহৰ ভিতৰত পঞ্জীয়নভুক্ত হৈছে নে নাই। আনহাতে, ধাৰা ১০ ত কোৱা হৈছে যে নিয়োগকৰ্তাই অপঞ্জীয়নভুক্ত শ্ৰমিকক কামত নিয়োগ কৰিব নোৱাৰিব। ইয়াত ধাৰা ৮ আৰু ১০ পৰস্পৰ বিৰোধী হৈছে। উক্ত প্ৰস্তাৱিত বিধেয়কত কামৰ পৰা শ্ৰমিকক অপসাৰণৰ বিষয়টো স্পষ্টকৈ ব্যাখ্যা কৰা হোৱা নাই। উপৰোক্ত কিছুমান অসুবিধাৰ বাবে আমি আৰু বহলভাৱে এই বিষয়টো আলোচনা কৰিব লাগিব। ইয়াৰ লগতে, মই সদনক জনাব বিচাৰিছো যে ঘৰুৱা কাম-কাজৰ বাবে যেনে- ঘৰ মচা, কাঁহী-বাতি ধোৱা আদি কামত যিসকল লোকে নিজকে জড়িত কৰি থৈছে তেওঁলোকে আমাৰ শ্ৰম বিভাগৰ পৰা এক ঘণ্টা কৰ্মৰত থাকিলে ৩৬ টকা, কেঁচুৱা চোৱা-চিতা কৰাৰ বাবদ ৪৩ টকা আৰু বৃদ্ধলোকক লালন-পালন কৰাৰ বাবদ ৪৩ টকা পাব। এনেধৰণে আমাৰ শ্ৰম বিভাগৰ পৰা ধাৰ্য কৰা হৈছে। এই লোকসকলৰ VDA ৬ মাহৰ ভিতৰত বৃদ্ধি কৰি থকা হৈছে। আনহাতে, GST ৰ ওপৰত অতিৰিক্ত কৰ লগোৱাটো আইনসংগত নহয়। House Tax ইত্যাদি সকলোৰে ক্ষেত্ৰত সম্ভৱপৰ নহয়। কোনোবাই সৰু ঘৰত থাকে, কোনোবাই ডাঙৰ ঘৰত থাকে। এনেধৰণৰ বিভিন্ন আঁসোৱাহবোৰ আছে। আমি সকলোৰে একমত যে নিশ্চিত ভাৱে এই শ্ৰমিকসকলৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবই লাগিব। কিন্তু, এইক্ষেত্ৰত আমি যাতে সঠিক ভাৱে স্থায়ী ব্যৱস্থা ল'ব পাৰো তাৰ বাবে কেন্দ্ৰ চৰকাৰে বিভিন্ন ধৰণৰ চিন্তা-চৰ্চা কৰিছে। আমি সকলোৱে জানো যে Labour Code আহি আছে। শইকীয়া ডাঙৰীয়াই কোৱা পৰামৰ্শখিনি নিশ্চিতভাৱে গ্ৰহণ কৰিছো আৰু আমি যেতিয়া ইয়াক গ্ৰহণ কৰিম তেতিয়া তেওঁলোকৰ যি পৰামৰ্শ আছে সেইখিনি ইয়াত স্থান দিয়া হ'ব, গ্ৰহণ কৰা হ'ব। অধ্যক্ষ মহোদয়, সদনত আজি এই যি বিধেয়কখন অনা হৈছে, ইয়াক

গ্ৰহণ কৰিব পৰা নাযাব বুলি মই আপোনাক অৱগত কৰিছো।

**মাননীয় অধ্যক্ষঃ** কিবা ক'ব নেকি?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা আশ্বাস দিছে যে বিবেচনা কৰা হ'ব, তাৰ বাবে মই তেওঁক ধন্যবাদ জনাইছো। মহোদয়, ২০০৮ চনৰ আইন অনুসৰি ৰাজ্যত Domestic Worker ৰ এখন বোৰ্ড আছে য'ত অসমৰ বিধায়ক প্ৰতিনিধিও থাকিব লাগে। এই বোৰ্ডত আমাৰ কোন কোন বিধায়ক প্ৰতিনিধি আছে অলপমান জনাই দিলে ভাল পাম।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোন কোন আছে, আজি মোৰ হাতত তথ্য নাই নিশ্চিতভাৱে মই আপোনাক জনাই দিম।

**মাননীয় অধ্যক্ষ ঃ** Withdrawal কৰিলেনে?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** হয়, মই Withdrawal কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। সন্মানীয় সদনৰ concent আছে। এইটো Withdrawal হ'ল। এতিয়া The Assam Char Chapori Land Regulation Bill, 2023. মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াক The Assam Char Chapori Land Regulation Bill, 2023 বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Assam Char Chapori Land Regulation Bill, 2023 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

মই ইয়াত background খিনি লগতে কৈ দিওঁ নেকি? অধ্যক্ষ মহোদয়, এই বিলখন introduce কৰাৰ উদ্দেশ্য যিটো statement and object ত দিয়া হৈছে। ইয়াত মূলত দুটা উদ্দেশ্যৰ কাৰণে এই বিলখন আমি introduce কৰিছো। প্ৰথম কথা হ'ল যে অসমত যিসকল landless বা ভূমিহীন লোক আছে তেওঁলোকক সংস্থাপন দিয়াৰ কাৰণে চৰকাৰে কতো মাটি পোৱা নাই কাৰণে বিগত দিনত এই landless লোকসকলে বিভিন্ন মথাউৰি, কোনোবা বনাঞ্চলত বা কৰবাত চৰকাৰী মাটিত যেতিয়া আশ্ৰয় লয় আৰু বিভিন্ন সময়ত তেওঁলোকক চৰকাৰে জাননী দি উচ্ছেদ কৰিবলগা হয়। পাছত এই লোকসকলে কত থাকিব, তেওঁলোকৰ কাৰণে মাটি চৰকাৰে দিব পৰা নাই আৰু তেওঁলোকেও কোনো permanent sattlement পোৱা নাই। এই landless মানুহ খিনিৰ ভিতৰত অধিকাংশই গৰাখহনীয়াত আক্ৰান্ত। এই পবিত্ৰ সদনত চৰকাৰে ইতিপূৰ্বে দিয়া তথ্যমতে বিগত দিনত গৰাখহনীয়াত অসমত ৩,২০০ গাওঁ সম্পূৰ্ণ নদীৰ বুকুত বুৰ গৈছে আৰু প্ৰায় ৯০০ গাওঁ আংশিকভাৱে বিলীন হৈছে। গতিকে এই প্ৰায় ৪,০০০ গাঁৱৰ কেইবালাখ মানুহ আজি ভূমিহীন, গৃহহীন আৰু আশ্ৰয়হীন। গতিকে এই আশ্ৰয়হীন, গৃহহীন লোকসকলক মথাউৰিত গৈ আশ্ৰয় লোৱাৰ কিছুদিন পাছত খেদি দিয়ে কৰবাত বনাঞ্চলত কৰবাত চৰকাৰী মাটিত কৰবাত হয়তো অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানৰ মাটিত তেওঁলোক বহে। গতিকে ৰাজ্য চৰকাৰৰ এই ক্ষেত্ৰত যিহেতু এটা দায়িত্ব থাকে, এইখন নিৰ্বাচিত গনতান্ত্ৰিক চৰকাৰৰ দায়িত্ব হ'ল যে ভূমিহীন, গৃহহীন আৰু আশ্ৰয়হীন লোকসকলক উপযুক্ত সংস্থাপন দি ভূমিৰ ব্যৱস্থা দি তেওঁলোকক rehabilate কৰা। এতিয়া rehabilate কৰিবলৈ ঠাই লাগিব বা মাটি লাগিব। এতিয়া আমি দেখিলো যে বাকী কৰবাত VGR/PGR ত তেওঁলোক বহিলেও আইনমতে Supreme Court

ৰ নিৰ্দেশ মানি তেওঁলোক তাৰ পৰা আঁতৰি আহিব লাগে নহ'লে উচ্ছেদিত হয়। তেওঁলোকে VGR/PGR ত বহিব নোৱাৰে, Forest Land ত বহিব নোৱাৰে। কোনো অনুষ্ঠান- প্ৰতিষ্ঠানৰ মাটিত বহিব নোৱাৰে। গতিকে তেওঁলোকক দিব পৰা বিকল্প ঠাই এটাই, সেইটো হৈছে ব্ৰহ্মপুত্ৰ নদীৰ বুকুত যিবিলাক চৰ চাপৰি গঢ় লৈ উঠিছে সেইবিলাকত যদি এই ভূমিহীন, গৃহহীন আৰু গৰাখহনীত আক্ৰান্ত লোকসকলক যদি সংস্থাপন দিয়া হয় আৰু যদি তেওঁলোকক land allotment দিয়া হয়, তেনেহ'লে সেই ভূমিহীনৰ সমস্যাটো সমাধান হ'ব।

দ্বিতীয় এটা উদ্দেশ্য হ'ল যে চৰ চাপৰিৰ ভূমিখিনিক Marginal Farmer আৰু ভূমিহীন আৰু গৰাখহনীয়াত আক্ৰান্ত লোকসকলক যদি সংস্থাপন দিয়া হয়, এই লোক সকলে পৰিশ্ৰম কৰি কৰি চৰ চাপৰিত সুজলা সুফলা শস্য শ্যামলা, শাক পাচলি উৎপন্ন কৰে। তেতিয়া এফালে কৃষি অৰ্থনীতি develop হ'ব যিটোৱে অসমৰ GDP বহুত ওপৰলৈ লৈ যাব। গতিকে এই দুটা উদ্দেশ্যৰে আমি বিলখন introduce কৰিলো।

অধ্যক্ষ মহোদয়, বিলখনৰ preamble টো মই গাই দিছো - Preamble, whereas it is melaproposed to deprive the landless, erosion affected people and marginal farmers having no sufficient land from and rights. The State Government shall make policies and take certain initiatives to settle the landless people and marginal farmers in char chaporis in the State of Assam to promote agro-based economy of the State producing more agricultural products including vegetables, jutes and paddy along with providing permanent rehabilitation to the eroson affected and landless people. It is hereby inacted in the 74 th year of the Republic of India as follows. এইটো Preamble ৰাখিছো।

বিলখন প্ৰথম preliminary ত ১ নং clause ত short title, extent এইখিনি ৰাখিছো আৰু ২ নং clause ত definition খিনি দিয়া হৈছে।

৩ নং clause ত কোন কোন লোকক চৰ চাপৰিত সংস্থাপন দিয়া হ'ব তাৰ criteria খিনি দিয়া হৈছে আৰু সেই ৩ নং clause ত আমি বিশেষকৈ যিসকল erosion affected, landless and marginal farmer এই তিনিটা category ক priority দিয়াৰ কথাটো ৩ নং clause ৰ sub-clause ১ নং ত কোৱা হৈছে। এই তিনিটা category ৰ চৰ চাপৰিৰ লোকক আবন্টন দিয়া হওক আৰু তেওঁলোকক ১ বিঘাকৈ থকা ঘৰৰ কাৰণে আৰু ৬ বিঘাকৈ কৃষি ভূমি চৰকাৰী নিয়মমতে তেওঁলোকক allotment দিয়া হ'ব। যিসকল landless আৰু erosion affected লোক আছে তেওঁলোকৰ প্ৰমান পত্ৰ চাই, কোন চৰৰ কোন চাইডত কাক ক'ত ক'ত land allotment দিয়া হ'ব সেইখিনি Deputy Commissioner য়ে দায়িত্ব ল'ব আৰু concerned Circle Officer য়ে গোটেই register maintain কৰিব। এই গোটেইখিনি আইনী দফা ৩ নং clause ৰ sub-clause ত criteria খিনি সুমুৱাই দিছো।

৪ নং clause ত দিয়া হৈছে যে তাৰ আগতে State Government য়ে যিসকল erosion affected, landless ভূমিহীন লোক, তেওঁলোকৰ কাৰণে Landless Certificate দিব লাগিব আৰু যিসকলৰ মাটি আছিল কিন্তু সেই সকলো মাটি বাৰী নদীৰ বুকুত জাহ গ'ল, তেওঁলোকক Erosion Affected Certificate আৰু যিসকল Internally Dis-

placed হৈছে তেওঁলোকক Internally Displaced Person হিচাপে Internally Displaced Certificate (IDC) ৰাজ্য চৰকাৰে দিব লাগিব আৰু Certificate ৰ ভিত্তিত তেওঁলোকক সংস্থাপনৰ কাৰণে ব্যৱস্থা কৰা হ'ব।

৫ নং clause ত দিয়া হৈছে যে এই চৰ চাপৰিত সংস্থাপন কৰাৰ ক্ষেত্ৰত যিকোনো জিলাৰ ভূমিহীন লোক, অসমৰ নাগৰিক হ'ব লাগিব বা ভাৰতৰ নাগৰিক হ'ব লাগিব, তেওঁলোকক ইয়াত সংস্থাপন দিব পৰা যাব। ইয়াত কোনো District বা Block বা Circle ৰ কথা থাকিব নালাগে আৰু তাৰ লগে লগে ইয়াত ৬ নং criteria ত চৰ চাপৰিৰ ভূমিখিনি অলপ re-settlement কৰাৰ কথা কোৱা হৈছে কাৰণ ইয়াত অলপ খেলিমেলি আছে। আগতে আমি দেখিছো যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কিছুমান জিলা আছে আৰু দক্ষিণ পাৰে কিছুমান জিলা আছে আৰু কিছুমান চৰ এনেকুৱা আছে যে নদীৰ দক্ষিণ পাৰে কিন্তু উত্তৰ পাৰৰ জিলাৰ লগত তাক সংযুক্ত কৰি থোৱা হৈছে বা main stream ৰ উত্তৰ পাৰৰ চৰক দক্ষিণ পাৰৰ জিলাৰ লগত সংলগ্ন কৰি থোৱা হৈছে যাৰকাৰণে এটা problem হৈছে আৰু এই problem টো সদ্যহতে কেইদিনমান আগতে বুঢ়া চাপৰি অভয়াৰণ্যৰ উচ্ছেদৰ সময়ত শোনিতপুৰ জিলা প্ৰশাসনে যিটো উচ্ছেদ চলালে সেই উচ্ছেদত যিখিনি অভয়াৰণ্য বা forest ত পৰা নাছিল সেই চৰ চাপৰি বিলাকতো উচ্ছেদ কৰিছে। তেওঁলোকক উচ্ছেদ কৰি খেদি পঠিয়াইছে এইকাৰণে যে তেওঁলোকে কৈছে এই চৰ চাপৰি সমূহ আমাৰ শোনিতপুৰ জিলাত পৰিছে। ইয়াত নগাওঁ, মৰিগাওঁ জিলাৰ মানুহ বহি আছে গতিকে আমি উচ্ছেদ কৰিছো। মই শোনিতপুৰ জিলাৰ DC ক গৈ ক'লো যে ধৰি ল'লো যে চৰ চাপৰি বিলাক শোনিতপুৰ জিলাত পৰিছে আৰু মানুহবিলাক যদি নগাওঁ, মৰিগাওঁ জিলাৰ হয় তেওঁলোকতো অসমৰ বাহিৰৰ নহয়। শোনিতপুৰ জিলা অসমত, নদীখন অসমত, চৰ চাপৰি অসমত, নগাওঁ, মৰিগাওঁ জিলা অসমত, অসমৰ মানুহ অসমৰ চৰ চাপৰিত অসমৰ এখন জিলাৰ মানুহে আন এখন জিলাৰ চৰ চাপৰিত থাকিব, আপুনি উচ্ছেদ কৰিছে। এইটো ভূটান, নেপাল, শ্ৰীলংকা, বাংলাদেশ, পাকিস্থান, আফগানিস্থান, ম্যানমাৰ নহয় যে বিদেশৰ মানুহ আহি অসমৰ চৰত বহিছে। অসমৰে এখন জিলাৰ মানুহ আন এখন জিলাত থাকিলে উচ্ছেদ কৰি দিব লাগে। এইখন অসমত নপৰে নেকি? অসমৰ এখন জিলাই আন এখন জিলাক হিংসা কৰিব সেইটোতো নহয়। তাৰ পিছত লগে লগে আহি মই নগাওঁ জিলাৰ DC ক ক'লো যে এইটো কেনেধৰণৰ আইন। নগাঁও জিলাৰ মানুহখিনি যি চৰত বহিছে শোনিতপুৰ জিলাই দাবী কৰিছে সেইবিলাক বোলে তেওঁলোকৰ অন্তৰ্গত। যাৰবাবে তেওঁলোকে এতিয়া উচ্ছেদ কৰিছে। অসমৰে শোনিতপুৰ জিলা অসমৰে নগাওঁ জিলা, অসমৰ মানুহ, অসমৰ চৰ। নগাওঁ জিলাৰ DC য়ে কৈছে মই তিনিদিন ফোন কৰি ক'লো শোনিতপুৰৰ DC ক। তেওঁ DC, যদি কথাবিলাক বুজি নাপায়, তেওঁ যদি উচ্ছেদ কৰে, নগাওঁ মানুহবিলাকক শোনিতপুৰত থাকিব নিদিয়ে। তাৰ পিছত মই শোনিতপুৰৰ DC ক ক'লো। অধ্যক্ষ মহোদয়, এই পবিত্ৰ বিধান সভাত মই প্ৰশ্ন দাখিল কৰিছো যে শোণিতপুৰ জিলা আৰু নগাঁও জিলাৰ বাউণ্ডেৰীটো কেতিয়া কোনে নিৰ্দ্ধাৰণ কৰিছিল, আকৌ নদীৰ দক্ষিণপাৰে থকা চৰবিলাক শোণিতপুৰ জিলাত কেনেকৈ আহিল ? আজি মোৰ প্ৰশ্নৰ উত্তৰ আহিছে যে, বাউণ্ডেৰীটো আগতে চিনাক্ত কৰা নাছিল, উচ্ছেদ কৰাৰ দুইমাহ আগতে হালধীয়া পতাকা আৰু ৰঙা পতাকা নিচান দি ২০২২ চনৰ ডিচেম্বৰত এই সীমাটো নিৰ্দ্ধাৰণ কৰা বুলি আজি সদনত উত্তৰ দিছে অধ্যক্ষ মহোদয়। তাৰ মানে সীমা আগতে নিৰ্দ্ধাৰণ কৰাই নাই । আমি নগাঁও আৰু শোণিতপুৰ জিলাৰ সীমাটো সৰুৰে পৰা জানো যে, নদীৰ মেইন ষ্টিমটো সীমা। নদীৰ মেইন ষ্ট্ৰীমৰ উত্তৰ

ফালে শোণিতপুৰ আৰু দক্ষিনফালে নগাঁও। এতিয়া যিমানখিনি চৰ আছে এই গোটেইখিনি শোণিতপুৰে দাবী কৰিছে এইটোতো হ'ব নোৱাৰে । এতিয়া সদনত কৈছে যে শোনিতপুৰ জিলাৰ বোলে কিবা ৰেকৰ্ডত আছে , তিনিটা সুঁতি উল্লেখ আছে । কিন্তু এই তিনিটা সুঁতি ক'ত, সেইবিলাকৰ কোনো এতিয়া চিন চাব নাই কিন্তু এতিয়া শোণিতপুৰে গোটেই সুঁতিবিলাক দাবী কৰিছে । আৰু মানুহবিলাকক নগাঁৰৰ বুলি তাৰ পৰা উচ্ছেদ কৰি দিছে । নগাঁও আৰু শোণিতপুৰ জিলাৰ সীমাটো যে নিৰ্দ্ধাৰণ কৰা নাই এই কথাটো মই যোৱাবাৰো সদনৰ মজিয়াত উত্থাপন কৰিছিলো আৰু আমাৰ মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই তেতিয়া আলোচনা কৰোতে কৈছিল যে, মানুহখিনিৰ যদি নগাঁৰত সকলো ক্ষেত্ৰত সুবিধা তেতিয়াহ'লে আমি নোটিফাই কৰি নগাঁও জিলাত দিব পাৰো । আমি কৈছিলো কৰক এইটো ভাল হ'ব । তেখেতে লগে লগে প্ৰিঞ্চিপাল চেক্ৰেটেৰী নে কমিশ্যনাৰলৈ লিখি দিছিলে, পিছত এইটো চাৰ্ভে কিমান আগবাঢ়িছে মই নাজানো , তাৰ পিচত বুঢ়া চাপৰি উচ্ছেদৰ পিছত মই নিজে মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াৰ লগত বহিলো । মুখ্যমন্ত্ৰী মহোদয়ক কলো যে এই মানুহখিনিক নগাঁৰৰ মানুহ বুলি শোণিতপুৰ প্ৰশাসনে বুল ড্ৰ'জাৰ লগাই খেদি দিলে। নগাও জিলাৰ মানুহ হ'লেওতো মানুহখিনি অসমৰে হয়, আৰু অসমৰ আপুনি মুখ্যমন্ত্ৰী - নগাঁও জিলা অসমৰ, শোণিতপুৰ জিলা অসমৰ , মৰিগাঁও জিলা অসমৰ - চৰ চাপৰিবিলাকো অসমৰ । অসমৰ মানুহ অসমৰ চৰ চাপৰিত থাকিব, অসমৰ ভূমিহীন লোক , অসমৰ গৰাখহনীয়াগ্ৰস্থ লোক অসমৰ চৰত থাকিব, শোণিতপুৰ জিলাই যিটো কৰিলে যে বিদেশী ৰাষ্ট্ৰ নেকি যে, যুদ্ধংদেহী মনোভাবেৰে সৈন্য-সামন্ত লৈ আহি যেনেকৈ উচ্ছেদ চলাইছে কোনো বাছ বিছাৰ কৰা নাই - ঘৰৰ ভিতৰত থকা মাইকী মানুহৰ গাঁত টিনপাত পেলাই দিছে । যেনেকৈ আহিছে যেন কোনো বিদেশী শত্ৰুৰ ওপৰত আক্ৰমণ কৰিছে । মানুহখিনিয়ে নদীৰ চৰৰ মাজৰ পৰা ওলাই আহি নগাঁও জিলাত শিবিৰ পাতিছে । নগাঁও জিলাৰ সীমাৰ ভিতৰত আহি মানুহখিনিক আক্ৰমণ কৰিছে । কিন্তু শোণিতপুৰ আৰু নগাঁও দুয়োখন অসমৰে জিলা , অসমৰ মানুহ, অসমৰে মাটি কিন্তু বিদেশী শত্ৰু ৰাষ্ট্ৰৰ দৰে আক্ৰমণ কৰি উচ্ছেদ চলাইছে - এই কথাটো মই যেতিয়া মুখ্যমন্ত্ৰী মহোদয়ক ক'লো যেতিয়া তেখেতে মোক ক'লে আমি এটা কাম কৰো যে, দক্ষিণপাৰে নদীৰ যিখিনি চৰ চাপৰি আছে সেইখিনি নগাঁও জিলাত সুমুৱাই দিওঁ, তেনেহ'লেতো লেঠাই শেষ । আমি কৈছো যে এইটো আমিও বিচাৰিছো । তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে ক'লে যে সমষ্টি পুনঃনিৰ্দ্ধাৰণৰ বাবে ইলেকশ্যন কমিশ্যনে সমষ্টি আৰু ডিষ্টিক্ট ৰিচেটেলমেন্ট - ৰি অৰ্গেনাইজেশ্যনৰ কাৰণে বাধা দি থৈছে, গতিকে এতিয়া কৰিব পৰা নাযাব। আমি কৈছিলো আপুনি কথাটো নজৰত ৰাখক, যেতিয়া ইলেকশ্যন কমিশ্যনৰ বাধা আঁতৰিব তেতিয়া কৰিব। এই চৰ চাপৰিবিলাক নগাওঁ জিলাৰ একেবাৰে সংলগ্ন দক্ষিণপাৰে । মানুহবিলাকো নগাঁও জিলাৰ গতিকে এই মানুহখিনিক নগাওঁ জিলাত সুমুৱাই দিয়ক। যাতে অন্য এখন জিলাই অনাধিকাৰ প্ৰবেশ বুলি বাৰে বাৰে মানুহখিনিক হাৰাশাস্তি কৰিব নোৱাৰে । গতিকে মই আইনখনত এই কথাবিলাক আনিছো অধ্যক্ষ মহোদয়। যাতে এই চৰ চাপৰিবিলাক ৰিচেটেলমেন্ট কৰোতে যি জিলাৰ লগত সংলগ্ন, আৰু এই মানুহবিলাক যিখন জিলাৰ লগত যাতায়ত যোগাযোগ ব্যৱস্থা, শিক্ষা ব্যৱস্থা, প্ৰশাসনিক কাম কাজৰ সুচলতা হোৱাকৈ সেই জিলাবিলাকৰ লগত যাতে ৰিচেটেলমেন্ট কৰা হয় । ইয়াত চাব ক্ল'জ- ১, ২ ,৩ , ৪ , ৫ ক্ল'জ ৬ ৰ এই পাঁচটা চাব ক্ল'জত এই কথাখিনি দিয়া হৈছে । তাৰ পিচত ইয়াত আৰু এটা কথা কোৱা হৈছে , আজিও মোৰ বিধান সভাৰ তথ্যৰ উত্তৰত কৈছে যে যেতিয়া বুঢ়াচাপৰী অভয়াৰণ্য ১৯৫ কি.মি এক্সটেনশ্যন কৰে , তেতিয়া কিন্তু ২০১৬ চনৰ নোটিফিকেশ্যনত, ২০২১ চনত এক্সটেনশ্যন কৰিছে ১৯৫ কি.মি

চৰকাৰে। তাৰ আগতে তাত কিন্তু চৰকাৰে এল পি স্কুল , আপাৰ প্ৰাইমেৰী স্কুল, এম ভি স্কুল , হস্পিটেল , চাব চেন্টাৰ আৰু অংগণবাদী কেন্দ্ৰ ইত্যাদি তাত স্থাপন কৰিছে । কিয় কৰিলে কাৰণ তাত মানুহ আছে । আনকি তাত থকা স্কুল প্ৰভিন্সিয়েলাইজেশ্যনো কৰিলে , কাৰণ তাত ত্ৰিশ বছৰ ধৰি জনবসতি আছিল । ইমানবিলাক কৰাৰ পিচত ২০১৬ চনত এই ঠাইখিনি অভয়াৰাণ্য বুলি নোটিফিকেশ্যন কেনেকৈ আহিল ? মই দিয়া প্ৰশ্ন এটাৰ উত্তৰ যোৱাকালি সদনত পাইছো, উত্তৰত কোৱা হৈছে যে হয় , তাত আগৰে পৰা জনবসতি আছিল যাৰ বাবে চৰকাৰে এই চৰকাৰী স্কুল - চাবচেন্টাৰ ইত্যাদি কৰি দিছিল। এতিয়া যিহেতু কাজিৰঙাত জীৱ জন্তু বাঢ়ি আছে গতিকে এই ১৯৫ কি.মি বুঢ়াচাপৰি আমি সোমাই ললো । যাতে জীৱ জন্তু ইয়াত আহিব পাৰে । গতিকে অধ্যক্ষ মহোদয়, জনবসতি থকা এলেকাবিলাক যিখিনি ফৰেষ্ট হিচাপে নোটিফাই কৰা হৈছে সেইখিনি ডি- ৰিজাৰ্ভ কৰিব লাগে । এই বিষয়টো চাব ক্লজ - ৪, ৫ ত উল্লেখ কৰা হৈছে । যিহেতু চল্লিছ- পঞ্চাশ বছৰ আগৰে পৰা তাত মানুহ থাকে , জীৱ জন্তু নাথাকে, মানুহৰ কাৰণে তাত স্কুল ইত্যাদি কৰা হৈছিল। তাৰ পিচত অধ্যক্ষ মহোদয়, ৭ নম্বৰ ক্লজত আমি দিছো যে - চৰত কিছুমান দেৱানী, মাতব্বৰ গুণ্ডা থাকে , তেওলোকে এক - দুই হাজাৰ বিঘালৈকে মাটি দখল কৰি লয় । এই কথা আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও উল্লেখ কৰিছে । সেই দেৱানী - গুণ্ডাই মাটিবিলাক দুখীয়া মানুহবিলাকক বিক্ৰি কৰে, নহ'লে সেই মানুহখিনিয়ে তেওলোকক বছৰীয়া টেক্স দিব লগা হয় । তেওঁলোকৰ বিৰুদ্ধে কেইটামান আইনগত শাস্তিৰ বাবে ৭ নম্বৰ ক্লজৰ চাব ক্লজ ১ , ২ , ৩ ত দিয়া হৈছে যে সেই দেৱানীবিলাকক পাঁচ বছৰ পৰ্য্যন্ত কাৰাদণ্ড আৰু দুই লাখ টকা পৰ্য্যন্ত জৰিমনা বিহিব লাগে । তাৰ পিচত ৮ আৰু ৯ নম্বৰ ক্লজত অধ্যক্ষ মহোদয় দিছো যে, অফিচিয়েল গেজেটত চৰকাৰে নোটিফাই কৰিব যে এই আইনখনৰ দফাবিলাক বা ল' বিলাক সময়ে সময়ে চৰকাৰে কৰিব, এইখিনি চৰকাৰৰ দায়িত্ব থাকিব। গতিকে এই খিনিয়ে হ'ল এই বিলখনৰ মূল উপপাদ্য। এই বিলখনক গুৰুত্বসহকাৰে লৈ পবিত্ৰ সদনে সামান্য সংশোধন কৰি হ'লেও যদি গ্ৰহণ কৰে তেনেহ'লে দুটা ডাঙৰ সমস্যা সমাধান হ'ব । এটা হ'ল - চৰ চাপৰিৰ ভূমিখিনি ব্যৱহৃত হ'ব , কৃষি কাৰ্য্যৰে অসম স্বাবলম্বী হ'ব, জি ডি পি বাঢ়িব আৰু দ্বিতীয়তে যিটো অসমৰ ডাঙৰ সমস্যা যে, ভূমিহীন হৈ থকা থকা লাখ লাখ লোকক ভূমি দিয়াৰ বাবে চৰকাৰৰ বিকল্প ওলাব, গতিকে এই বিলখন সদনে গ্ৰহণ কৰিব বুলি আশা ৰাখি আপোনাক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীহেমাংগ ঠাকুৰীয়া, (পলাশবাৰী) ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা ক'বলগীয়া আছিল । যোৱাকালি পলাশবাৰীৰ ফুটুৰীৰ চৰত উচ্ছেদ অভিযান চলিছে, তাত বাংলাদেশৰ বহুকেইখন পোষ্টাৰ পোৱা গৈছে যাৰ ফটো আজি 'আমাৰ অসম' বাতৰি কাকতত ওলাইছে । বিধায়কগৰাকীয়ে কৈছে যে নিজৰ ৰাজ্যৰ মানুহ নিজৰ ৰাজ্যতে আছে।

------ হুলস্থুল -----

**মাননীয় অধ্যক্ষ ঃ** হ'ব... হ'ব বহক । ডিবেটত ভাগ ল'ব পাৰিব । এতিয়া আব্দুল বাতিন খন্দকাৰ।

**শ্ৰীআব্দুল বাতিন খন্দকাৰ,(অভয়াপুৰী নৰ্থ) ঃ** ছাৰ অসমৰ এটা অন্যতম অনুন্নত অঞ্চল হৈছে চৰ অঞ্চবিলাক। এই চৰ অঞ্চলত ২০৫১ খন গাঁও আছে । এই মানুহখিনি সদায়ে গড়াখহনীয়াৰ বাবে ডিচপ্লেছ হৈয়ে থাকে । গতিকে আইনখনত যিটো চাৰ্টিফিকেট দিয়াৰ কথা কৈছে, এইটো খুৱ যুক্তিসংগত কথা । যিবিলাক মানুহৰ হাতত চাৰ্টিফিকেট থাকিব সেই ব্যক্তিজন বাংলাদেশী নে

সন্দেহযুক্ত নাগৰিক সেইটো স্পষ্ট হ'ব। তাত কোনো বেলেগ কোনো বিদেশী মানুহ আহি যাতে আৰু connect কৰিব নোৱাৰে। গতিকে atleast Internally displaced মানুহখিনিক Certificate দিয়াতো খুব দৰকাৰী আৰু সেই অনুন্নত অঞ্চলটোত ২০০৩ চনত যিটো চাৰ্ভে হৈছিল তাত ৬৭ শতাংশ মানুহ বি পি এল আছিল আৰু শিক্ষিতৰ হাৰ কুৰি শতাংশতকৈ কম আছিল। ইয়াৰ কাৰণটো কিন্তু এই Internally displaced যে হৈ থাকে তাৰ কাৰণে। যদি মানুহখিনিক কিছু স্থায়িত্ব দিয়া যায়, মানে তাৰে মাটিবাৰীখিনিত যদি তেওঁলোকক এলোটমেন্ট দি সেই অঞ্চলতে স্থায়িত্ব দিয়া হয়, তেনেহ'লে এই মানুহখিনিৰ poverty ও কমি যাব আৰু স্থায়িত্ব যেতিয়া আহিব literacy automatic আহি যাব। অন্য এটা ডাঙৰ সমস্যাৰ পৰা ৰাজ্য খন বাচিব সেইটো হৈছে migration, আভ্যন্তৰিণ যিটো প্ৰব্ৰজন হৈ আছে, এফালৰ পৰা মানুহ যে বেলেগ ফালে যাব লগীয়া হৈছে due to erosion. এই internal আভ্যন্তৰিণ প্ৰব্ৰজনটো ৰোধ কৰিব নোৱাৰিলে সামাজিক অস্থিৰতাৰো সৃষ্টি হয়। গতিকে এই সামাজিক অস্থিৰতা ৰোধ কৰাৰ কাৰণে এই চৰ অঞ্চলৰ মানুহখিনিক importantance দিয়াটো খুবেই দৰকাৰ। মই practical কথাখিনি আপোনালোকৰ আগত ক'ব বিচাৰিছোঁ। ইয়াত সকলোবিলাক provision গ্ৰহণযোগ্য নহ'বও পাৰে, কিন্তু basic theme যিটো তাৰ লগত মই একমত যে চৰ অঞ্চলৰ সমস্যা বুলি সমাধান কৰিব গ'লে, এই মানুহখিনিৰ যিটো পৰিচয় সংকট যে দেশী নে বিদেশী, নাগৰিক নে বিদেশী, এই কথাটোৰ ক্ষেত্ৰতো আমি যদি internal displacement certificate দিব পাৰো with proper verification of their documents. মই কোৱা নাই যে যাকে তাকে দিব লাগে। আৰু concerned Revenue Officerয়ে যেতিয়া সেই বস্তুটো issue কৰিব, তেতিয়াহ'লে আমাৰ তাত বাংলাদেশৰ পৰা কোনোবা আহি আছে আজিৰ তাৰিখত, তেতিয়াহলে সেই মানুহখিনিক তাত penetrate কৰিব নোৱাৰে আৰু নিশ্চয়কৈ আহিব নালাগে যিহেতুকে ৭ বছৰ হ'ল আমাৰ বৰ্তমানৰ চৰকাৰ আছে। তেওঁলোকে নিশ্চয় ইতিমধ্যে কাইটীয়া তাঁৰৰ বেৰ সম্পূৰ্ণ কৰিছে। যদি সম্পূৰ্ণ কৰিছে তেনেহ'লে নিশ্চয়কৈ আহিব নোৱাৰিব। হয়তো সেইটো সমস্যা আৰু নহ'ব বুলি আমি ভাৱো, যিহেতু আমাৰ চৰকাৰ খন এই দিশত খুবে সচেতন। গতিকে কাইটীয়া তাঁৰৰ বেৰ সমাপ্ত কৰাৰ ব্যৱস্থা যাতে অতি সোনকালে কৰে, তেতিয়াহ'লে এই সন্দেহযুক্ত নাগৰিক বা বাংলাদেশী এই কথাবিলাক আৰু নাথাকিব। সেই চৰ-চাপৰিৰ ৭০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। এই চৰ-চাপৰিৰ মানুহখিনিৰ উৎপাদিত সামগ্ৰীৰ ওপৰত অসমখন as a whole নিৰ্ভৰশীল হৈ আছো। আজিৰ তাৰিখত মাকৈ উৎপাদন কৰা চৰ অঞ্চলত regulationৰ দৰে হৈ গৈছে। যদি আপোনালোক যায় দেখা পাব। গতিকে তেওঁলোক কৃষি কাৰ্য্যত expert, এইটো সচাঁ কথা। গতিকে তেওঁলোক সেই যিখিনি অঞ্চলত যেনেকৈ আছে তাত সংস্থাপন কৰাৰ ব্যৱস্থা কৰক, যিহেতু আমাৰ Land Policy ত আছে, এক বিঘাকৈ মাটি ঘৰৰ কাৰণে দিয়া যায় আৰু ৭ বিঘাকৈ মাটি খেতিবাতিৰ কাৰণে দিয়া যায়, যিহেতু আইন ইতিমধ্যেই আছেই। তাক ৰূপায়ণ কৰাৰ যাতে ব্যৱস্থা কৰা হয়, তাৰ কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো আৰু কিছু provision ঠিকেই আছে আৰু বাকী in general শাসকীয় পক্ষই যি কৰে আৰু সেইটো কৈ তেখেত সকলৰ কথাত মোৰ indirectly সমৰ্থন থাকিল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** আমাৰ Hon'ble MLA এজনে কৈছে যে পলাশবাৰীত কিবা বাংলাদেশী আছে, সেইবোৰ ধৰি ব্যৱস্থা ল'ব লাগে।

**শ্ৰীহেমাঙ্গ ঠাকুৰীয়া, (পলাশবাৰী)** ঃ আপোনালোকে যদি চায় পোষ্টাৰ আছেই।

**মাননীয় অধ্যক্ষ** ঃ হৈছে, please. এতিয়া আশ্ৰাফুল হুছেইন।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই যি বিল আজি উত্থাপন কৰিছে, সেই বিলখন মই শতবাৰ সমৰ্থন জনাই কিছু বক্তব্য সদনত উৎথাপন কৰিব বিচাৰিছোঁ। অসমত থকা ২২৫১ খন চৰ অঞ্চলৰ গাঁৱৰ মানুহৰ আজি প্ৰায় ৮০ ত কৈ অধিক শতাংশ ভূমিৰ বন্দবস্তি স্পষ্ট হোৱা নাই বা ভূমিৰ বন্দবস্তি তেওঁলোকৰ নাই বা ম্যাদি পট্টাৰ মাটি নাই। সেই কাৰণে এই বিলখন আজি সদনে গ্ৰহণ কৰি এই বঞ্চিত মানুহখিনিক ভূমিৰ পট্টা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰে এক যুগান্তকাৰী সিদ্ধান্ত বা যুগান্তকাৰী পদক্ষেপ লৈ দেখুৱাব বুলি আমি আশাবাদী। মহোদয়, মন্ত্ৰীয়ে নিশ্চিতভাৱে তেওঁৰ উত্তৰত ক'ব যে আমি মিছন বসুন্ধৰা ২.০ এতিয়া চলাই আছো আৰু পৰ্য্যায়ক্ৰমে এই সমূহ ঠাইত, এই বিলখনত থকা বিষয় বিলাক আমি সমাধান কৰিবলৈ চেষ্টা কৰিম বুলি ক'ব। কিছুমান বিষয় অৱশ্যে মিছন বসুন্ধৰা ২.০ ৰ জৰিয়তে যদি সদিচ্ছা থাকে তাৰ সমাধানো কৰিব পাৰিব। আজি চাওঁক মহোদয়, মোৰ সমষ্টিৰ চেঙা ৰাজহ চক্ৰত ৭২ খন গাওঁ আছে। আৰু ইয়াৰে ২৪ গাঁৱে আজি non cadastral. আৰু ২৪ খন গাঁৱেই হয় নদীৰ ইপাৰত নহয় সিপাৰত, নহ'লে নদীৰ মাজত কোনোবা এখন ঠাই। আজি মোৰ সমষ্টিত ১৮ খন গাঁও পঞ্চায়তৰ ১০ খন গাঁও পঞ্চায়তত নাঁও লৈ যাব পাৰোঁ। মানে এইটো নহয় যে আটাইখিনি গাঁও পঞ্চায়ত নদীৰ মাজত। এতিয়া কোনোবা এটা সময়ত ১০০ বছৰ আগত এঠাইত নদী আছিল, সেই নদী মৰি গ'ল। গোটেই এলেকাটো বস্তি হৈ গ'ল। ১০০ বা ১৫০ বছৰৰ পৰা বস্তি হৈ আছে। সেই সমূহ ঠাই কিন্তু আজিৰ দিনত চৰ হিচাপে treat কৰা হৈছে আৰু সেই তেতিয়াৰ পৰা আজিৰ দিনলৈকে সেই সমূহ গাওঁ non cadastral হৈ আছে। আৰু আজিৰ দিনলৈকে non cadastral গাঁও সমূহত চাৰ্ভে হোৱা নাই। যি সমূহ গাঁও cadastral আছিল সেই গাওঁ সমূহতো চাৰ্ভে কৰি তাত বহি থকা মানুহখিনিক আজিৰ দিনলৈকে মাটিৰ পট্টা দিয়া হোৱা নাই। মহোদয়, এই ক্ষেত্ৰত দেখা যায় যে যোৱা ২৯-১০-২০২২ তাৰিখে অসম কেবিনেটত এটা সিদ্ধান্ত লয় যে চলিত বছৰত যি সমূহ চৰ অঞ্চলত মানুহ বহিছে তেওঁলোকক ecological কাৰণত মাটিৰ পট্টা দিব নালাগে, ecological কাৰণত মিছন বসুন্ধৰা ২.০ ত জৰিয়তে মাটিৰ পট্টা দিব নালাগে। কিন্তু সেইটো বাবদ দেখা গৈছে যে, এই বহু পুৰণি চৰ গাওঁ আৰু এই কেবিনেটৰ সিদ্ধান্তটোত তেওঁলোকে চলিত বছৰ মানে কি বুলি বুজাইছে সেই কথাটো সুস্পষ্ট নহয়, যাৰ কাৰণে আমি গ্ৰাউণ্ডত দেখা পাইছো যে আমাৰ চৰ অঞ্চলৰ মানুহক মাটিৰ পট্টাৰ পৰা বঞ্চিত কৰা যেন এক ষড়যন্ত্ৰ আৰম্ভ হৈছে। আমি বিচাৰো যে অসমৰ চৰ অঞ্চলৰ মানুহ য'ত প্ৰতিমুহূৰ্তত তেওঁলোকে বানপানীৰ সন্মূখীন হয়, য'ত তেওঁলোকে প্ৰতিমুহূৰ্তত ধুমুহা বা অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগৰ লগত মোকাবিলা কৰিব লাগে। য'ত বাটপথ নাই, য'ত স্কুল-হস্পিতাল ইত্যাদিৰ অভাৱ, তাৰ পিছতো সেইসমূহ মানুহৰ যাৰ অন্য কোনো বিকল্প নাই তাত থাকি অসমৰ কৃষি অৰ্থনীতিলৈ তেওঁলোকে বিশেষভাৱে যি ধৰণে বৰঙণি আগবঢ়াইছে, তেওঁলোকে অসমত শ্ৰম কৰি যি ধৰণে বৰঙণি আগবঢ়াইছে, তেনে দ্বিতীয়টো জাতি আৰু জনগোষ্ঠী অসমত চাগে বিৰল। কেৱল চৰ-চাপৰিৰ জনগোষ্ঠী, চৰ-চাপৰিৰ মানুহেহে এইখিনি কৰিব পাৰিছে। আজি আপুনি গুৱাহাটীত চাওঁক, ডাঙৰ অট্টালিকাসমূহত কাম কৰি থকা মানুহখিনি চাওঁক, আজি আমাৰ অসম বিধান সভাৰ আমাৰ চৰকাৰী বিভাগ সমূহত কাম কৰি থকা সেই মিস্ত্ৰী সকলক চাওঁক, সেই মানুহখিনি কিন্তু সেই চৰ অঞ্চলৰ পৰা উঠি অহা। মহোদয়, এইটো এটা উপান্ত জনগোষ্ঠী, এটা বঞ্চিত জনগোষ্ঠী, যি সকলক যদি আমি অন্তত ভূমিৰ পট্টা বা ভূমিৰ

মালিকী স্বত্বৰ ব্যৱস্থা কৰি দিব পাৰো আৰু যি সকল প্ৰতিকূল পৰিস্থিতিৰ মাজত থাকিও সদায় আৰু সৰ্বদায় প্ৰকৃতিৰ সৈতে সংগ্ৰাম কৰিও এই জাতিয়ে অৰ্থনীতিলৈ বৰঙণি আগবঢ়াইছে, সেয়ে নিশ্চিত ভাৱে এটি যুগৰ অৱসান হ'ব, বঞ্চনাৰ অৱসান হ'ব, যে অন্তত আমাৰ মাননীয় মুখ্যমন্ত্ৰী থকা সময়ত এইখিনি মানুহে মাটিৰ পট্টা পাইছো বুলি অনাগত সময়ত কৈ থাকিব যে অমুকৰ সময়ত পাইছো বুলি। এটা সময়ত হিতেশ্বৰ শইকীয়া ডাঙৰীয়া যেতিয়া অসমৰ মুখ্যমন্ত্ৰী আছিল সেই সময়ত ভূমিপট্টাৰ কাৰণে কৰবাত কৰবাত ব্যৱস্থা লোৱা হৈছিল। কিন্তু সেই ব্যৱস্থা তাতে ফুটুকাৰ ফেন হৈ থাকিল। সেই কথাটো practically প্ৰমাণ নহ'ল আৰু যাৰ কাৰণে আজিৰ সময়ত কংগ্ৰেছে তাৰ প্ৰত্যুত্তৰ পাইছে, চৰ চাপৰিৰ মানুহে কংগ্ৰেছক ভোট দিয়া নাই কাৰণ চৰ চাপৰিৰ মানুহক তেওঁলোকে ভূমিৰ পট্টাৰ ব্যৱস্থা কৰি দিয়া নাই। আজি চৰকাৰী পক্ষই ক'ব পাৰিব যে যি সকলক চৰ চাপৰিৰ মানুহে ভোট দিছিল তেওঁলোকেটো ভূমিৰ পট্টা দিয়া নাই, আমি কিয় দিম? আমাৰ চৰ চাপৰিৰ মানুহে সেৱা নকৰে। যদি এটা ন্যায় বিচাৰ কৰে, এই সমস্যাটোৰ এটা স্থায়ী সমধান বিচাৰিব লাগে তেনেহ'লে মই বিচাৰো যে চৰ অঞ্চলৰ মানুহক প্ৰতিটো ঠাইতে ভূমিৰ পট্টা ব্যৱস্থা কৰিলে সমস্যাৰ সমাধান হ'ব। চৰ অঞ্চলৰ মাটি পট্টা নথকাৰ কাৰণে খেতি বা অন্যান্য ক্ষেত্ৰত তেখেতসকল লোনৰ পৰা বঞ্চিত হৈছে। মোৰ সমষ্টিত কাছুমাৰা ঠাই আছে আজি গুৱাহাটীৰ পৰা চেঙালৈ যাওঁতে যিমান সময় লাগিব আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেৰে যদি কাছুমাৰালৈ যাওঁ একেই সময় লাগে। ৰাস্তা ঘাট ভাল সেই ঠাইত এতিয়া NC গাঁও হৈ থকাৰ কাৰণে উদ্যোগ কৰিব পৰা অৱস্থা নাই। আমাৰ সেই ঠাইৰ পৰা প্ৰতিদিনে ৪ পৰা ৫ ট্ৰাক, জলকীয়া, বিলাহী, মৰাপাট পশ্চিমবংগলৈ গৈ আছে। সেই মাটি সমূহত যদি আমি পট্টা দিব পাৰো তেতিয়া হ'লে সেই মাটিৰ পৰা খাজানা পা ব আৰু আমাৰ চৰকাৰৰ ঘৰলৈ ৰাজহ আহিব। গতিকে অসমত উচ্ছেদৰ সমস্যা এই ক্ষেত্ৰত সমাধান হৈ যাব। আজিকালি গোটেইখিনি যিহেতু ডিজিটেল হৈ গ'ল এতিয়া কাৰ নামত কি মাটি আছে সকলোৰে গম পাব। তেতিয়া ক'ব নোৱৰিব যে তেখেত ভূমিহীন। আজিৰ সময়ত সমস্যাটো হ'ল যে, যি সমূহ বানপানীত জাহ হৈ গ'ল সেই মানুহখিনিক প্ৰমাণ-পত্ৰ দিব পৰা হোৱা নাই। এইখিনি মানুহ গড়াখহনীয়াত জাহ গ'ল। চেঙা সমষ্টিত ১৯৫০ চনৰ পৰা গৰাখহনীয়া আৰম্ভ হৈছিল। ১৯৬৫ চনত চেঙা সমষ্টিত আটাইতকৈ ডাঙৰ যিখন চেঙা সমষ্টিৰ নাম তাৰাবাৰী সমষ্টি আছিল আৰু তাৰাবাৰী সমষ্টিটো পৰৱৰ্তী সময়ত চেঙা সমষ্টি হ'ল। তাৰাবাৰী বজাৰ, তাৰাবাৰী জাহাজ ঘাট ইত্যাদি বিলাক ১৯৫৯ চনত জাহ গৈছিল। সেই সময়ত তাৰাবাৰীৰ বজাৰ নিকটৱৰ্তী মানুহখিনিকে একেবাৰে অন্তিম আৰু প্ৰথমবাৰৰ বাবে সংস্থাপিত কৰা হৈছিল। তাৰ পিছত ১৯৬০ চনতো গাওঁ জাহ গৈছে তাত কোনো মানুহকে সংস্থাপিত কৰিব পৰা নাই। চৰ অঞ্চলৰ ভূমি জটিল ভাবে চাবলৈ যাঁও তেনেহ'লে জটিল। সহজ ভাবে চাবলৈ গ'লে সহজ। আধুনিক প্ৰযুক্তিৰ দ্বাৰা বহুখিনি সুযোগ আহিছে। মন্ত্ৰী মহোদয় বা চৰকাৰে আটাইখিনি সদস্য এইটো ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰি এটা সমস্যা সমাধান কৰি এই বিলখনক গ্ৰহণ কৰিব বুলি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয়** ঃ মাননীয় সদস্য শ্ৰী গণেশ কুমাৰ লিম্বু।

**শ্ৰী গণেশ কুমাৰ লিম্বু, (বৰছলা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যি বিৰোধীয়ে যি প্ৰাইভেট বিল আনিছে মই তাত দুষাৰ ক'ব বিচাৰিছো। চৰৰ কথা তেখেতে কৈছে, তেখেতে বিশেষভাবে শোণিতপুৰ জিলাৰ কথা কোৱা যেন অনুভৱ হৈছে। মোৰ সমষ্টিত এই চৰ বিলাক নথকা হ'লে চৰৰ বিষয়ে মই আজি সদনত ক'ব নোৱাৰিলো হয়। মোৰ সমষ্টিত দুটা ৰাজহ চক্ৰ আছে এটা

ঠেলামাৰা আৰু ঢেকীয়াজুলি। এটা ৰাজহ চক্ৰত মাত্ৰ ১৩৮০ ভোটাৰ আছে। অংগনবাদী চেন্টাৰ আছে ১৫ টা, আৰু প্ৰাদেশিকৃত বিদ্যালয় আছে ১০ টা, ব্যক্তিগত আছে ১০ টা, ঢেকীয়াজুলি ৰাজহ চক্ৰত আছে তাত ভোটাৰ আছে মাত্ৰ ২৩০০ আৰু প্ৰাদেশিকৃত বিদ্যালয় আছে ৫ টা, ভেন্সাৰ ৪ খন, ব্যক্তিগত আছে ৩ খন অংগনবাদী ১৬ খন। যি সকল অংগনবাদী কেন্দ্ৰ আছে মোক তাৰে ৰাইজে আহি কয় আমাক অংগনবাদী চেন্টাৰ নালাগে। যি সকলে তাত কাম কৰে তেওঁলোকে তাত নাথাকে আৰু যদিও থাকে নিজৰ ঘৰত অস্থায়ীভাবে এটা অংগনবাদী কেন্দ্ৰ বনাই দিছে। যেতিয়া আৱশ্যক হয় তেতিয়া ল'ৰা-ছোৱালীবোৰক গোটাই আৰু আনি ফটো তুলি সেই ফটো গোটেই মাহ গোটেই বছৰ চলাই থাকে। ১৩০০ আৰু ২৩০০ ভোটাৰক যদি আমি ইমানখিনি অংগনবাদী চেন্টাৰ দি আছো তাৰ মানে হ'ল ইয়াত আছে ধিং, মৰিগাঁও, লাহৰীঘাট এই অঞ্চলৰ মানুহ বিলাক বৰচলা সমষ্টিত শোণিতপুৰত সোমাই আছে। এই বিলাক বৰচলা সমষ্টিৰে আছিল। চৰৰ নাম বিলাক যদি ভালদৰে চাই গাইতাপু, ৰাণীতাপু আৰু তিনতাকে এই বিলাক সকলো নামাকৰণ হে হ'ল নেপালী মানুহৰ নামাকৰণ চৰ বিলাক হৈছে। বহুত ৰাজহ গাঁও এতিয়া বৰচলা সমষ্টিত নাই, ব্ৰহ্মপুত্ৰত জাহ গ'ল। সকলো জনগোষ্ঠীৰ মানুহে তাত খেতি কৰে কিন্তু তাত স্থায়ী ভাবে নাথাকে। এই চৰ বিলাক স্থায়ী নহয়। নদীৰ সোঁতত এই বিলাক নোহোৱা হৈ যায়। তাত কোনো যোগাযোগৰ ব্যৱস্থা নাই কিন্তু এচাম মানুহে থাকিব বিচাৰে। আজিও মোৰ তাত চৰৰ মানুহ আহি লগ ধৰিছে। যিহেতু সেই সকলো অঞ্চল বিলাক বনাঞ্চলত পৰে। ওৰাং ৰাষ্ট্ৰীয় উদ্যান যেতিয়া সম্প্ৰসাৰণ কৰা হ'ল, আগৰ যিটো বুঢ়াচাপৰি আছে সেই যিটো আৰিমাৰা বনাঞ্চল আছে ১৯৭৪ ৰ পৰা বনাঞ্চল আছিল। এই বনাঞ্চল বিলাক বে-দখল কৰি চৰত বহিলে। মই আগতেও বিধান সভাত কৈছো যে, এজন হাবিলদাৰক হত্যা কৰা হৈছে। Beat অফিচ জ্বলাই দিয়া হৈছে। এনেকুৱাকৈ ধিং, লাহৰীঘাটৰ মানুহ বিলাক আহি পেলাই চৰত বসতি কৰিছে। সেই মানুহখিনিক যদি তাতে শিক্ষা আদি প্ৰদান কৰিব পাৰো তেতিয়া কোনো যুক্তিত এই মানুহবিলাকে আজিৰ যিটো ধৰণৰ ব্যৱস্থাৰে অন্যান্য মানুহৰ লগত শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িব কিয় নোৱাৰিব। চৰত যিখিনি মানুহ আছে মই ভাবো যে ৮০ শতাংশ মানুহৰ বেলেগ ঠাইত মাটি আছে। চৰৰ মানুহে জানে যে আমি অবৈধভাবে বসবাস কৰি থকাটো তেখেত সকলে জানে সেয়েহে তেওঁলোকে জানে যে, যিকোনো মুহুৰ্তত উচ্ছেদ অভিযান চলিব পাৰে। তেখেতসকলৰ ভৱিষ্যত যদি আমি ভাল হোৱা বিচাৰো তেখেতসকলে যদি উন্নয়ন হ'ব বিচাৰে, যি আমাৰ প্ৰাকৃতিক দুৰ্যোগ আহে তাতে যদি তেওঁলোকক আমি ঠেলি দিব বিচাৰো তাতে থাকক বুলি এনেকুৱা ধৰণৰ চিন্তা-চৰ্চা মই ভাবো তেওঁলোকৰ হিতৰ হ'ব বুলি ভাবো। মই ক'ব বিচাৰো আমাৰ যিমান ক্ৰাইমৰ কথা কোৱা হয়, ক্ৰাইম বিলাক তাত হয়। এই যিটো ধৰ্মীয় শিক্ষা যিবিলাক মৌলবীয় চিন্তা ধাৰা, মাটি বিক্ৰী কৰা মাতব্বৰ সকল এই সকলো ব্যৱস্থা, পূৰ্বৰ, তাত কাৰণ তাত কোনো প্ৰশাসন ঢুকি নাপায়। সেই কাৰণে মই আপোনাক ক'ব বিচাৰিছো যেনেকৈ আমাৰ বিৰোধী পক্ষই কৈছে তেনেকুৱা নহয়। যুক্তিৰে যদি আপোনালোকে চাই ইমান সহজ নহয়। সেয়ে মই বিচাৰো তেওঁলোকৰ উন্নয়ন হওক, তেওঁলোকৰ সকলো ক্ষেত্ৰত ভাল হওক। কিন্তু ব্যৱস্থা যাতে অতি যুক্তিৰে হ'ব লাগিব। এনেকুৱা নহয় যে তাতে ব্ৰহ্মপুত্ৰতে আপুনি থাকক, আৰু তাতে আপুনি শিক্ষা দীক্ষা লওঁক। এইটো কেতিয়াও সম্ভৱ নহয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীআমিনুল

ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াই তেখেতে যিটো বিল আনিব কৈ আছে The Assam Char Chapori Land Regulation Bill, 2023 এই বিলখন যদি সদনত গুৰুত্বসহকাৰে লয় আৰু যদি এই বিলখন পাছ কৰাত সকলোৱে সহযোগ কৰে মই ভাবো অসমৰ ডাঙৰ যি সমস্যা, যি এটা আন্দেলন, যি blame, যি ৭০ বছৰে এটা জাতিৰ ওপৰত থাকিল এই blame টো নোহোৱা হৈ যাব। ভাৰত স্বাধীন হোৱাৰ পাছৰ পৰাই বহু মানুহ কিন্তু চৰ চাপৰি অঞ্চলত বসবাস কৰে। আমাৰ এজন মাননীয় সদস্যই বৰচলা সমষ্টিৰ বিধায়ক তেখেতে কৈছে যে চৰ চাপৰিত থকা মানুখিনিৰ মাটি হাইলেগুত আছে, বা চৰৰ বাহিৰৰ ঠাইত মাটি আছে বুলি তেখেতে কৈছে। কথাটো একেবাৰে শুদ্ধ নহয়। তেখেতৰ সমষ্টি আৰু মোৰ সমষ্টি একেলগে। তেখেতৰ সমষ্টিৰ বৰ্ডাৰ আৰু মোৰ সমষ্টি একেলগে আছে। সেই কাৰণে মই কথাটো ক'ব খুজিছো। হ'ব পাৰে হয়তো ২,৪,৫ জনৰ মাটি থাকিব পাৰে। কিন্তু এনেকুৱা নহয় যে চৰ চাপৰিত বসবাস কৰা ৮০ শতাংশ মানুহৰ মাটি অন্য অঞ্চলত আছে। তেনেকুৱা কথাটো শুদ্ধ নহয়, আৰু ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াত পৰিব বুলিয়েই যে চৰ চাপৰিত থকা মানুহখিনিক তাৰ পৰা উঠাই দিব লাগিব। উঠাই লৈ যাব ক'ত? লৈ যোৱাৰ কোনো ঠাই নাই। এই মানুহখিনিৰ permanent solution যিটো আজিৰ পৰা আগতে বহু চৰকাৰ গ'ল, নাম লোৱাৰ লগে লগে হয়তো বেয়া পাব। কংগ্ৰেছ চৰকাৰ গ'ল, কংগ্ৰেছেও এই কামখিনি কৰি গ'ল। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক সদায় কৈ থাকে যে আমাৰ এই মাইনৰিটি অঞ্চলৰ মানুহৰ permanent সমস্যাবিলাক দূৰ কৰি দিম। যদি এই সমস্যাবোৰ বিশেষকৈ আমাৰ এই মানুহখিনিক, চৰত যেতিয়া নদীয়ে ভাঙে বা চৰৰ পৰা বেলেগ ঠাইত যাব লাগে, ক'ৰবাত ওলাই গলে ম্যাদি মাটি নথকাৰ কাৰণে, পট্টা নথকাৰ কাৰণে, ভোটাৰ লিষ্টত নাম সেই অঞ্চলৰ নথকাৰ কাৰণে বাংলাদেশী বুলি চিনাক্তকৰণ কৰিব খোজে। য'তে কাম কৰিব যায় আনকি গুৱাহাটীৰ ওচৰতো আজি দৰং আৰু গুৱাহাটী বেছি দূৰ নহয়। যদি মোৰ দলগাঁও সমষ্টিৰ পৰা বা নগাঁও সমষ্টিৰ পৰা মানুহ গুৱাহাটীত কাম কৰিবলৈ আহে, লুঙিৱালা, টুপিৱালা দেখা পোৱাৰ লগে লগে কিছুমানে বাংলাদেশী বুলি চিনাক্তকৰণ কৰি দিয়ে। যদি আমিনুল ডাঙৰীয়াই যিটো বিল আনিছে, ইমান ধুনীয়াকৈ কথাটো উল্লেখ কৰিছে, যে চৰত বসবাস কৰা মানুহখিনি যদি কেতিয়াবা displace হৈ যায়, নদীৰ গড়াখহনীয়াত যদি পৰে তেতিয়া তেখেত সকলক এখন চাৰ্টিফিকেট চৰকাৰে দিব লাগে। যদি বিগত আগৰ চৰকাৰে displacement হোৱা চাৰ্টিফিকেট issue কৰিলেহেঁতেন, তেতিয়া হ'লে হয়তো আজি এই মানুহখিনিক মানুহে বিদেশী বুলি কোৱাৰ সুযোগ নাপালেহেঁতেন। এই সুযোগটো কিন্তু আগৰ চৰকাৰে দি থৈ গৈছে। মাননীয় অধ্যক্ষ মহোদয়, যদি এই displacement কৰা চাৰ্টিফিকেটখন এতিয়াৰ পৰা issue কৰা যায় পিচৰ প্ৰজন্মৰ কাৰণে এটা সম্বল হৈ যাব যে এই মানুহখিনি আচলতে বাংলাদেশী নহয়। এই মানুহখিনি অমুক চৰত বসবাস কৰিছিল, এই মানুহখিনি অমুক চৰত আছিল, ইয়াৰ পৰা হয়তো নদীৰ গড়াখহনীয়াত পৰি আজি ইয়াত বসবাস কৰিছে। এই মানুহখিনিক চিনাক্তকৰণ কৰি, circlewise ত হয়তো ১ কঠা বা ২কঠাকৈ মাটি permanently যদি দি দিয়া যায় তেতিয়া হ'লে এই Landless , ভূমিহীন এই সমস্যাবিলাক দূৰ হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মাজে মাজে কৈ থাকে চৰৰ মাটি এক হাজাৰ বিঘা, দুই হাজাৰ বিঘা মাটি মাতব্বৰে দখল কৰি আছে। মোৰ সমষ্টিটো দুই তিনিটা চৰ আছে। তেনেকুৱা নাই আগতে আছিল কিজানি হয়তো আজিৰ পৰা ২০ বছৰ ৫০ বছৰ আগতে হ'ব পাৰে। কিন্তু আজি১০ বছৰ ১৫ বছৰত তেনেকুৱা এক হাজাৰ বিঘা মাটি থকা মানুহ মই চৰ অঞ্চলত দেখা

নাই। কোনো মানুহৰ মাটি ১০ বিঘা ৫ বিঘাৰ ওপৰত নাই। কিন্তু land policy মতে যিখিনি হয় যিখিনি প্ৰাপ্য এজন ব্যক্তিৰ, সেইখিনিৰ যদি land দিয়া যায়, তেতিয়াহ'লে মই ভাবিম যে মাইনৰিটি অঞ্চলৰ, মাইনৰিটি মানুহৰ এটা ডাঙৰ সমস্যা, বদনাম চিৰ দিনৰ কাৰণে এই চৰকাৰৰ দিনত গুছি যাব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন যদি গ্ৰহণ কৰে তেতিয়া হ'লে মই ভাবিম মাইনৰিটি অঞ্চলৰ মাইনৰিটি মানুহৰ এই সমস্যা চিৰ দিনৰ কাৰণে এই চৰকাৰৰ জৰিয়তে শেষ হ'ব বুলি মই আশা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীদ্বিপায়ন চক্ৰবৰ্তী, (শিলচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় আমাৰ মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াইThe Assam Char Chapori Land Regulation Bill, 2023 এইটো প্ৰস্তাৱ কৰিছে। এই প্ৰস্তাৱৰ ওপৰত মই দুই চাৰিটা লাইন আপোনাৰ সন্মুখত ৰাখিব বিচাৰিছো। আমি প্রথমে বলতে চাই যে এই বিলটি উপস্থাপন হয়েছে এই বিলটি আমার সন্দেহ হচ্ছে আরেকজন সদস্য আস্রাফুল ভাই উনিও বলেছেন এই বিল সম্বন্ধে কোন একটি জায়গায় লাগছে যেন আমরা রাজনৈতিক দল হয়ে বিশেষ কোন সম্প্রাদায়ের জন্য আমরা কথা বলছি। তাই আমার প্রথম অনুরোধ থাকবে আমরা যে বিল উপস্থাপন করব সেটা আসাম রাজ্যের সর্বস্তরের সকলের জন্য চিন্তা করে যাতে বিলটি উপস্থাপন করা হয়। আর এই বিলটি যাতে বিবেচনা করা হয়। আমরা লক্ষ্য করেছি, আমি একটি উদাহরণ আমার বিধানসভা সমষ্টি শিলচরের কথা উল্লেখ করতে চাই। আমার সমষ্টিতে অনেক টেলেন্টরা রয়েছেন যারা আমরা লক্ষ্য করেছি যে বছরের পর বছর লীস নিয়ে অর্থাৎ উনারা ৫০, ৬০ বছর থেকে বসবাস করছেন। কিন্তু তাদের সমস্যার জন্য সরকার চিন্তা করে ইতিমধ্যে তাদেরকে যেহেতু স্থায়ী ঘর বানিয়ে তারবসবাস করছেন অনেক বছর থেকে they are not evictable as per Assam Non-Agricultural Urban Areas Tenancy Act, 1955 তার জন্য সরকার একটি স্টেপ নিয়েছে। Government has taken a steps to record urban tenant details in the remarks section of Chitta কিন্তু তাদের জমাবন্দিতে নাম আসেনি। তাই নাম না আসার জন্য তারা লোন নিতে পারছেন না। লোন নিয়ে তারা এই জায়গাতে স্থায়ী বসবাস করবেন বা বাড়ি বানাবেন সেই সুবিধা হচ্ছে না। তাই তাদের কথা অন্তত পক্ষে চিন্তা করে এই বিলে আনা উচিৎ ছিল। আমার মনে হয় এই বিল অনেক বিবেচনা করার প্রয়োজন রয়েছে। আ র আমি সরকারের দৃষ্টি আকর্ষণ করতে চাই আমি যে কথাটি উল্লেখ করেছি যে সেবা থেকে নেওয়া যাদের লীস, এই লীসটি অনেক সময় তাদের নাম ট্রেন্সফার বা রিনিইউ করার সময় এই সেবাতে অনেকেই এডভানটেজ নিয়ে থাকেন অনেক টাকার বিনিময়ে তাদেরকে এই লীস বা রিনিইউ করতে হচ্ছে। তাই এইসব বিবেচনা করা দরকার। চড় এরিয়ার যে ব্যপার বলা হয়েছে এখানে আমরা লক্ষ্য করেছি যে চড় এরিয়াতে যে বসবাস করছেন তাদের ঘর হবে। সরকার তাদেরকে বসবাসের জায়গা বের করে দেবে সেটা সত্যি। কিন্তু আমার মনে হয় যে চড় এরিয়াতে যে জায়গাগুলো রয়েছে সেখানে আমরা যখন কৃষি কাজ করছি সরকার সেভাবে চিন্তা করুর। এই কৃষি কাজ করার জন্য এই জায়গাকে আমরা লীস দিতে পারি। কিন্তু সরকার তাদেরকে বসবাস করার জায়গা না দিয়ে কারন চড় অঞ্চলে আমরা লক্ষ্য করে থাকি যে বণ্যা আসার সাথে সাথে জল আসে। আমার মাননীয় বিধায়ক এখানে বলেছেন যে এখানে স্থায়ী কোন সমাধান নেই এখানে আমরা বসবাস করতে পারব না। অনেকরই চড় অঞ্চলে জায়গা থাকা সত্যেও আমরা লক্ষ্য করেছি আরো বিভিন্নভাবে তাদের অন্য জায়গায় জায়গা

ৰয়েছে। কারন বছরের পর বছর যখন বণ্যা আসে তখন তাদেরকে এখান থেকে সরে গিয়ে অন্য জায়গায় যেতে হয়। তাই এই চড় অঞ্চলের জায়গাতে যারা বসবাস করছেন তাদেরকে সরকার এভাবে যদি চিন্তা করে তাদের জন্য ফোর স্টৈরজ, ফাইভ স্টোরেজ বিল্ডিং বানিয়ে তাদেরকে এই জায়গার যদি ব্যৱস্থা করতে পারি তারজন্য ভাবতে হবে। তাই এই বিলকে বিশেষ করে বিবেচনা করা দরকার বলে আমি মনে করি।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলৰ যিকেইটা পইণ্টত প্ৰশ্ন আহিছে মই সেইটো ক্লিয়াৰিফিকেশ্যন দিয়াৰ পিছত মাননীয় মন্ত্ৰী মহোদয়ে ক'লে ভাল হ'ব নেকি। যিহেতু মই বিলখন উত্থাপন কৰিলো। মাননীয় সদস্য শ্ৰী গণেশ লিম্বু ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ ßÁ ±ÆÃÊåÃ¼ Practical field ৰ কিছু কথা তেখেতে জানে ও যে চৰ অঞ্চলত প্ৰায় ৭-৮ মাহ পানীৰ তলত থাকে আৰু বাকী কেইটামান দিন তাত শুকান থাকে। তেখেতে এটা কথা কৈছে যে এই মানুহখিনিক তাত যদি সংস্থাপন দিবলৈ বাধ্য কৰা হয়, য'ত প্ৰাকৃতিক প্ৰতিকুল পৰিবেশৰ লগত মানুহখিনি যুঁজি পেলাই তাত থাকিবলৈ বাধ্য কৰাতকৈ এইটো উচিত হ'ব জানো। আমিও বিচাৰো যে মানুহখিনিক যদি বিকল্প ভাল ওখ ঠাইত সংস্থাপন দিব পৰা যায়ে সেইটো বহুত ভাল কথা। কিন্তু আমি যিটো দেখা পাই আছো যে চৰকাৰী ভূমি বাহিৰত নাই। Vizer, Pizer, Forest land ত দিব নোৱাৰে, কোনো industrial land ত দিব নোৱাৰে। গতিকে এই কেই লাখ ভূমিহীন লোকক মাটি দিবলৈ চৰকাৰে ক'ত পাব। সেই কাৰণে আমি ভাবিছিলো যে চৰ-চাপৰিত যদি তেওঁলোকে সহাৰস্থান কৰি থাকিব পাৰে, গতিকে তাত দিলে অন্ততঃ তেওঁলোকে যিসকলে চৰত যায় তেওঁলোক জানে যিসকলে তাত থাকিছিল পানীৰ সময়ত তেওঁলোক তাত থাকিব পৰাকৈ বহুত ওখ ভেটি ১০-১৫ ফুট ওখ ভেটি বনাই লয়। যদি তেওঁলোকে allotment কৰে তেওঁলোকে নিশ্চয় বনাই ল'ব। দ্বিতীয় কথাটো হ'ল তেখেতে কৈছে যে এটা ব্লকত ১,৩৮০ ভোটাৰ আৰু এটা চাৰ্কোলত ২,৩০০ ভোটাৰ। এই ভোটাৰখিনি শোনিতপুৰ আৰু তেখেতৰ সমষ্টিৰ সংলগ্ন। শোনিতপুৰৰ ভোটাৰখিনিক ভোটাৰ ক'লে নহ'ব। যিসকলৰ তাত ভোটাৰ নাই, ইফালে ভোট আছে তেওঁলোকো ভোটাৰ। গতিকে তেখেতে যিখিনি শোনিতপুৰৰ তেখেতৰ সমষ্টিৰ অন্তৰ্গত সেইখিনি কাউণ্ট কৰি আছে। তাত যিহেতু ধিং, ৰূপহী, বটদ্ৰৱা, চামগুৰি বিভিন্ন সমষ্টিৰ ভোটাৰ আছে গতিকে নিজৰ সমষ্টিৰ ভোটখিনি কাউণ্ট কৰিলে নহ'ব। সকলোকে সমানে চাব লাগিব। তাৰপিছত আমাৰ মাননীয় সদস্য শ্ৰী দ্বীপায়ণ চক্ৰৱৰ্ত্তী ডাঙৰীয়াই এটা কথা কৈছে যে এই বিলখন কোনো এটা জনগোষ্ঠীক target কৰি অনা হৈছে। তেখেতে হয়তো বিলখন পঢ়ি চোৱা নাই। তাত কোনো জনগোষ্ঠীৰ কথা কোৱা নাই আৰু ইয়াত criteria দিয়া হৈছে landless,Erosion affected marginal farmer. যিকোনো জনগোষ্ঠীৰ অসমৰ যিকোনো জিলাৰ landless, Erosion affected তেওঁলোকক যদি বিকল্প ঠাই নাই চৰ-চাপৰিত দিব পৰা যাব আৰু ইয়াত কোনো community ক target কৰা নাই। তেখেতে বিলখন পঢ়ি চালে এই অভিযোগটো নকৰিলে হয়। তেখেতক সকলোখিনি পঢ়ি চাবলৈ অনুৰোধ কৰিছো। সকলো জনগোষ্ঠীৰ কাৰণে খোলা আছে। গতিকে এই কথাখিনি মই জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় AIDUF দলৰ বিধায়ক, উপ দলপতি আমিনুল ইছলাম (জ্যেষ্ঠ), সদনত তেওঁ "The Assam Char-Chapori Land

Regulation Bill, 2023" সন্দৰ্ভত তেখেতে সুন্দৰকৈ বিস্তৃত ব্যাখ্যা দিছে আৰু লগত আমাৰ আটাই কেইজন সন্মানীয় বিধায়কে অংশ গ্ৰহণ কৰাৰ বাবে মই আন্তৰিক ধন্যবাদ জনাইছো আৰু বিলখন কিয় আনিছে এই সন্দৰ্ভত তেখেতে গুৰুত্ব বুজি সুন্দৰকৈ ব্যাখ্যা কৰিছে। আমাৰ চৰকাৰেও এই সমস্যাটোৰ গুৰুত্ব বুজিয়েই 2019 Land Policy খন আনিছে। এই চৰ-চাপৰি হওঁক, খিলঞ্জীয়া মানুহক ভূমি অধিকাৰ দিয়া এই চৰকাৰ অহাৰ আৰম্ভণীতেই এই সিদ্ধান্ত লৈছিল আৰু এতিয়া এইখন চৰকাৰেও বৰ্তমান আপোনালোকে জানি নিশ্চয় ভাল পাব যে আমি মিশ্যন বসুন্ধৰাৰ প্ৰথম পৰ্য্যায়ত প্ৰায় ৩ লাখৰ ওপৰৰ মানুহক পট্টা দিছো আৰু আজি দ্বিতীয় পৰ্য্যায়ত প্ৰায় ১২ লাখ application আহিছে আৰু ১২ লাখৰ ভিতৰত আমি প্ৰায় ১০ লাখেই খ্যাচ লেণ্ডত থকা। তেওঁলোক landless পট্টা নাই। তেওঁলোকক আমি এইখিনি disposed কৰিব লাগে। এই মিশ্যন বসুন্ধৰা দ্বিতীয় পৰ্য্যায়ৰ আজি last date. গতিকে চৰকাৰখনৰ চৰ -চাপৰিৰ বিশেষকৈ চৰ-চাপৰি বুলি ক'লে আমাৰ parmanent char আৰু temporary এই দুটা চৰেই আছে। যিবিলাক parmanent char ইয়াত আমি মিশ্যন বসুন্ধৰাটো cadastral phase লৈ convert কৰা servey কৰা এটা ব্যৱস্থাও হৈছে। গতিকে মাননীয় সদস্য গৰাকীক মই ক'ব বিচাৰো আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস' নীতিৰে অসমৰ উন্নয়ণৰ কামত প্ৰতিশ্ৰুতিবদ্ধ আৰু ভূমি এনেকুৱা এবিধ ঈশ্বৰৰ দান কিন্তু আমি টানিটুনি বহলও কৰিব নোৱাৰো আৰু আমি ঠেক ও কৰিব নোৱাৰো। ই স্থিৰ আমি সকলোৰে জানো। বৰ্তমান অৱস্থাত যি জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ আৰু উন্নয়ণ চাই মাটিৰ ক্ষেত্ৰত আমি খুব সাবধান হোৱাতো প্ৰয়োজন। গতিকে এই উন্নয়ণমুখী কাম-কাজ বিলাক কৰিবৰ কাৰণেই ভূমিৰ চাহিদা অতি গুৰুত্বপূৰ্ণ হিচাপে থিয় দিছে। কিন্তু আমি এই ভূমিৰ পৰিমাণ বৃদ্ধি যিহেতু কৰিব নোৱাৰো গতিকে ইয়াক সুচাৰুৰূপে পৰিচালনা কৰাৰ দায়িত্ব সকলোৰে আছে আৰু সেই দায়িত্ব বুজিয়েই চৰকাৰে ২০১৯ চনত এখন পলিচি আনিছে। য'ত পলিচিৰ ১ নং আৰু ১২ নং ত সুন্দৰকৈ লিখা আছে যদিহে আপুনি লেণ্ড পলিচিখন চায়। তাত খিলঞ্জীয়া মানুহক বা ভাৰতীয় মানুহক গাওঁত হ'লে এক বিঘা ঘৰৰ কাৰণে আৰু সাত বিঘা খেতিৰ কাৰণে। গুৱাহাটীত হ'লে ১ কঠা ৫ লেচা আৰু বাকী চহৰবোৰত ১ কঠা ১০ লেচা মাটি ভূমিহীন লোকক দিয়াৰ নিয়ম। সেইমতে আমাৰ চৰকাৰে ভূমিহীন লোকক ভূমি প্ৰদান কৰি আহিছে। ইয়াক অধিক তৰান্বিত কৰাৰ কাৰণে আমাৰ চৰকাৰে মিশ্যন বসুন্ধৰাৰ জৰিয়তে ইয়াক কাৰ্য্যকৰী কৰিবৰ কাৰণে প্ৰয়াস কৰিছে আৰু লগতে চৰকাৰী বিষয়া-কৰ্মচাৰী সকলেও দিনে-ৰাতিয়ে লাগি ইয়াক কৃতকাৰ্য্য কৰাৰ চেষ্টা কৰি আহিছে। স্থায়ী চৰবোৰত ভূমি নীতি অনুসৰি প্ৰাপ্যখিনি খিলঞ্জীয়া লোকে বসবাস কৰা চৰ অঞ্চলত cadastral জৰীপ অধিকাৰৰ ব্যৱস্থা আছে। আমি সেইকাৰণে কৈছো যে চৰ অঞ্চলৰ চাপৰি বিলাকত যিটো ecological balance ৰ কথা আহি আছে, যিটো forest village হওঁক, Vizer, Pizer হওঁক এইখিনিত Supreme Court ৰ নিৰ্দ্দেশ আছে। গতিকে এইক্ষেত্ৰত আমি হস্তক্ষেপ কৰিব নোৱাৰো। কিন্তু আমি এই লেণ্ড পলিচি খনক Vizer, Pizer অঞ্চলৰ যিবোৰ ঠাই গৰাখহনীয়াৰ দ্বাৰা আক্ৰান্ত আৰু আগৰ কোনোবা চৰকাৰৰ দ্বাৰা যদি NMP পট্টা পাইছিল তেওঁলোকক এই Vizer, Pizer ৰ এক বিঘা মাটিত থাকিবৰ কাৰণে ঘৰৰ ভেটি দিয়া হ'ব। এনেকুৱা ধৰণৰ আবেদন এইবাৰ বহুত আহিছে। যদি অন লাইনত ভালদৰে চাই মিশ্যন বসুন্ধৰাৰ পেজত তেতিয়াহ'লে এনেধৰণৰ সুবিধা সমূহ লাভ কৰিবলৈ সুবিধা হ'ব। মই সেইকাৰণে কৈছো যে এই ২০১৯ চনৰ লেণ্ড পলিচিত উল্লেখ কৰা প্ৰতিটো কথাই ধুনীয়াকৈ সন্নিবিষ্ট হৈ

আছে। গতিকে আকৌ এখন লেণ্ড পলিচি অনাটো আমি পক্ষপাতি নহয়। সেইখন পলিচিক আমি ভালদৰে কাৰ্য্যকৰী কৰিলে ভাল হ'ব। ২০১০ চনৰ Land Grabbing ৰ এখন Act আছে। এই এক্টখনৰ ওপৰতো আমি অলপ কঠোৰ হ'লে আমাৰ কামবোৰ কাৰ্য্যকৰী কৰিবলৈ ভাল হ'ব। ইয়াত আমাৰ এজন সন্মানীয় বিধায়কে ইতিমধ্যে মতবৰি দালালৰ কথা উল্লেখ কৰিছে। আমি কোনো কাৰণতে এই দালাল সকলক প্ৰশয় নিদিওঁ। এইখন চৰকাৰৰ দিনত দালাল উচ্ছেদ হ'বই। মতব্বৰী দালাল সকল কৰায়ত্ত হ'বই। সেইকাৰণেই এইখন চৰকাৰে দায়িত্ব লোৱাৰ পিছৰে পৰা আমি একেদিনাই সাতশৰ ওপৰত দালাল গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছো। এই দুখীয়া,দৰিদ্ৰ মানুহখিনিৰ পৰা মাটি কাঢ়ি লোৱা আৰু এই দালাল সকলে বিভিন্ন চক্ৰান্তৰে মাটিবোৰ হস্তান্তৰ কৰিবলৈ লোৱা ব্যৱস্থাটোক চৰকাৰে কেতিয়াও সহ্য নকৰে। ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাৰে বাৰে এই কথাটো উল্লেখ কৰি আহিছে। লগতে প্ৰত্যেক জিলাৰ উপায়ুক্ত আৰু চাৰ্কোল অফিচাৰ সকলক মাতি বিভিন্ন সভাৰ জৰিয়তে এই বিষয়ত অতি কঠোৰ হ'বৰ কাৰণে নিৰ্দ্দেশ দি আহিছে। এইক্ষেত্ৰত এখন আইনো আছে। গতিকে আমি চৰ-চাপৰি অঞ্চল বা খিলঞ্জীয়া মানুহেই হওঁক আমি সংস্থাপন দিব পাৰো। সেই উদ্দেশ্যে এইখন চৰকাৰে কাম কৰি আহিছে। মই ভাবো ২০১৯ চনৰ লেণ্ড পলিচিৰ প্ৰথম পৰ্য্যায় Section-11,1 আৰু 12 এই দুইটা আৰু ২০১০ চনৰ Land Grabbing Act আৰু rehabilitation policy এটা আছে। rehabilitation policy আপোনালোকে যদি চায় তাত চৰ-চাপৰি, গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা লোক সকলৰ কাৰণে আমাৰ এখন rehabilitation policy আছে। এই পলিচি মতেও আমি তেওঁলোকক বিভিন্ন ধৰণে সকাহ দিয়াৰ বাবে চৰকাৰৰ আইন আছে। প্ৰথম শ্ৰেণী, দ্বিতীয় শ্ৰেণী, তৃতীয় শ্ৰেণী সেই ধৰণে ভাগ কৰা আছে। নদী খহনীয়া শ্ৰেণীভুক্ত বহুত পৰিয়ালে নিজৰ গৃহ আৰু কৃষি ভূমি হেৰুৱাইছে, তেওঁলোকক প্ৰথম শ্ৰেণীত ৰখা হৈছে। দ্বিতীয় শ্ৰেণীত যিবোৰ পৰিয়ালে নিজৰ ঘৰুৱা ভুমি হেৰুৱাইছে আৰু কৃষি ভুমিও হেৰুৱাইছে, তেওঁলোকক দ্বিতীয় শ্ৰেণীত ৰখা হৈছে। তৃতীয় শ্ৰেণী হৈছে, যিবোৰ পৰিয়ালে নিজৰ সকলো কৃষি ভূমি হেৰুৱাইছে, কিন্তু ঘৰুৱা ভূমি আছে, এনেধৰণে খহনীয়াত হেৰুৱা পৰিয়ালসমূহৰ কাৰণে চৰকাৰৰ Rehabilitation Policy ত নিশ্চয়কৈ উল্লেখ আছে ৫ লাখ টকা প্ৰতি বিঘা বা মাগুলিক জোনেল ভেলুৰ ওপৰত নিৰ্ভৰ কৰি দিয়া হয়। ঘৰ বনোৱাৰ কাৰণে ১.৫০ লাখ টকা।

**শ্ৰী শ্বেৰমান আলি আহমেদ,(বাঘবৰ)** ঃ মন্ত্ৰী মহোদয়, Rehabilitation Policy তো কিমান implement কৰিছে, সেইটো অপল কৈ দিব।

**শ্ৰী যোগেন মহন, (ৰাজহ আৰু দুৰ্য্যোগ মন্ত্ৰী)** ঃ Policy তো আছে, এই হুPolicy টো implement কৰিব লাগিব। ইয়াৰ কাৰণে উপায়ুক্তৰ পৰা proposal আহিব লাগিব। উপায়ুক্তৰ পৰা proposal অহাৰ পিছত তাত survey হৈ চৰকাৰলৈ আহিব লাগিব। তাৰ পৰা আমাৰ যিখন বোৰ্ড আছে, তাত approve হৈ আহিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ,(বাঘবৰ)** ঃ মন্ত্ৰী মহোদয়, proposal officer খিনিয়ে নিদিলে, তাৰ কাৰণে আপোনালোকৰ direction লাগিব।

**শ্ৰী যোগেন মহন,(ৰাজহ আৰু দুৰ্য্যোগ বিভাগৰ মন্ত্ৰী)** ঃ হয়, সেইখিনি আমি সকলোৰে মিলি কৰিব লাগিব, কাৰণ য'ত য'ত গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হৈ আছে, সেইবিলাকত details survey কৰিব লাগিব।

এইবিলাকত চৰকাৰৰ ফালৰ পৰা নিৰ্দেশনা দিয়া আছে। আমি যেনেকৈ চৰকাৰী ভুমিত

eviction কৰিব কাৰণে empower DC কৰা আছে। ঠিক তেনেকৈ Rehabilitation Policy implementation কৰিবৰ কাৰণে তেওঁলোকক নিৰ্দেশনা দিয়া আছে। গতিকে DC, Circle Officer, লাট মণ্ডল আদি যিটো force য়ে কাম কৰি আছে, সেই force টোক আমি active কৰি কামখিনি আগবঢ়াই লৈ যাব লাগিব। তেতিয়া আৰু নতুনকৈ আইন অহাৰ প্ৰশ্ন নুঠে। গতিকে সেইখিনি কৰিবৰ কাৰণে আমি সকলোৱে একেলগে চেষ্টা কৰিব লাগিব। এই গৰাখহনীয়া সমস্যাটো আছে, চৰ চাপৰিৰ সমস্যাটোও আছে। সেইখিনি চৰকাৰে গুৰুত্বসহকাৰে লৈছে। গতিকে এতিয়া যিখিনি আইন আছে, নীতি আছে, policy আছে, এইখিনি যদি ভালকৈ আমি implement কৰো তাতে আমাৰ সমাধানৰ সুত্ৰটো আছে। গতিকে এইখন আইনৰ পিছত অন্য এখন আইন অনাটো উঠাই ল'ব লাগে আমাৰ সন্মানীয় বিধায়ক জনে। এই যিখন policy য়ে কাম কৰি আছে, ২০১৯ ৰ policy য়ে হওঁক, Land Revenue Act য়ে হওঁক, Rehabilitation Policy, এই policy খিনিৰ যোগেদি আমি জিলা উপায়ুক্ত সকলৰ লগত জিলাত থকা DDMA সকলোৱে বহি এইবিলাক কথা আলোচনা কৰি কথাখিনি উপায়ুক্তৰ লগত উলিয়াব পৰা যাব, তেতিয়া কোন কোন জিলাত এনেকুৱা ধৰণৰ সমস্যাখিনি আহি আছে, জানিব পৰা যাব। গতিকে এদিন ভালকৈ বহি implement কৰো, যাতে চৰ চাপৰিত থকা দুখীয়া জনসাধাৰণখিনিয়ে সকাহ পায়, তেওঁলোকে মাটি পায়। তেওঁলোকে এফালৰ পৰা অন্য ফালে ঘুৰি ফুৰিবলগীয়া নহয়।

ঠিক তেনেধৰণে eviction হলেও, যেনে ধৰক শোণিতপুৰ বুঢ়া চাপৰিত তাত অভয়াৰণ্য উচ্ছেদ কৰোতে উপায়ুক্তজনে আগতীয়াকৈ জাননি দিয়ে। বটদ্ৰৱাটো আগতীয়াকৈ জাননি দিয়া হৈছিল আৰু তাত সংস্থাপিত কৰা হৈছে। বৰ্তমানলৈকে তেওঁলোকৰ ১৬ জন ভূমিহীন লোকক চৰকাৰে উপযুক্ত স্থানত ভূমি প্ৰদান কৰিছোঁ। এনেধৰণে তেওঁলোকে যি কাগজ পত্ৰ দিব লাগে চৰকাৰী মাটি পাবলৈ হলে, Land policy মতে যি document submit কৰিব লাগে, সেই সুত্ৰত যদি তেওঁলোকে submit কৰে মাটি পাব। যদি চৰকাৰী খাছ মাটিত বহি আছে, আবেদন কৰক, লগে লগে তেওঁলোকৰ SDLAC বহিব, DC য়ে গ্ৰাম্য অঞ্চলবিলাকত settlement দিব পাৰে।

এতিয়া বসুন্ধৰাত পইচা কমাই দিয়া হৈছে। য'ত এক বিঘা মাটিত ৫০০ টকা settlement দিব লাগে, বসুন্ধৰাত ১০০ টকা কৰা হৈছে। সেই কাৰণে বহুত মাটি পট্টা খিলঞ্জীয়া মানুহে পাইছে। Revenue কেনেকৈ বাঢ়িছে, ২০১৪ চনত ৩৩ কোটি টকা আছিল, এতিয়া ১৮৫ কোটি টকা বাঢ়িছে। কাৰণ মানুহে পট্টা পাইছে, পট্টা পোৱাৰ কাৰণে খাজনা দিছে। কিমান মানুহে এই চৰকাৰৰ দিনত পট্টা পাবলৈ সক্ষম হ'ল। গতিকে মই ভাৱো যে এই আইনখন আছে আমাৰ আৰু এইখিনি ভালদৰে যদি আমি implement কৰো, নিশ্চয় আমাৰ যিখিনি সমস্যাৰ কথা চিন্তা কৰি আছো, এখন policy, এখন Act ৰ কাৰণে, সন্মানীয় জ্যেষ্ঠ বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই আনিছে, এইখন নানিলেও হ'ব। গতিকে ২০১৯ policy, Land Revenue Act strong কৰিম আৰু Rehabilitation Policy মতে যদি মানুহখিনি আমি সকাহ দিওঁ, নিশ্চয় এই আইনখন অনাৰ প্ৰয়োজন নাই। মুল এই তিনিটাত যদি আমি গুৰুত্ব দিওঁ, নিশ্চয় আমি এইখিনি সমস্যা, যিখিনি উল্লেখ কৰিছো, সেইখিনিৰ সমাধান হ'ব।

চৰ চাপৰিত মাটি দিয়াতো ecological balance ৰ কথা আছে, ভয়াবহ ভাৱে climate change হৈছে। বিভিন্ন ধৰণৰ কথা আহি আছে, Forest লাগিবই আমাক। Forest Belt ৰাখিব লাগে। চৰ চাপৰিত এটা আইন আছে, চৰ চাপৰিত খেতি কৰা তেওঁলোকক এক বছৰৰ

কাৰণে temporary settlement আইনৰ জৰিয়তে খেতি কৰিবৰ কাৰণে মাটি দিয়ে। সেইখন আইনো যদি আমি implementation কৰো, আমি যদি serious হওঁ, তেনেকৈও তেওঁলোকে খেতি কৰিব পাৰিব। গতিকে settlement টো আমাৰ চৰকাৰী মাটি য'ত দখল হৈ আছে, সেইখিনি eviction কৰি য'ত genuine landless মানুহ আছে, সেইখিনি মানুহক অসমৰ যিকোনো ঠাইতে দিব পৰাকৈ হুpolicy হৈছে। মিছন বসুন্ধৰাই হওঁক, Act হৈছে, amendment হৈছে, বিভিন্ন হুpolicy হৈছে আৰু আমি এইবাৰ ১৩৫ হাজাৰ মানুহক ইতিমধ্যে পট্টা দিলো। আমি mini mission কৰি কেবিনেটত proposal submission নকৰাকৈ যোৱাবাৰ একেদিনে ১০৭৪ খন আবেদন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পাছ কৰি দিছে। মানে ১০৭৪ টা পৰিয়ালে মাটিৰ settlement পাবলৈ সক্ষম হৈছে। আমি প্ৰতি বছৰত তিনিটাকৈ এনেকুৱা ধৰণৰ mission mode কেবিনেটত পাছ হয়। গতিকে বছৰত তিনিবাৰ কেবিনেটে মাটি settlement দিয়ে, individual য়ে হওঁক বা organisation ৰ ক্ষেত্ৰতে হওঁক। আমাৰ চৰকাৰে এনেধৰনে ভূমি সংক্ৰান্তিয় কামসমূহ সময়মতে কৰিবৰ কাৰণে, ন্যায় দিবৰ কাৰণে, জনসাধৰণক সুবিধা দিবৰ কাৰণে Revenue Department য়ে কাম কৰি আছে। আপোনালোক সকলোৱে সহযোগ কৰিছে, সেই কাৰণে সম্ভৱ হৈছে। আজি ১২ লাখ আবেদন আছে, মিছন বসুন্ধৰা phase -II ত১২ লাখ মানুহৰ সমস্যা আছিল। প্ৰায় ভাগ খাছ ভূমি থকা ১০ লাখ মানুহে পট্টা পাব, আমি যদি ১৪ নৱেম্বৰৰ ভিতৰত ভালকৈ কাম কৰি যাব পাৰো । গতিকে আপোনালোকক ধন্যবাদ জনাইছোঁ যে এই প্ৰস্তাৱটো আনি আলোচনা কৰিবলৈ চৰকাৰক সুবিধা দিছে আৰু মাননীয় বিধায়ক আমিনুল ইছলাম (জেষ্ঠ্য) ডাঙৰীয়া, আপুনি যি বিধায়কখন আনিছে, এইখন উঠাই লবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰ-চাপৰিৰ লোক সকলক তেওঁলোকৰ মাটিৰ আৱন্টন দিয়াৰ পিছত চৰ-চাপৰিৰ মাটি জৰীপ কৰি মাটিৰ আৱন্টন দিয়া স্বাধীনতাৰ পিছত প্ৰথমবাৰলৈ প্ৰথম বিধেয়ক আজি সদনৰ মজিয়াত আহিছে । স্বাধীনতাৰ পিছত এই বিষয়টোলৈ আজিলৈকে কোনো বিধেয়ক চৰকাৰী পক্ষৰ পৰাই হওক বা বিৰোধী পক্ষৰ পৰাই কোনোদিন নাহিল । প্ৰথমবাৰ আজি আহিছে আৰু এইটো ইতিমধ্যে বিভিন্ন জনে মতামতো দিছে সদস্য সকলে। কিন্তু মই দেখিছো যে শাসকীয় পক্ষই হওক বা বিৰোধী পক্ষই হওক যি কেইজনে ইয়াত অংশগ্ৰহণ কৰিছে এটা কথাত কোনোৰে দ্বিমত নাই যে অসমত যে কেইবা লাখো ভূমিহীন লোক আছে বা নদীৰ গৰাখহনীয়াত আক্ৰান্ত লোক আছে যি সকলক সংস্থাপন দিয়াৰ প্ৰয়োজনীয়তা আছে এইটো শাসকীয় বিৰোধী সকলো পক্ষৰ সকলোৱে কিন্তু এই কথাটো মানি লৈহে আলোচনা কৰিছে যে তেওঁলোকক সংস্থাপন দিয়াৰ প্ৰয়োজনীয়তা আছে । এই বিষয়টো আমাৰ মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে আজিৰ দিনটোলৈ প্ৰায় বাৰ লাখ মানুহে বসুন্ধৰা আঁচনিত আবেদন কৰিছে, তাৰ মানে বাৰ লাখ ভূমিহীন লোক আছেই। হয়তো বহু লোকে এতিয়ালৈকে আবেদন কৰা নাই । কিন্তু কথাটো হ'ল যে চৰ-চাপৰিৰ লোক সকলে বসুন্ধৰা-২ ৰ পৰা বাদ কৰি ৰখা হৈছিল এই কথাটো মন্ত্ৰী মহোদয়ে জানে। বসুন্ধৰা-২ যেতিয়া নটিফিকেশ্যন দিয়া হৈছিল মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল, এই চৰ-চাপৰিত যে পশিচ লাখ মানুহ আছে তাৰ ভিতৰত হয়তো দুই-চাৰি লাখ ভূমি থকা মানুহো থাকিব পাৰে, য'ত কিছুমানৰ বাহিৰত ভূমি আছে । বাকী যি সকলৰ ভূমি নাই তেওঁলোকক কিন্তু মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰোটে কৈছিল যে বসুন্ধৰা-২ ত আবেদন কৰিব নোৱাৰে ।

মাজুলী আৰু লক্ষিমপুৰৰ চৰৰ বাহিৰে বাকী চৰ-চাপৰিৰ লোকে বসুন্ধৰা-২ ত আবেদন কৰিব নোৱাৰে । এইটো বাদ পেলায় ৰখা হৈছিল। সেই কাৰণে বিল খন আনিবলগীয়া হৈছে । যিহেতু মন্ত্ৰী মহোদয়ে কৈছে বসুন্ধৰাত আবেদন কৰা হৈছে আনি পলিচি বিলাক লৈছো গতিকে আৰু এখন বিলৰ দৰকাৰ নাই। যিহেতু এই পশিছ লাখ মানুহ বসুন্ধৰাত বাদ দিয়া হৈছে গতিকে আমি বিলখন আনিবলগীয়া হ'ল । এই ক্ষেত্ৰত ৰিহেবিলেশ্যন পলিচিৰ যিটো কথা কৈছে, মন্ত্ৰী মহোদয়ে এটা ভাল কথা কৈছে যে তাৰ জৰিয়তে যিমান ভূনিহীন বা বানাক্ৰান্ত লোক আছে তেওঁলোকক সংস্থাপন দিব পৰা যায় আৰু চৰকাৰ সদিচ্ছা আছে কিন্তু সেই চক্ৰ বিষয়া, উপায়ুক্ত বা অন্য বিষয়া বিলাকে ভূমিহীন লোকৰ আবেদন পত্ৰই নলয় । যি সকলৰ নদীয়ে ৩০, ৪০, ৫০ বছৰ আগত মাটি লৈ গৈছে, তেওঁলোকৰ দলিল হাতত আছে, বহুতৰ দহ পোন্ধৰ বিঘা মাটি আছিল এক লেচা মাটিও নাই । কিন্তু কাগজটো হাতত আছে। এই কাগজ লৈ যায় চাৰ্কোল অফিচত মোৰ নামত দহ বিঘা মাটি আছিল নদীয়ে লৈ গ'ল কিন্তু দলিল বিলাক নলয়, কয় এই বিলাকৰ কাম নাই । গতিকে য'ত আবেদন পত্ৰই নলয় তেওঁলোকে ৰিহেবিলেশ্যন পলিচিত আকৌ ক'ত প্ৰপোজেল দিব, ক'ক কেনেকৈ পাব । গতিকে আমাৰ কথা হ'ল যে চৰ-চাপৰিৰ বাহিৰেও কৰবাত চৰকাৰৰ বিকল্প ভূমি আছে ভূমি আছে তেওঁলোকক সংস্থাপন দিবৰ বাবে বহুত ভাল কথা । কিন্তু বিকল্প মাটি ইমান পোৱা নাযাব কাৰণে আমি ভাবিছিলো যে চৰ-চাপৰিৰ মাটিখিনি ৰেগুলেশ্যনত আনি হ'লেও ভূমিহীন লোক সকলক সংস্থাপন দিয়াৰ ব্যৱস্থাৰ কাৰণে এই বিলখন আনিছিলো । গতিকে অধ্যক্ষ মহোদয়, এই বিষয়টো দুখ লাগে যে স্বাধীনতাৰ পিছত প্ৰথম বাৰৰ বাবে চৰ চাপৰিৰ মানুহ বাবে বিল বা তেওঁলোকৰ ভূমিৰ অধিকাৰৰ প্ৰথম বিল শাসকীয় বা বিৰোধীৰ পৰা আজি আহিছিল, এইখন আমি উঠাই ল'বলগীয়া হ'ব কিন্তু তাৰ আগতে মই যিখিনি প্ৰেক্টিকেল সমস্যাৰ কথা কলো মন্ত্ৰী মহোদয়ে সেই কথা খিনি কিমান জানে নাজানো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাজুলীটো বৰ্তমান স্থায়ী চৰলৈ ৰূপান্তৰ হৈছে। যিহেতুকে বৰ্তমান ইক'লজিকেল বেলেঞ্চৰ কথা এটা আহি আছে সেই কাৰণে চৰকাৰে মাজুলীৰ বাহিৰে আন ঠাইৰ চৰ-চাপৰি বিলাকৰ মাটিৰ অধিকাৰ দিয়াৰ ক্ষেত্ৰত দিধাবোধ কৰিছে। এইটোৰ বাবে বিশ্বত ভয়াবহভাবে বতৰ সলনি হৈ গৈছে । যদি এই চৰ-চাপৰিৰ মাটি বিলাক সুৰক্ষিত কৰি নাৰাখি বসতিৰ বাবে দি দিয়া হয় তেতিয়াহ'লে অসমতো ভৱিষ্যতে এটা ভয়াৱহ পৰিৱেশৰ সৃষ্টি হ'ব পাৰে । সদ্যহতে মিচন বসুন্ধৰাত মাজুলিৰ বাহিৰে অসমৰ আন ঠাইৰ চৰ-চাপৰিৰ মাটিত ভূমিৰ অধিকাৰৰ বাবে আবেদন কৰিবলৈ অনুমতি প্ৰদান কৰা নাই । যদি প্ৰকৃততে ভূমিহীন লোক হয় তেওঁ উপযুক্ত তথ্যসহ অনলাইনত আবেদন কৰিব পাৰিব । মিচন বসুন্ধৰাত অসমৰ যিকোনো ঠাইৰ পৰা আবেদন কৰিব পৰা ব্যৱস্থা কৰা হৈছে । বাকী চৰ-চাপৰিৰ ক্ষেত্ৰত চৰকাৰে পৰৱৰ্ত্তী সময়ত চিন্তা-চৰ্চা কৰিব ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** ১৯-১০-২০২২ তাৰিখৰ কেবিনেটৰ সিদ্ধান্তত কোৱা হৈছিল যে চৰ এলেকাত যি সকল লোকে নতুনকৈ বসতি স্থাপন কৰিছে তেওঁলোকক মাটিৰ পট্টা দিয়া নাযাব। কিন্তু এতিয়া ৰাজহ মন্ত্ৰীৰ কথা আৰু তেতিয়াৰ মুখ্যমন্ত্ৰীৰ কথাৰ মাজত কিছু পাৰ্থক্য আছে। কিয়নো বৰ্তমান ৰাজহ মন্ত্ৰীয়ে মাজুলিৰ বাহিৰে কোনো চৰতে পট্টা দিয়া নহ'ব বুলি কৈছে। আনহাতে কেবিনেটৰ সিদ্ধান্তত নতুনকৈ বসতি স্থাপন কৰা লোককহে পট্টা দিয়া নহ'ব বুলি কৈছিল । মন্ত্ৰী মহোদয়ে এই কথা খিনি পৰিষ্কাৰ কৰি দিলে ভাল হয় ।

দ্বিতীয়তে, ৰাজহ বিভাগে কোনবিলাক অঞ্চলক চৰ বুলি অভিহিত কৰিব বিচাৰিছে ? ৰাজহ বিভাগে বৰ্তমানলৈকে সেইটো স্পষ্ট কৰি দিয়া নাই। ২০০২ চনৰ চৰ অঞ্চল উন্নয়নৰ জৰীপৰ ওপৰত ভিত্তি কৰি ৰাজহ বিভাগে চৰ নিৰ্বাচন কৰিছে নেকি এই কথাটো স্পষ্ট ভাবে জনাব লাগে । কিয়নো ৰাজহ বিভাগে এশ বছৰৰ পুৰণি চৰ অঞ্চলকো চৰ অঞ্চল বুলি বিবেচনা কৰিছে আৰু দুবছৰৰ আগতে গঠন হোৱা চৰকো চৰ বুলি ধৰিছে । গতিকে বিভাগৰ ফালৰ পৰা বিতং তথ্যসহ তালিকা এখন দিলে ভাল হয় ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব সময় কম আৰু আলোচনা কৰিব নালাগে ।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, চৰ দুই প্ৰকাৰ আছে। স্থায়ী চৰ আৰু অস্থায়ী চৰ । অস্থায়ী চৰত কোনো ধৰণৰ চেটেলমেন্ট কৰিব দিয়া ন'হব । স্থায়ী চৰ হিচাপে নতুনকৈ ৰূপান্তৰিত হোৱা কেৱল মাজুলীকে বৰ্তমান স্থায়ী চৰ হিচাপে ধৰা হৈছে । বাকী খিনি চৰক মিচন বসুন্ধৰাৰ পৰা আতৰাই ৰখা হৈছে । পৰৱৰ্ত্তী সময়ত সেইখিনি বিবেচনা কৰা হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** মই ভাবো আপোনালোকে বিধেয়ক খন উঠাই ল'লে ।

**সদন ইং ৪ এপ্ৰিল, ২০২৩ চনলৈ স্থগিত ৰখা হ'ল।**